# ভোলানাথ মহাবিদ্যালয়

# আলোচনী

৩৫ তম সংখ্যা



সম্পাদক

অলী নরাজ চক্রবর্ত্তী

# BHOLANATH COLLEGE MAGAZINE

## ANNUAL PUBLICATION

## 1991 - 92

### 35th ISSUE

*With Best Compliments :*

*To,*

*Mr/Mrs* ............................................................

............................................................

EDITOR

**Editor**

***Ali Nawaz Sarkar***

# ভোলানাথ মহাবিদ্যালয় আলোচনী

## ৩৫ তম বাৰ্ষিক সংখ্যা

## ১৯৯১-৯২


**সম্পাদনা সমিতি ঃ**

অধ্যক্ষ (ভাৰপ্ৰাপ্ত) মংগলা প্ৰসাদ ত্ৰিপাঠী ( সভাপতি )
অধ্যাপক ডঃ দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী ( তত্বাৱধাৰক )
আলী নওয়াজ সৰকাৰ ( সম্পাদক )
অধ্যাপক ডঃ অনন্ত কুমাৰ নাথ ( সদস্য )
,, ডঃ মানিকলাল মুখাৰ্জী ,,
,, উদ্ধৱ চন্দ্ৰ কলিতা ,,
,, জতুৰ্ময় বসুমাতাৰী ,,
,, বছিৰ উদ্দিন আহম্মেদ ,,
অধ্যাপিকা দীপা ঘোষ ,,
সঞ্জীত কুমাৰ দাস ,,
আমিৰ হুছেইন ,,
আব্দুৰ ৰেজ্জাক ,,
আবুতাহেৰ আলী ,
সঞ্জীত কুমাৰ ধৰ ,,
মহালম ইছলাম ,,
আবু হানিফা ,,
জেচমিন বেগম ,,
ৰুনা লায়লা ,,

বেটুপাতৰ শিল্পী ঃ ফিৰদৌচ ইছলাম চৌধুৰী
অংগ সজ্জা ঃ আলী নওয়াজ সৰকাৰ (আলোচনী সম্পাদক)


বেটুপাতৰ অভিব্যাক্তি ঃ— ছাত্ৰানং অধ্যয়নং তপঃ যি অধ্যয়নে ছাত্ৰ সমাজক কৰি তুলিব সুশিক্ষিত, সুনাগৰিক। যি শিক্ষা হব সূৰ্য্যৰ দৰে দ্বীপ্ত, কুৰলীৰ টোপালৰ দৰে নিৰ্মল আৰু ৰক্ষা কৰিব দেশ, জাতি শিক্ষা আৰু সংস্কৃতিৰ মান।


ছপা ঃ—

চিলাৰায় প্ৰিণ্টাৰ্চ, ডি, কে, ৰোড, ধুবুৰী।


## সূচীপত্ৰ


শুভেচ্ছা বানী, শ্ৰদ্ধাঞ্জলি, শুভেচ্ছা বানী
সম্পাদকৰ নিবেদন

### অসমীয়া বিভাগ—

**কবিতা—**

তিক্ততা— অলকেশ চন্দ্ৰ ৰায়/১, বেদনা— জেউতি ব্ৰহ্ম/২, তুমি— ৰফিকুল ইছলাম/২, পৃথিৱী— মোঃ লতিফ খন্দকাৰ/৩, হৃদয়েৰে— মোকলেছুৰ ৰহমান মণ্ডল/৩, পুৰতী মাধুৰ্য্য— সেখ ফজল কৰিম (মুক্তা)/৪, স্মৃতি— আব্দুল হালিম/৫, কবি— হেমন্ত কুমাৰ ৰায়/৫, টকা কি ?— এছাহক আলি/৬, **প্ৰবন্ধ—** যৌতক— এক সামাজিক ব্যাধি— শ্ৰী তাৰিনি কান্ত শৰ্মা/৭, ধৰ্ম আৰু বিজ্ঞান— মৃনাল কান্তি ৰায়/১১ দিহা নামত মহাপুৰুষ শঙ্কৰ দেৱ— আশ্ৰাফুল আলম/১৬, অসমীয়া ব্যাকৰণৰ ভেটি উচ্চাৰণ আৰু বানান সম্পৰ্কীয় ত্ৰুটি বিচ্যুতি— প্ৰাসঙ্গিক দু আষাৰ— ডঃ দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী/১৯। **চুটি গল্প—** অনসূয়াৰ বিপদ— নুৰুল ইছলাম/২৩, অনুতাপ— মিছ উম্মে কুলছুম/৩০, মৰম— ছামছুল ইছলাম/৩৩, দিঠক— মহঃ মেহবুব ৰহমান সৰকাৰ/৩৭, অপৰাধী— আফৰুজা বেগম/৪১।

### বঙালী বিভাগ—

**কবিতা—**

শবের বিকল্প— শ্ৰী ভূপেশ চন্দ্ৰ ৰায় প্ৰধানী, একটা নতুন পৃথিবী চাই— ছাইফুৰ ৰহমান, চৰিত্ৰই মহাধন— শ্ৰী সুশান্ত কুমাৰ মহন্ত, মাটি পায়না— মানিক মুখোপাধ্যায়, শুধুই শিউলি—ভাস্কৰ বোস।

**চুটি গল্প—**

ঋণ শোধ— অৰ্পনা সেন/১, অজেয়— সুদেব পাল/৪।

### English Section—

An overview on Education— Dr. A. E. Md. K. Zaman/1, National Integration— Manash Datta/5, Sailing Through— Satyajit Sengupta/7, If Only— Gaurab Ganguly/9, Examination— Zahangir Alom/10 .

### হিন্দী বিভাগ—

আজকা সমাজ— ফনিভূষন পাণ্ডে/১, কবিতা কে প্ৰতি— গোপাল কুমাৰ শৰ্মা/২, পৰিবাৰ কা কল্যান কেয়সে হো সক্তা হ্যায়—সুকমল ৰায়/৪।

### বড়ো বিভাগ—

আখা ফোৰ— ভূপেন মুছাহাৰী, ৰজে— চিত্তেশ্বৰ ব্ৰহ্ম, ফেমাল সিমা— শ্ৰী মিহীৰ কুমাৰ ব্ৰহ্ম।

সত্যমেব জয়তে

# মুখ্যমন্ত্ৰী অসম

অক্টোবৰ ১২, ১৯৯২



হিতেশ্বৰ শইকীয়া

## শুভেচ্ছাবাণী

ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন ৩৫তম সংখ্যাটো অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি মই সুখী হৈছো ।

শিক্ষানুষ্ঠান সমূহৰ পৰা প্ৰকাশ পোৱা আলোচনী সমূহে ছাত্ৰ-ছাত্ৰী-সকলক তেওঁলোকৰ সৃজনিমূলক লিখনিৰ দ্বাৰা সাহিত্য চৰ্চাৰ সুযোগ দিয়াৰ উপৰিও তেওঁলোকৰ মাজত অন্তৰ্নিহিত সাহিত্য প্ৰতিভা সমূহৰো বিকাশ ঘটায় । ভোলানাথ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন তথ্য-সম্বলিত লিখনিকৰে সমৃদ্ধ হৈ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ সমল যোগাব বুলি মই আশা কৰিলো ।

**শ্ৰীআলি নৱাজ চৰকাৰ**
( আলোচনী সম্পাদক )
**ভোলানাথ মহাবিদ্যালয়,**
পোঃ অঃ বিদ্যাপাৰা
জিলা—ধুবুৰী পিন—৭৮৩৩২৪ ।



## —ঃ শ্ৰদ্ধাঞ্জলি ঃ—

ভোলানাথ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ N.S.U.I. (I) ছাত্ৰ সংগঠনৰ পৰা নিৰ্বাচিত হোৱা ক্ৰিকেট আৰু হকী সম্পাদক নৱ মনি সুৰযৰ নতুন কিৰণ তথা ভোটা তৰাৰ দৰে উজ্জ্বল সৰ্গীয় শ্ৰী ৰাজা চৌধৰীৰ নিৰ্মম হত্যাত আমি ভোলানাথ মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী বৃন্দৰ হৈ ভোলানাথ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰপৰ পৰা গভীৰ শোক প্ৰকাশ কৰো।

এই জন ছাত্ৰ নেতাৰ কৃতি আৰু জসয্যা আমালোকৰ মাজত চিৰদিন জিলিকি থাকিব বুলি আশা ৰাখি তেওঁৰ আত্মাৰ স্বৰ্গীয় কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।।


**MD. MOHIBUL HAQUE**
Minister of State,
Border, Power & Rural
Electrification,
Govt of Assam




## MESSAGE

I am happy to know that the B. N. College Students Union, Dhubri, is going to publish their 35th Annual College Magazine shortly. The College Magazine will help the students to express their earned knowledge and talents on different subjects where-from the student community will get scope to learn many things.

I wish the ''College Magazine'' a grand success.

To,
**Sri Ali Nawaz Sarkar**
B. N. College
P. O. Bidyapara,
Dist. Dhubri.

*Yours sincerely,,*

( M. M. HAQUE )

# অসম সাহিত্য সভা

শ্ৰীলক্ষ্যধৰ চৌধুৰী
সভাপতি

ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ ৩৫তম বাৰ্ষিক আলোচনীখনিৰ প্ৰকাশৰ প্ৰস্তুতি চলিছে বুলি আলোচনী সম্পাদক আলী নাৱাজ চৰকাৰৰ পৰা শুনি অতিশয় আনন্দিত হলো।

এই আলোচনীত ন-ন লেখক-লেখিকাৰ লিখা পঢ়িবলৈ আমি আগ্ৰহেৰে বাট চাই ৰলো।

আলোচনীখনিৰ সকলো দিশতে সাফল্য কামনা কৰিলো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী
সভাপতি
অসম সাহিত্য সভা।

## B. N. College Students' Union of 1991–92

*Sitting* ( *L. to R.* )— Asha Lama ( Girls' Common Room Secy. ), Ali Nawaz Sarkar ( Magazine Secy. ) Mufakh-Kharul Islam ( Asstt. G. S. ), prin (I/c) M. P. Tripathi ( President ) Sanjit Kr. Das ( General Secy. ), Nur Uddin Mollah ( Music & Drama Secy. ) Monir Uddin Ahmed ( College Sports Secy. ).

*Standing* ( *L. to R.* )— Gautam Haladar ( Football & Gym. Secy. and Mr. B. N. ), Bablu Khan ( Minor game Secy. ).

*Absent*— Late Raja Chowdhary ( Cricket & Hocky Secy. ), Abdur Rezzak ( Boy's Common Room Secy. ), Abu Taher Ali ( Social Service Secy. ), Abdur Rashid Miah ( Debate & Culture Secy. ).



## EDITORIAL BOARD : 1991-92

*Sitting ( L. to R. )* :— Sanjit Kr. Das ( Mem ), Dr. A. K. Nath ( Mem ), M. L. Mukherjee ( Mem ), U. C. Kalita ( Mem ), M. P. Tripati ( President ), J. Basumatary ( Mem ) B. U. Ahmed (Mem), Ali Nawaz Sarkar, ( Editor ).

*Standing ( L. to R. )*— M Islam ( Mem ), A. Taher Ali ( Mem ), A. Hossain (Mem), A. Rezzak ( Mem ).

*Absent*— Dr. D. K. Adhikary (*Prof in-charge*), *Dipa Ghose*, Jesmine, Runa Laila, A. Hanifa, S. Dha ( Mem )



# সম্পাদকীয়



নিবেদনৰ পাতনিত আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱা ক্ৰিকেট আৰু হকী সম্পাদক ৰাজা চৌধুৰীৰ নিৰ্মম হত্যাত গভীৰ ক্ষোভ প্ৰকাশ কৰি তাৰ আত্মাৰ সংগতিৰ কাৰণে ওপৰৱালাৰ ওচৰত প্ৰাৰ্থনা কৰিলো আৰু লগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক এই সম্পাদকীয় লিখাৰ অধিকাৰ দিলে তেখেত সকললৈ. মোৰ আন্তৰিক অভিনন্দন যাচি, কৃতজ্ঞতা স্বীকাৰ কৰিলো ।

প্ৰিয় ছাত্ৰছাত্ৰী বন্ধু বান্ধবী সকল । ভোলানাথ মহাবিদ্যালয়ৰ আলোচনীখন আপোনা-লোকে আশাকৰাৰ দৰে উলিয়াই দিব নোৱাৰাত মই আন্তৰিক ভাৱে দুঃখিত । আলোচনী এখন সৰ্বাঙ্গসুন্দৰ তথা উচ্চ মানদণ্ডৰ কৰিবৰ কাৰণে দুটা প্ৰধান সমলৰ আৱশ্যক, প্ৰয়োজনীয় টকা পইচা আৰু উচ্চ মানদণ্ডৰ লিখনি । আমাৰ এইবাৰৰ সংখ্যা আলোচনীত এই দুয়োটা সমলৰ অভাৱ ঘটিল, তাৰোপৰি দ্ৰব্য মূল্য বৃদ্ধি হৈয়ে আছে ।

দ্বিতীয়তে ভাল লিখনিৰ অভাৱ এইবাৰ বাৰুকৈয়ে পৰিলক্ষতি হৈছে । ভাল লিখনি বিচাৰি চাৰি পাচবাৰ মান জাননী দিয়া ব্যক্তিগত ভাৱে লগ ধৰি কোৱাৰ পিছতো উচ্চ মানদণ্ডৰ লিখনি নোপোৱাত হাতত থকা লিখনিকে সম্পাদনা সমিতিয়ে সম্পাদনা কৰি ছপাই উলিয়াই দিয়াৰ সিদ্ধান্ত লয় ।

### সাহিত্য আৰু মানৱজীৱন :—

মানৱ জীৱনৰ লগত সাহিত্যৰ সম্পৰ্ক গভীৰ । সাহিত্যৰ মাজেৰে কোনো এখন জাতিৰ সভ্যতা সংস্কৃতি ৰীতি নীতি আদি সকলো দিশ প্ৰতি ফলিত হয় সেয়েহে সাহিত্য হব লাগিব জীৱন্ত । কেতিয়াৱা কল্পনাৰ প্ৰয়োজন আছে । সেইবাবে নীলগগনত নানা বিৰঙৰ চাৰই ডেউকা মেলি আনন্দ মনেৰে উৰি ফুৰিব খোজাটো প্ৰকৃত

সাহিত্য নহয়। তেনে সাহিত্য ক্ষনিক আনন্দ দিয়াৰ বাহিৰে মানৱ জীৱনৰ কোনো উন্নত মানসিকতাৰ সৃষ্টি কৰিব নোৱাৰে। ভাষা অবিহনে যেনেদৰে সাহিত্য জীয়াই থাকিব নোৱাৰে তেনেদৰে একোটা ভাষা জীয়াই থাকে একো একোটা জাতিক কেন্দ্ৰ কৰি অসমীয়া ভাষা জীয়াই আছে অসমীয়া জাতিক কেন্দ্ৰ কৰি। সাহিত্য জাতিৰ দাপোন। এটা জাতিৰ উন্নতিৰ মাফকাটি সেই জাতিৰ সাহিত্য। যি দেশৰ সাহিত্য যিমান উন্নত সেই দেশ সিমানেই আগবঢ়া। সাহিত্য অবিহনে জাতি এটা জীয়াই থাকিব নোৱাৰে। যি জাতিৰ সাহিত্য নাই সেই জাতি লুপ্ত হৈ যোৱাটো স্বাসতঃ অতীতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে বৰ্ত্তমান, বৰ্ত্তমানৰ ওপৰত ভিত্তি কৰে ভবিষ্যত। আজিৰ সাহিত্য সংমিশ্ৰিত সাহিত্য বিভিন্ন দেশৰ বিভিন্ন ভাষাৰ সাহিত্যৰ সংমিশ্ৰনত আজিৰ আধুনিক সাহিত্য গঢ়ি উঠিছে। সাহিত্যৰ ওপৰত গৱেশনা চলি বহু নতুন ভাব ধাৰাৰ সৃষ্টি হৈছে। পুৰনি সাহিত্যৰ ওপৰত ভিত্তি কৰি আজিৰ এছাম নৱ লিখকে ন, ন ভাৱধাৰাৰ নতুন সুৰখৰ পথলৈ আগুৱাই নিয়াৰ দায়িত্ব বহন কৰিছে।

**কৃতজ্ঞতা স্বীকাৰ ঃ—** আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা বাবে আলোচনী বিভাগৰ তত্বাৱধায়ক শিক্ষাগুৰু ডঃ দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী শিক্ষাগুৰুসকল যথাক্ৰমে শ্ৰী উদ্ধৱ চন্দ্ৰ কলিতা, বছিৰ উদ্দিন আহম্মেদ, দ্বীপা ঘোষ, মানিকলাল মুখাৰ্জী, অনন্ত কুঃ নাথ, জতুৰ্ময় বসুমাতাৰী আদিৰ ওপৰত সম্পাদক কৃতজ্ঞ।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ পৰা আলোচনী প্ৰকাশলৈ সকলো সময়তে উৎসাহ প্ৰয়োজনীয় দিহা পৰামৰ্শ দি থকাৰ বাবে বন্ধু আমিৰ হুছেইন, আবুহানিফা, হাফিজ, আফজাল, ধ্ৰৱ, অসীম, আকতাৰুল, তথা নুৰুল হুদাৰ ওচৰত সম্পাদক কৃতজ্ঞ।

যিকোনো সময়ত যিকোনো পৰিস্থিতিত প্ৰয়োজনীয় উপদেশ পৰামৰ্শ দি উৎসাহিত কৰা সঞ্জীত কুমাৰ দাস (সাধাৰন সম্পাদক) আঃ ৰেজ্জাক (ছাত্ৰ জিবনী কোঠা সম্পাদক) ৰ কথা বিশেষ ভাৱে স্মৰন কৰিছো।

সম্পাদক এই সকলৰ ওচৰতো কৃতজ্ঞ যথাক্ৰমে মানিক, আমজাদ, সউকাত, মহালম, শ্বাহজাহান, বুলবুল, ফিৰোজ, অজাহাৰ, জয়নাল, খালেখ, মইনুল, ডিলনুৰ, আইয়ুব, মনিৰুল, আদি কৰি ৩নং ছাত্ৰাবাসৰ সব আবাসী, ধ্ৰৱ, হীৰেন, বিভাব অলকেশ, ৰবিদাস, ছত্ৰ, হেমন্ত সঞ্জয় চন্দন, মদন, আনন্দ, জয়ন্ত, প্ৰদীপ, অমল আদি কৰি ১নং ছাত্ৰাবাসৰ সৰে। ভূপেন মুছাহাৰী, বিজিত, চিত্তেশ্বৰ, মহিত, সৰৎ আদি কৰি আটাইবোৰ ২নং ছাত্ৰাবাসৰ আবাসী জাহাঙ্গীৰ, ময়নাল, মুৰাদ, আঃ ৰফিক, সাহাবুদ্দিন ভাইটি, হাৰুন, হাইদাৰ শ্বাহজাহান, ৰুবুল, একাব্বৰ, জাহানউদ্দিন, ফিৰোজ, নুৰমহম্মদ, আয়নাল হক, মাজহাৰুল, এছা হক, জয়, মজিবৰ, ডেবাশীশ, কোহিনুৰ, জেছমিন, নাজমা, ৰুনালায়লা, জুমি, চন্দা, হুসনীয়াৰা, আয়সা, আম্বিয়া, আফৰুজা, খন্দকাৰ, বাবলু, ইউচুফ, মেহেবুব, আনোয়াৰ, টিটু আদি বন্ধু বান্ধবী সকললৈ মোৰ গভীৰ অভিনন্দন ধন্যবাদ আৰু চিৰকৃতজ্ঞতা আগবঢ়াইছো।

সদৌ শেষত ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সম্পাদনা সমিতিৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। চিলাৰায় প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰী বিশ্বজিত কলিতা আৰু অন্যান্য কৰ্মীসকলক অশেষ ধন্যবাদ জনাইছো। বেটুপাতৰ শিল্পী ফিৰদৌচ ইছলাম চৌধুৰীৰ প্ৰতি শুভ কামনা থাকিল।

শেষত আলোচনী খনিত বৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তি আৰু ছপাৰ দোষ ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি ভোলানাথ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয় খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ মেলানি মাগিছো।

জয়হিন্দ ॥

ধন্যবাদেৰে

**আলী নওয়াজ সৰকাৰ**

আলোচনী সম্পাদক

ভোলানাথ মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধুবুৰী (অসম)।

সাহিত্য নহয়। তেনে সাহিত্য ক্ষনিক আনন্দ দিয়াৰ বাহিৰে মানৱ জীৱনৰ কোনো উন্নত মানসিকতাৰ সৃষ্টি কৰিব নোৱাৰে। ভাষা অবিহনে যেনেদৰে সাহিত্য জীয়াই থাকিব নোৱাৰে তেনেদৰে একোটা ভাষা জীয়াই থাকে একো একোটা জাতিক কেন্দ্ৰ কৰি অসমীয়া ভাষা জীয়াই আছে অসমীয়া জাতিক কেন্দ্ৰ কৰি। সাহিত্য জাতিৰ দাপোন। এটা জাতিৰ উন্নতিৰ মাফকাটি সেই জাতিৰ সাহিত্য। যি দেশৰ সাহিত্য যিমান উন্নত সেই দেশ সিমা-নেই আগবঢ়া। সাহিত্য অবিহনে জাতি এটা জীয়াই থাকিব নোৱাৰে। যি জাতিৰ সাহিত্য নাই সেই জাতি লুপ্ত হৈ যোৱাটো স্বাসতঃ অতীতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে বৰ্ত্তমান, বৰ্ত্তমানৰ ওপৰত ভিত্তি কৰে ভবিষ্যত। আজিৰ সাহিত্য সংমিশ্ৰিত সাহিত্য বিভিন্ন দেশৰ বিভিন্ন ভাষাৰ সাহিত্যৰ সংমিশ্ৰনত আজিৰ আধুনিক সাহিত্য গঢ়ি উঠিছে। সাহিত্যৰ ওপৰত গৱেশনা চলি বহু নতুন ভাৱ ধাৰাৰ সৃষ্টি হৈছে। পুৰনি সাহিত্যৰ ওপৰত ভিত্তি কৰি আজিৰ এছাম নৱ লিখকে ন, ন ভাৱধাৰাৰ নতুন সুৰখৰ পথলৈ আগুৱাই নিয়াৰ দায়িত্ব বহন কৰিছে।

**কৃতজ্ঞতা স্বীকাৰ ঃ—** আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা বাবে আলোচনী বিভাগৰ তত্বাৱধায়ক শিক্ষাগুৰু ডঃ দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী শিক্ষাগুৰুসকল যথাক্ৰমে শ্ৰী উদ্ধৱ চন্দ্ৰ কলিতা, বছিৰ উদ্দিন আহম্মেদ, দ্বীপা ঘোষ, মানিকলাল মুখাৰ্জী, অনন্ত কুঃ নাথ, জতুৰ্ময় বসুমাতাৰী আদিৰ ওপৰত সম্পাদক কৃতজ্ঞ।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ পৰা আলোচনী প্ৰকাশলৈ সকলো সময়তে উৎসাহ প্ৰয়োজনীয় দিহা পৰামৰ্শ দি থকাৰ বাবে বন্ধু আমিৰ হুছেইন, আবুহানিফা, হাফিজ, আফজাল, ধৰ, অসীম, আকতাৰুল, তথা নুৰুল হুদাৰ ওচৰত সম্পাদক কৃতজ্ঞ।

যিকোনো সময়ত যিকোনো পৰিস্থিতিত প্ৰয়োজনীয় উপদেশ পৰামৰ্শ দি উৎসাহিত কৰা সঞ্জীত কুমাৰ দাস (সাধাৰন সম্পাদক) আঃ ৰেজ্জাক (ছাত্ৰ জিৱনী কোঠা সম্পাদক) ৰ কথা বিশেষ ভাৱে স্মৰন কৰিছো।

সম্পাদক এই সকলৰ ওচৰতো কৃতজ্ঞ যথাক্ৰমে মানিক, আমজাদ, সউকাত, মহালম, শ্বাহজাহান, বুলবুল, ফিৰোজ, অজাহাৰ, জয়নাল, খালেখ, মইনুল, ডিলনুৰ, আইয়ুব, মনিৰুল, আদি কৰি ৩নং ছাত্ৰাবাসৰ সব আবাসী, ধ্ৰুৱ, হীৰেন, বিভাৱ অলকেশ, ৰবিদাস, ছত্ৰ, হেমন্ত সঞ্জয় চন্দন, মদন, আনন্দ, জয়ন্ত, প্ৰদীপ, অমল আদি কৰি ১নং ছাত্ৰাবাসৰ সৰে। ভুপেন মুছাহাৰী, বিজিত, চিত্তেশ্বৰ, মহিত, সৰৎ আদি কৰি আটাইবোৰ ২নং ছাত্ৰাবাসৰ আবাসী জাহাঙ্গীৰ, ময়নাল, মুৰাদ, আঃ ৰফিক, সাহাবুদ্দিন ভাইটি, হাৰুন, হাইদাৰ শ্বাহজাহান, ৰুবুল, একাব্বৰ, জাহানউদ্দিন, ফিৰোজ, নুৰমহম্মদ, আয়নাল হক, মাজহাৰুল, এছা হক, জয়, মজিবৰ, ডেবাশীশ, কোহিনুৰ, জেছমিন, নাজমা, ৰুনালায়লা, জুমি, চন্দা, হুসনীয়াৰা, আয়সা, আম্বিয়া, আফৰুজা, খন্দকাৰ, বাবলু, ইউছুফ, মেহেবুব, আনোয়াৰ, টিটু আদি বন্ধু বান্ধবী সকললৈ মোৰ গভীৰ অভিনন্দন ধন্যবাদ আৰু চিৰকৃতজ্ঞতা আগবঢ়াইছো।

সদৌ শেষত ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সম্পাদনা সমিতিৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। চিলাৰায় প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰী বিশ্বজিত কলিতা আৰু অন্যান্য কৰ্মীসকলক অশেষ ধন্যবাদ জনাইছো। বেটুপাতৰ শিল্পী ফিৰদৌচ ইছলাম চৌধুৰীৰ প্ৰতি শুভ কামনা থাকিল।

শেষত আলোচনী খনিত বৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তি আৰু ছপাৰ দোষ ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি ভোলানাথ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয় খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ মেলানি মাগিছো।

জয়হিন্দ ॥
ধন্যবাদেৰে

**আলী নওয়াজ সৰকাৰ**

আলোচনী সম্পাদক
ভোলানাথ মহাবিদ্যালয় ছাত্ৰ একতা সভা
ধুবুৰী (অসম)।

ভোলানাথ মহাবিদ্যালয় আলোচনী

# অসমীয়া বিভাগ

বছৰেকীয়া প্ৰকাশ

৩৫ তম সংখ্যা

১৯৯১ - ৯২

# তিক্ততা

**অলকেশ চন্দ্ৰ ৰায়**
স্নাতক ১ম বৰ্ষ ।

কিমান কবিতা লিখিবা ?
জনতাৰ আৰ্ত্তনাদৰ, ক্ষমতা পিপাসুৰ অট্টহাস্যৰ ;
সন্মুখত দুৰ্দ্দান্ত বাস্তৱ, কালৰূপী ভয়াবহ ভবিষ্যত
খোজত বৈছে গোৰোহাৰে তেজ,
জননীৰ বুকুত উন্মুক্ত প্লাৱন ।

ৰাজআলিৰ ৰঙা তেজৰ চেকুঁৰা মচ খোৱা নাই—
মাতৃৰ উদং বুকুত এতিয়াও হিম চেঁচা বতাহ !
লোতকৰে উপচা চকুৰ পতাত ভাহে
ক্ষমতা আৰু স্বাধীনতা
কিমান লিখিবা কবিতা ?

তোমাৰ কবিতাৰ শব্দৰ যোজনে
সলাব নোৱাৰে ধূসৰ নিশা,
নিঃশেষ নহয় আৰ্ত্তনাদ
উভতি নবয় প্লাৱন ;
নিচিহ্ন নহয় ৰঙা তেজৰ চেকুঁৰা !
মাতৃৰ বুকুৰ উমও ঘূৰি নাহে !
কাৰ বাবে লিখিছা কবিতা ?

সেই বাবেই কৈছো বন্ধু—
শব্দৰ অলংকাৰ বিছাৰি হাবাথুৰি খাব নালাগে,
কবিতাৰ ছন্দৰ যোজনে পৰিবৰ্ত্তন নানে ।
তোমাৰ বুকুৰ ক্ষোভখিনি চিঞৰিয়েই কোৱা—
তেতিয়া দেখিবা তোমাৰ কণ্ঠত কণ্ঠ মিলাই
সন্মিলিত জনতাই চিঞৰিছে—
আৰু প্ৰান্তৰে প্ৰান্তৰে বাগৰিছে,
পৃথিৱী কক্ষপথত ঘূৰাৰ দৰে ·········।

# বেদনা

জেউতি ব্ৰহ্ম
স্নাতক দ্বিতীয় বৰ্ষ।

উদ্‌গত অশ্ৰুক হিয়াৰ মাজত লুকুৱাই থৈ
বৰফ হ'বলৈ নিদিবা
পাৰ ভাঙি ওলাই আহিবলৈ দিয়া
শাওণৰ বৰষুণৰ দৰে
অবিৰাম সৰি পৰিবলৈ দিয়া
মেঘহীন উন্মুক্ত নীলাভ আকাশৰ জেউতি
জিলিকি উঠক তোমাৰ বুকুৰ মাজত
তোমাৰ বুকুত বাজি উঠা বেদনাৰ সুৰ
প্ৰতিধ্বনিত হ'ব দিয়া মোৰো বুকুৰ মাজত
বুকুৰ মাজৰ বন্য ৰোদন
বুকু ভেদ কৰি নাইকিয়া হবলৈ দিয়া।

# তুমি

ৰফিকুল ইছলাম
স্নাতক ১ম বৰ্ষ।

তুমি নাহিবা মোৰ ওচৰলৈ
নতুন পথৰ নৱ পাথেয় হৈ
মোৰ জীৱনৰ সোঁতত
বিচাৰিছোঁ মাথো
তোমাৰ এটি সুমধুৰ হাঁহি।
এয়া মোৰ কাল্পনিক প্ৰচেষ্টাৰ
এক সীমাহীন বেদনাৰ
অকল শৰীয়া অনুভূতি,
দেখিছোঁ তোমাক এদিন সেই পথত
যিটো পথত মই বৈ আছোঁ
নৱযাত্ৰাৰ নৱ পথিক হৈ।
মোৰ হৃদয়ৰ মাজৰ
কৰুণ্যৰ চাকনৈয়াত
তুমি এতিয়াও আছা—
এপাহ কাঁইটৰ আচোৰ হৈ।

# পৃথিৱী

মোঃ লতিফ খন্দকাৰ
স্নাতক ২য় বৰ্ষ।

যদি প্ৰশ্ন কৰোঁ
তোমাৰ বয়স কিমান?
তুমি তেতিয়া নিৰ্বাক—
ভাবিছা
যিয়ে ভাবা তোমাৰ কাৰণে
মোৰ অহৰহ চিন্তা
কিমান দিননো আৰু জীয়াই থাকিবা
নিজকে সূৰ্য্যৰ শক্তিৰে
সজ্জিত কৰি।
অপৰূপা লাগিছে তোমাক
নিৰ্মল পবিত্ৰ—
তথাপি—
নিস্তব্ধতাৰ ওৰণি টানি
চিৰ শীতলতাত মগ্ন হৈ ৰোৱা
মোৰ বোধন শঙ্খৰ
অমিতাভ ধ্বনি শুনি
কেতিয়া থৰে থৰে উঠিব কঁপি
তোমাৰ স্থাৱৰ হৃদয়?

# হৃদয়েৰে

মোকলেছুৰ ৰহমান মণ্ডল
স্নাতক ২য় বৰ্ষ।

নিমাত হাবিখনতো কোনো প্ৰাচীন আত্মাৰ কোলাহল
মুক্তি জানো এনেকৈ আহে?
বাইবেলৰ পাতে পাতে কোৰাণ বিচাৰি
গ্ৰন্থচাবেৰ পাতে পাতে বেদ।
হে মহান! ভাগৰি পৰা দৌৰবীৰক কাহানি তুমি
'পান কৰাবা জীৱন মদিৰা?
শতাব্দী বাগৰা কবৰ তলিৰ পৰা সিঁহ[illegible]
এমোকোৰা হাঁহিবলৈ অথবা
টুকিবলৈ এটোপাল চকুলো
অনুৰণিত সুৰৰ আবেগে মাথো অন্তৰ ভেদি
জাগৰিত হয়
ভৰাই তোলা হৃদয়ৰ অসীম দূৰত
হৃদয়েৰে।

# পুৰঁতী মাধুৰ্য্য

সেখ ফজল কৰিম (মুক্তা)
এইছ,এছ, ২য় বৰ্ষ।

ক'লা এন্ধাৰ আতৰি পুৱাল ৰজনী
নয়ন মেলিলে যেন সুপ্ত মেদিনী।
চিকঁ-মিকাই আকাশত সুদীৰ্ঘ শাৰি পাতি
ওলাল উজ্জ্বল হালধীয়া ৰবিৰ জ্যোতি।
নিস্তব্ধ পুৱাত থন ধৰি উঠা গছৰ পাত
জাঁকে জাঁকে নিয়ৰ লাগিছে তাত।
দূৰ দূৰণিৰ পৰা, বোৱা মৃদুলা পৱন
কপাই তুলিলে ধৰণীৰ বৃক্ষ ঘাঁহ বন
শ্যামলী গছৰ আঁৰে আৰে সঁজা
শাৰি শাৰি পতা মনোহৰ পঁজা।
গোলাপ তগৰ ফুলে শোভাইছে ফুলনি
কলমৌ ভেট পদুমে জিলিকাইছে পানী।
অসম উপত্যকাৰ বগা ক'লা সেউজীয়া
ৰঙা মুগা পখৰা চিথৰা হালধীয়া।
সকলো বিহগী ডালত জাঁকে জাঁক পাতি
বিজয় উল্লাসত গান গাইছে আনক মাতি।
বিভিন্ন বিহগীৰ অমিয়া গীতৰ ধাৰ
মৰমেৰে বৈ যায় নাপায় পাৰ।
গহীন ধৰণীত দেখি পুৱাৰ যেহুঁজালি
ডাল পাতে আনন্দ উলাহত নাচিছে হালিজালি।
মানস—সৰোবৰৰ পৰা বৈ অহা স্ৰোতস্বিনী
নাচি থকা ঢৌ বোৰে ভুলাইছে মেদিনী।
ঢৌৰে ঢৌৰে জিলিকি পুলকৰ ধাৰা
এনে প্ৰকৃতিৰ দৃশ্যত যেন আপোন পাহৰা
জগত পতিৰ প্ৰাকৃতিক মোহিত মায়াত
মনটো উপচি পৰে বিভোৰ ধৰাত।

# স্মৃতি

আব্দুল হালিম
এইচ,এছ, ২য় বৰ্ষ।

অ'! মাক মোৰ অতি মৰমৰ,
মোৰ বাবে তোমাৰ নাছিল চিন ভাগৰৰ।
থৈ গ'লা যে মোক অকলশৰীয়া কৰি,
এইখন জটিল জগতত এৰি!
মনত যে পৰে সদায় মোৰ,
সুমধুৰ স্মৃতি তোমাৰ।
তোমাৰ মিচিকীয়া হাঁহি আৰু প্ৰেম,
আছিল যিটো অকৃত্ৰিম।
বিচাৰো তোমাক লগ পাব
আৰু বিচাৰোঁ আদৰিব!
কিন্তু তুমি দেখোন ক'তো নাই—
তুমি যেন স্বৰ্গৰ পৰাই,
কৰিবা আশীৰ্বাদ তোমাৰ হতভাগাক
পৱিত্ৰজনে কৰে যেন চৰিত্ৰৱন্ত মোক।
থিয় দিম মানৱ সমাজত সৎসাহসেৰে
লুকাই থকা হৃদয়ৰ বুকু ভৰা আশাৰে।
হায় হতাশত বুকু যায় ফাটি,
হিয়াত জাগিলে তোমাৰ স্মৃতি।
এই জগতত মাক নাই যাৰ,
অৰণ্যত বাসস্থান তাৰ!
দেখিব পৰিলে মাকৰ মুখ
আঁতৰি যাব সৰ্বদুখ।

# কবি

শ্ৰী হেমন্ত কুমাৰ ৰায়
টি,ডি,ছি (ক'লা) ১ম বৰ্ষ।

হে কবি,
ক'তনো পালা তুমি
প্ৰেৰণাৰ উৎস
লিখিবলৈ কবিতা?
দিবা নে ইঙ্গিত মোক

হে মহান কবি,
ক'ত এই কবিতাৰ উৎস?
হিমালয় নে বিন্ধ্য
নে কোনোবা সাগৰৰ তলিত?
উত্তৰ হয় যদি
সন্ধানৰ—ভগৱৎ শক্তিত,
কৰিম প্ৰাৰ্থনা মই
হ'বলৈ শঙ্কৰ, মাধৱ
নতুবা দেৱকান্ত, নৱকান্তৰ দৰে।

# টকা কি ?

ইছাহক্ আলি
স্নাতক, ১ম বৰ্ষ ।

মানুহে, টকা টকা কৰি
হাবাথুৰি খায়
তথাপি টকাৰ অভাৱ
দূৰ নহয় ।
টকাৰ কাৰণে মানুহে কৰে,
কৰে পৰিশ্ৰম,
টকা হ'লে জীৱন হয়
নিৰাময় ।
ধনী দুখীয়া
দুই ভাই
মানৱ জীৱনত
ভাগ কৰে টকাই ।
টকা থকা জনক
চহকী কয়
নথকা জনক
গৰীব কয় ।
টকা থাকিলেই জীৱন
সুখী নহয়
টকাৰ বাবে কেতিয়াবা
জীৱন হয় বিপদময় ।
টকাই মানুহৰ জীৱন
টকা অবিহনে গঢ়ি
দুঠে নতুনকৈ
আত্মীয় স্বজন ।
টকাই মানুহৰ দ্বিতীয় ঈশ্বৰ
ভাবি চালে পৰম
সত্য হয়
এই যুগৰ ।
টকাই গঢ়ে
সুন্দৰ জীৱন
টকা বিনে
নচলে চৰণ ।
টকাই মানুহৰ
বন্ধু বঢ়ায়, টকাই
মানুহক বিপদলৈ
ঠেলি পঠায় ।
যিজনৰ অভাৱ হয় টকাৰ
সি, চকু
থাকোঁতে দেখে
অন্ধকাৰ ।
টকা কি ? টকা হ'ল
মানুহৰ মনৰ,
এটা শক্তি, টকা নহ'লে
নাই গতি ।

# যৌতুক ঃ এক সামাজিক ব্যাধি

শ্ৰী তাৰিণীকান্ত শৰ্ম্মা ।
অধ্যাপক—

'নাৰী জাতিত মাতৃ ঘৰ, সমাজ তথা ৰাষ্ট্ৰৰ মূল ভেটি বা মেৰুদণ্ড স্বৰূপ । নাৰী অবিহণে সৃষ্টি অসম্ভৱ । নাৰীক 'প্ৰকৃতি' আৰু নৰক 'পুৰুষ' বুলিও কোৱা হয় । পুৰুষ আৰু প্ৰকৃতিৰ মিলনতে অংকুৰিত হয় ভৱিষ্যত । নাৰীৰ গৰ্ভধান কৰিব পৰা ক্ষমতা থকা হেতুকে বিকাৰী আৰু ইয়াৰ বিপৰীতে পুৰুষ অধিকাৰী । নাৰী আৰু নৰৰ মিলন তথা সৃষ্টি সম্ভৱ হয় বৈবাহিক সম্পৰ্কৰ জৰিয়তে । বিবাহ নাৰী আৰু পুৰুষৰ আত্মাৰ পবিত্ৰ মিলনৰ বাহিৰে আন একো নহয় । সমাজক সাক্ষী কৰি দাম্পত্য জীৱনৰ পাতনি মেলা অনুষ্ঠানটোৰ নামে বিবাহ । ইয়াৰ অভাৱত সমাজত বেভিচাৰ, উশৃংখলতা আদি বিৰাজ কৰাৰ ভয় থাকি যায় । সেয়েহে আমাৰ পূৰ্ব্ব পুৰুষ সকলে সমাজত যাতে ব্যভিচাৰ আদি বিয়পিব নোৱাৰে তথা শান্তি শৃংখলা বজায় ৰাখিব পৰা যায় সেই হেতুকে বিবাহ প্ৰথাৰ প্ৰচলন কৰি থৈ যায় ।

অতীজত বিবাহ দুটি আত্মাৰ পবিত্ৰ মিলনকে বুলি ভৱা হৈছিল যদিও আজি তাৰ পৰিভাষা সলনি হোৱা দেখিবলৈ পোৱা যায় । আত্মাৰ এই পবিত্ৰতাত কেৰোণ লগালে 'যৌতুক' নামৰ এবিধ প্ৰথাই যাৰ ফলত পতি-পত্নীৰ মাজৰ সৌহাৰ্দ্যতা, শাহু-বোৱাৰীৰ মাজৰ সম্বন্ধ আদিত কেণা লাগিবলৈ ললে । গতিকে এই 'যৌতুক-প্ৰথা' নো কি তাক বিচাৰ কৰি চোৱাৰ সময় হৈছে ।

যৌতুক-প্ৰথাৰ প্ৰচলন আমাৰ সমাজত অতি প্ৰাচীন কালৰ পৰা চলি আহিছে । মহা-কাব্যৰ যুগ বিশেষকৈ ৰামায়ণৰ যুগৰ পৰা এই প্ৰথাৰ উল্লেখ পোৱা যায় । অৱশ্যে সেই সময়ত এই প্ৰথা ৰজা-মহাৰজা সকলৰ মাজতহে প্ৰচলিত আছিল । সৰ্ব্ব-সাধাৰণৰ মাজত ইয়াৰ অভাৱ আছিল । মহাৰাজ দশৰথে অৱধ ৰাজকুমাৰী কৌশল্যাৰ পাণি গ্ৰহণ কৰি যৌতুক হিচাবে ৰাজ্য-ধন-সম্পত্তি আদি লাভ কৰিছিল বাবে তেওঁৰ ৰাজ্যৰ নাম অযোধ্যা হৈছিল । ঠিক তেনেদৰে ৰাজকুমাৰী কৈকেয়ীৰ পাণি গ্ৰহণৰ জৰিয়তেও বিপুল সম্পদ ৰাজি লাভ কৰিছিল । সেই সময়ত ৰাজ্যৰ সীমা বঢ়াবলৈ মন কৰি ৰজা-মহাৰজা সকলে ওচৰ চুবুৰীয়া ৰাজ্যৰ ৰজাৰ ৰাজকুমাৰীৰ পাণি গ্ৰহণৰ প্ৰস্তাৱ আগবঢ়াইছিল । প্ৰস্তাৱ মান্য হলে বিনা যুদ্ধই যৌতুক হিচাবে ৰাজ-সম্পদ লাভ কৰিছিল আৰু ইয়াৰ অন্যথাই যুদ্ধ কৰি নিজৰ

অধীনলৈ অনাৰ প্ৰয়াস কৰিছিল। এইদৰে ৰজা-মহাৰজা সকলে বিবাহ সূত্ৰে লাভ কৰা সম্পত্তিকে 'যৌতুক' আখ্যা দিয়া হৈছিল যাক প্ৰকাৰান্তৰে মুছলিম সমাজত 'স্ত্ৰী-ধন' বা 'গা-ধন' হিচাবে বিবেচনা কৰা হয়। পিছলৈ ইয়াৰ শিপা সমাজৰ চতুৰ্দিশে বিয়পি পৰা দেখিবলৈ পোৱা যায়।

ওপৰত আমি কৈছো যে বিবাহ সূত্ৰে পত্নীৰ লগতে লাভ কৰা সা-সম্পত্তিকে 'যৌতুক' বুলি কোৱা হয়। বৰ্তমান সমাজত ইয়াৰ প্ৰয়োভৰ মন কৰিবলগীয়া। যৌতুক অবিহনে আজি যেন পতি-পত্নীৰ আত্মাৰ মিলন সম্ভৱ নহয়। এই যৌতুকৰ ফলতে পতি-পত্নী তথা পতিকুলৰ পৰিয়াল পৰিজনৰ লগত পত্নীকুলৰ সম্বন্ধৰ ফাট মেলা দেখা যায়। বৰ্তমান সমাজত আজি আমি সাধাৰণতে তিনি শ্ৰেণীৰ মানুহ দেখিবলৈ পাওঁ। উচ্চ-শ্ৰেণী, মধ্যম-শ্ৰেণী আৰু নিম্ন-শ্ৰেণী।

আমাৰ দেশ স্বাধীন হোৱাৰ লগে লগে মধ্য যুগীয় সামন্ত ব্যৱস্থাৰ লাহে-লাহে অৱসান ঘটিল আৰু তাৰ ঠাইত নতুনকৈ গঢ়ি উঠিল 'পুঁজিবাদ'। এই 'পুজিবাদী' সকলে আজি দেশৰ হৰ্ত্তা-কৰ্ত্তা সকলো। শাসন শোষণৰ বাঘজৰী ডাল আজি তেওঁলোকৰ হাততে। তেওঁলোকে যেনেদৰে বিচাৰে দেশৰ শাসন-ব্যৱস্থা তেনেদৰে পৰিচালিত হয়। তেওঁলোকৰ ওপৰত কাৰো লেকাম নচলে। এই পুঁজি-পতি বা উদ্যোগপতি সকলে উচ্চ শ্ৰেণীৰ। এওঁলোকৰ থকা-মেলাৰ আদব-কায়দা অতীতৰ ৰজা-মহাৰজা সকলৰ দৰে। এওঁলোকৰ বিৰুদ্ধে মাত মতাৰ সাহসকণ সৰ্ব্বসাধাৰণৰ নাই।

সমাজৰ দ্বিতীয় শ্ৰেণীৰ জন-সাধাৰণ হ'ল মধ্যম বৰ্গৰ বা শ্ৰেণীৰ। এই শ্ৰেণীৰ লোকৰ ভিতৰত কলেজ, বিশ্ব বিদ্যালয়ৰ অধ্যাপক, আদালতৰ বিচাৰপতি, আইনজ্ঞ, চৰকাৰী উচ্চ পদাধিকাৰী বিষয়া, চিকিৎসক, অভিযন্তা ক্ষুদ্ৰ উদ্যোগ পতি তথা ব্যৱসায়ী, শিক্ষিত ঠিকাদাৰ আদিক ঠাই দিব পৰা যায়। এওঁলোক সমাজৰ নিম্ন শ্ৰেণীৰ পৰা আঁতৰি থাকিবলৈ বিচাৰে আৰু উচ্চ শ্ৰেণীৰ সতে ফেৰ মৰাৰ প্ৰতিযোগিতাত নামি মানসিক বিকাৰত ভোগা দেখিবলৈ পোৱা যায়।

মধ্যম শ্ৰেণীৰ জন সাধাৰণ অতি উচ্চাভিলাষী, কিন্তু লগতে অভাৱগ্ৰস্ত। নিজৰ উচ্চাকাংক্ষা পুৰণাৰ্থে সততে সংঘৰ্ষ কৰিবলগীয়া হয়। এই শ্ৰেণীৰ লোকৰ মাজত বৈবাহিক সূত্ৰে ধন-সম্পত্তি অপ্ৰয়াসে লাভ কৰি সহজে ধনী হোৱাৰ মানসিকতা প্ৰবল। নিজৰ অভাৱ আনৰ ধনেৰে পুৰণ কৰিবলৈ বিচৰা মানসিকতা আজি সমাজত এক ভয়াবহ ব্যাধি ৰূপে দেখা দিছে। আজিৰ সমাজত বিয়া বাৰু ছোৱালীৰ গুণ-গৰিমা চায় ঠিক কৰা নহয়, লগত যৌতুক হিচাবে কিমান সা-সম্পত্তি আনিব পাৰিব সেই ধৰণৰ পৰিবাৰিক অৱস্থা চায়হে কৰা হয়। ফল স্বৰূপে বিবাহ-অনুষ্ঠান যি এক পবিত্ৰ অনুষ্ঠান হিচাবে আমাৰ সমাজত পৰিগণিত হৈ আহিছিল আজি তাৰ স্বৰূপ সম্পূৰ্ণ সলনি হোৱা দেখা যায়।



আজি আমাৰ সমাজত ন-বোৱাৰীৰ সন্মান নিৰূপণ কৰা হয় যৌতুকৰ জোখাৰে। লগত শকত পৰিমাণৰ যৌতুক আনিব পাৰিলে দুঃ-চৰিত্ৰা কুৎচিত বোৱাৰীও লখিমী হৈ পৰে আৰু ইয়াৰ বিপৰীতে সাইলাখ লখিমী বোৱাৰীও অলক্ষী, কুলক্ষণী আদি বিশেষণেৰে ভূষিতা হয়। অকল ইমানে নহয় পতিগৃহত এই যৌতুক আনিব নোৱাৰা বোৱাৰী পদে-পদে লাঞ্ছিতা তথা অৱহেলিত হোৱা দেখা যায়। শাৰীৰিক নিৰ্য্যাতনকে ধৰি আনকি জীৱন পৰ্য্যন্ত বিসৰ্জন দিবলগীয়া হয়। ই সঁচাকৈয়ে নাৰী জাতিৰ প্ৰতি বৰ অন্যায়।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উত্তৰ ভাৰত, দক্ষিণ ভাৰত তথা উত্তৰ-পূব ভাৰতৰ পশ্চিম বংগত ইয়াৰ প্ৰয়োভৰ অধিক। এই-বোৰ ঠাইত ছোৱালী জন্মিলে পৰিয়ালত শোকৰ ছাঁ পৰিছিল। সম্ভৱত এই বাবে আমাৰ সমাজত কন্যা সন্তান ( শিশুবধ ) বধ কৰাৰ ব্যৱস্থা আছিল। কন্যা সন্তান প্ৰসৱিনী মাতৃৰ প্ৰতি পৰিয়াল তথা সমাজত থকা অৱজ্ঞাৰ কথা নকলোৱে বা।

সামাজিক ব্যাধি স্বৰূপ এই প্ৰথাৰ ফলতে অসমৰ্থ পিতৃ-মাতৃয়ে নিজৰ কন্যাক কুপাত্ৰত গোটাবলেকো দ্বিধাবোধ নকৰিছিল যাৰ ফলত সমাজত বৃদ্ধ বিবাহ, বিধবা সমস্যা, বেশ্যা সমস্যা আদিৰ লেখীয়া অনেক সমস্যাৰ সৃষ্টি হৈছিল আৰু ইয়ে সমাজ-জীৱন প্ৰদূষিত কৰি ক্ৰমান্বয়ে ভয়াবহ কৰি তুলিছে। যৌতুক প্ৰথা আজি এক কেঞ্চাৰ সদৃশ ব্যাধিলৈ ৰূপান্তৰিত হৈ পৰিছে। ই সমাজ-জীৱনৰ সৰ্ব্বত্ৰ এনেভাবে বিস্তাৰ লাভ কৰিছে যে ইয়াৰ পৰা মুক্তি লভা অসম্ভৱ নহলেও কষ্ট সাধ্য হৈ পৰিছে। আমি আগতে উল্লেখ কৰিছো যে এই প্ৰথা ভাৰতৰ বিভিন্ন প্ৰান্তত থকাৰ প্ৰমাণ পোৱা যায়। সৌ সিদিনালৈ, অতি সৌভাগ্যৰ বিষয় আছিল যে ভাৰতৰ পূৰ্ব্ব প্ৰান্তত অৱস্থিত আমাৰ অসমত ইয়াৰ কণ-কঠিয়া বুলিবলে নাছিল। আমাৰ অসমত ঘৰৰ বোৱাৰীজনী সৰ্ব্বগুণী-সুলক্ষণী হোৱাৰ ওপৰত হে গুৰুত্ব দিয়া হৈছিল, যৌতুকৰ ওপৰত নহয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই যে আজি কেইদশক মানৰ আগৰ পৰা এই বিষাক্ত বীজাণুৱে আমাৰ সমাজ-জীৱনকো আক্ৰান্ত কৰিবলৈ লোৱা দেখা গৈছে। বিশেষকৈ অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত পশ্চিমবঙ্গৰ গাতে লাগি থকা পুৰণি গোৱালপাৰা জিলা, অবিভক্ত কামৰূপ জিলা আদিত ইয়াৰ প্ৰভাৱ পৰিছে। ফলত ছোৱালী বিয়া দিবৰ বাবে মাটি-বাৰী বিক্ৰী কৰি হলেও নিজৰ সন্মান ৰক্ষা কৰিবলগীয়া সদৃশ উদাহৰণ আজি আমাৰ অসমতো বিচাৰিলে বহুতো পোৱা যাব। অৱশ্যে উজনি অসমত এই কেঞ্চাৰ সদৃশ বিষ বাষ্পই এতিয়াও বাৰুকৈয়ে গা কৰি উঠিব পৰা নাই, দুই-এঠাইত থাকিলেও সি লেখত ল'বলগীয়া বিধৰ নহয়।

বৰ্ত্তমান সময়ত আমাৰ সমুখত এটাই মাত্ৰ প্ৰশ্ন এই ব্যাধি এইদৰে বিয়পি থাকিবলৈ দিয়া ভাল হ'বনে ইয়াৰ চিকিৎসাৰ ব্যৱস্থা কৰিব লাগিব। কথা হ'ল সকলোৱে ইয়াৰ ভয়াবহতা

উপলব্ধি কৰিছে আৰু ইয়াৰ নিৰাময়ৰ বাবে যুক্তি দৰ্শাই আহিছে। কিন্তু নিজৰ বেলিকা মৌন দৰ্শকৰ ভূমিকা অৱলম্বন কৰি সকলো দায়িত্ব পিতৃ-মাতৃৰ ওপৰত এৰি দি নিৰাপদ দূৰত্বৰ পৰা নাটখন চায় থাকে। যৌতুক লোৱা আৰু দিয়া আইন মতে দণ্ডনীয়। কিন্তু সকলো কাম কেৱল আইন প্ৰণয়নৰ দ্বাৰা সম্ভৱ হ'ব নোৱাৰে। কাৰণ আজি সমাজত আইন লৈ কেৰেপ কৰে কেইজনে। ভ্ৰষ্টাচাৰ দুৰ্নীতি আদিৰ বিষয়ে দীঘলীয়া বক্তৃতা দিওঁতা সকলে ডিঙিলৈ দুৰ্নীতিত পোত গৈ আছে। মদ নিবাৰণী সভাত বক্তৃতা দিওঁতা সকলে এঢোক নোখোৱাকৈ সল সলিয়াকৈ ভাষণ-প্ৰদান কৰিব নোৱাৰে।

ৰোগৰ উপচাৰৰ বাবে যিদৰে ঔষধে এক-মাত্ৰ কাৰণ হ'ব নোৱাৰে লগতে লাগে উচিত পৰিচৰ্য্যা ঠিক তেনেদৰে যৌতুক ৰূপী সামাজিক ব্যাধিৰ পৰা মুক্তি পাবলৈ হ'লে আইনে পৰ্য্যাপ্ত নহয়, লাগিব বৰ্তমান যুগৰ তৰুণ তৰুণীৰ অকলুষিত মানসিক প্ৰস্তুতি। তেতিয়াহে আমি মুক্তি লাভ কৰিব পাৰিম আৰু সমাজত এক সুস্থ পৰিবেশ নিৰ্মিত হ'ব।

যৌতুক ৰূপী সামাজিক ব্যাধি দূৰ কৰিবলৈ অধিক সংগ্ৰাম কৰিব লাগিব নাৰী সমাজে। প্ৰত্যেক গৰাকী নাৰী উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব আৰু প্ৰতি গৰাকী ছোৱালীয়ে পণ কৰিব লাগিব যে তেওঁলোকে যৌতুক অভিলাষী যুৱকৰ লগত ঘৰ-সংসাৰ কৰিবলৈ প্ৰস্তুত নহয়। তেতিয়া সমাজৰ পৰা ইয়াৰ কুপ্ৰভাৱ সমূলে নাইকীয়া হ'ব।

পৰিশেষত ইয়াকে ক'ব পাৰো যে এটা জাতিৰ সৰ্ব্বতো প্ৰকাৰ উন্নতি তেতিয়াহে সম্ভৱ যেতিয়া সমাজত সকলোৱে এক মুক্ত, নিৰ্মল আৰু সুস্থ পৰিৱেশত উশাহ-নিশাহ ল'ব পাৰে। অন্যথা এখন সুস্থ সমাজৰ কল্পনা কৰিব নোৱাৰি। এই দিশত যেন সকলোৱে মন দিয়ে তাৰ বাবে আমাৰ বিনম্ৰ অনুৰোধ।

▭▭▭

যি সকলে অতীতক মনত পেলাব নোৱাৰে
তেওঁলোকে একে ভুলকে কৰি থাকে।

জৰ্জ সনটানা।

# ধৰ্ম্ম আৰু বিজ্ঞান

মৃনাল কান্তি ৰায়
স্নাতক প্ৰথম বৰ্ষ

উ-উ-আ-আ, হায় ভগৱান। ইমান কষ্ট, জালা যন্ত্ৰনা আৰু ভোগ কৰিব নোৱাৰো। ভগৱান। মোক অতি সোনকালে মৃত্যুদণ্ড দিয়া ভগৱান। হে ভগৱান মোক মৃত্যু দণ্ড দিয়া। মোক মৃত্যু দণ্ড দিলে মই-পৰম সুখী আৰু আনন্দ হ'ম! ডাক্তৰ-বাবু, ডাক্তৰ বাবু অনুগ্ৰহ কৰি আমাৰ ঘৰত যাব লাগে। মোৰ ককাইদেউ বেমাৰত বৰ অসুস্থ হৈ পৰিছে। চিঞৰি চিঞৰি কৈছে যে ভগৱান মোক মৃত্যু দণ্ড দিয়া। মই এই ৰঙীন পৃথিৱীত থাকিব নিবিচাৰোঁ। Please ডাক্তাৰ বাবু অনুগ্ৰহ কৰি আহক। নহয়-নহয় এতিয়া মোৰ সময় নহ'ব। ৭/৩০ বজাত মোৰ ভাইৰ লৰাক চাবলৈ যাম। তাৰ পৰা গুচি আহি তোমাৰ তাত যাব পাৰিলে যাম। এতিয়া তুমি যাব পাৰা। নহয় ডাক্তৰ বাবু Please আপোনাৰ যাবই লাগিব নহ'লে মোৰ ককাইদেউ.................। ঐ ছোৱালী ইয়াত ধেমালী কৰিবলৈ আহিছা নেকি? যোৱা। ইয়াৰ পৰা যোৱা। ডাক্তৰ বাবু আপোনাৰ ভৰিত ধৰি কওঁ আপোনাৰ যাব লাগিব। ( কান্দি কান্দি )। ঠিক আছে তুমি যোৱা এতিয়া। মই গাড়ীৰে গৈ আছোঁ। মৰমী; মৰমী ( অসুস্থ বোধৰে ) ক'ত গলা মোক অকলে এৰি। ককাইদেউ কি হৈছে? অলপ শান্ত হোৱা ডাক্তৰ আহি আছে। তোমাৰ একোতো হোৱা নাই ককাইদেই। মৰমী মই আৰু এই ৰঙীন পৃথিৱীখনত জীয়াই থাকিব নেবিচাৰোঁ। মৰমী মোক অলপ পানী দিয়া। মোৰ বুকু-খন যেন থৰ মৰুভূমিৰ দৰে হৈ পৰিছে। অলপ পানী অলপ পানী মৰমী পানী ককাইদেউ পানী। মৰমী এই পানী খাই যেন মোৰ অন্তৰখন একনৰ কুমলীয়া বয়সৰ তৰুলতাৰ দৰে অনুভৱ হৈছে দূৰৰ পৰাই ডাক্তৰে চিঞৰি চিঞৰি মৰমী মৰমী তোমাৰ ককাইদেউ কোন কমত আছে। হায়। ভগৱান ডাক্তৰ আহিছে দাদা-ডাক্তৰ আহিছে। ডাক্তৰ বাবু আহক। ককাইদেউ সৌ-আৱৰণ নোহোৱা অট্টালিকাটোৰ ভিতৰতে বিছনাত শুই আছে। আহক-আহক। মৰমী চিন্তা নকৰিবা, একো চিন্তা নকৰিবা। মই তোমাৰ ককাইদেউৰ বেমাৰটো ভাল কৰিম। তুমি এই ঔষধবোৰ কিনি আনি ৰাতি খুৱাই দেখা, কি হ'য়। পিছদিনা ৰাতিপুৱা মোক খবৰটো জনাব। মই আহিলো মৰমী। অলপ ৰব ডাক্তৰ বাবু মোৰ হাতত আজি টকা পইচা নাই। পিছত

একেলগে দি দিম ছাব ? হ'ব হ'ব একো নহয়। হায় ভগৱান ঔষধ কিনাৰ বাবে ইমান টকা পইচা মই ক'ত পাওঁ। মোৰ লগৰ সোনৰ হাড়ডালকে বেছি ঔষধ আনিব লাগিব উপায় নাই। মহাজন বাবু আপুনি মোক এশ টকা ধাৰে দিয়ক, ঔষধ পাতিবোৰ কিনি লৈ আহোঁ। ককাইদেউৰ বেমাৰ ভাল হলে দি দিম। নাই নাই যোৱা। ইয়াৰ পৰা যোৱা। তোমাৰ দৰে দুখীয়া ভিখাৰী মানুহক টকা দিলে আৰু ঘুনাই পোৱা টান। কৰ পৰা তুমি টকা দিবা। মহাজন বাবু বিশ্বাস কৰক আপোনাৰ টকা থিনি মই ঘুৰাই দিম। নহ'লে আপোনাৰ ঘৰত ককাইদেউ আৰু মই কাম কৰাৰ লিগিৰী হৈ থাকিম। নহৰ নহৰ মিছাই দিগদাৰী নকৰিবা। মহাজন বাবু আপুনি এটা কথা শুনক মোৰ গ'লৰ সোণৰ হাড়ডালকে ৰাখি মোক কিছুমান টকা দিয়ক। মোৰ ঔষধ কিনিব লাগিব আৰু ককাই-দেউক খুৱাব লাগিব। ও মৰমী দিয়া দিয়া হাড়ডাল। কিমান টকা লাগিব।

দাদা তোমাৰ কাৰণে ঔষধ লৈ আহিছোঁ। ঔষধ খোৱা দাদা, তোমাৰ বেমাৰ অতি সোন-কালে আঁতৰি যাব। হায়! ভগৱান আমি দুখীয়াৰ দুখীয়া, তাতে তুমি ইমান শাস্তি দি আছা। তুমি ইমানেই নিষ্ঠুৰ। তোমাৰ চকু-যুৰি কি অন্ধ হৈ গৈছে। তোমাৰ চকুযুৰি অন্ধহৈ যোৱাটোও ভাল।

ৰাতিপুৱ হ'ল। ডাক্তৰৰ ঘৰত গৈ দাদাৰ বেমৰৰ খবৰটো দিব লাগে। ডাক্তৰ বাবু ডাক্তৰ বাবু (কান্দি-কান্দি) কি হ'ল মৰমী কি হল। বেমাৰ কমিছে নে? নাই ডাক্তৰ বাবু কমা নাই। আকৌ বেছি হৈপৰিছে মই এতিয়া কি কৰোঁ। ডাক্তৰ বাবু (হু হু কৰি কান্দি)। অলপ শান্ত হৈ ডাক্তৰ বাবু আপুনি এটা মোক উপায় কৰি দিয়ক। নহ'লে যে ...... । নাই মোৰ একোউপায় নাই। তোমাৰ দৰে দৰিদ্ৰ ভিখাৰী মানুহক উপকাৰ কৰি কি লাভ হ'ব। যোৱা তুমি যোৱা। নাই নাই ডাক্তৰ মোক আৰু মোৰ ককাইদেউক। বচাওঁক বচাব পাৰিম বচাব পাৰিম। মৰমী যদি তুমি মোৰ এটা কথা শুনা। কি কথা ডাক্তৰ। কি কথা কওঁক ডাক্তৰ বাবু (কান্দি-কান্দি)। কম কম যদি শুনা। শুনিম ডাক্তৰ বাবু শুনিম। মৰমী যদি তুমি মোৰ মনত শান্তনা দিব পাৰা তেনেহলে মই তোমাৰ ককাইদেউক বচাব পাৰো। এইটো হব নোৱাৰে ডাক্তৰ এইটো হব নোৱাৰে (হুক হুক কৰি কান্দি কয়) ঠিক আছে ডাক্তৰ মই তোমাৰ মনক শান্তি দিম কিন্তু ককাইদেউৰ বেমাৰটো ভাল কৰিব লাগিব। ঠিক হ্যায় ডাৰ্লিং আইয়ে মেৰে ড্ৰইং ৰুমমে।

বিজ্ঞান তুমি ডাঙৰ নে মই (ধৰ্ম্ম) ডাঙৰ এবাৰ গম্ভীৰ ভাৱে ভাবি চোৱা বহুত সময় আছে। ভাবি চোৱা বিজ্ঞান ভাৱি চোৱা এই বিলাক কি কৈছা ধৰ্ম্ম–তুমি ই নগন্য হৈ বিৰাট ডাঙৰ বস্তুক গ্ৰাস কৰিবলৈ আহিছা। মিষ্টৰ ধৰ্ম্ম তোমাক লাজ নালাগিল। ছিঃ ছিঃ মোক বৰ লাজ লাগিছে কিন্তু। অলপ খণ্ডৰে ধৰ্ম্ম মই ডাঙৰ। মোতকৈ আৰু পৃথিৱীত কোনেও ডাঙৰ হব নোৱাৰে। নহয় বিজ্ঞান নহ'য় আকৌ এবাৰ ভাবি চোৱা। মিছাই খং কৰি লাভ নাই। মই তোমাক ভাবিবৰ বাবে বহুত সময় দিলোঁ। হুঁ চাইছো ভাবি চাইছোঁ। মোৰ ভৱাৰ কোনো প্ৰশ্নই নুঠে। দেখা ধৰ্ম—এই ৰঙীন পৃথিৱীখন আৰু এই পৃথিৱীৰ ওপৰত নাচি-বাগৰি ঘূৰি-ফুৰা জীৱ-জন্তুবোৰক কোনে জীয়াই ৰাখিছে—কেৱল আকস্মিক বিজ্ঞানে। নহয় ৰিজ্ঞান তোমাৰ সকলো মূল্যহীন মৰুভূমিৰ মিৰিচিকাৰ বালিৰ দৰে।

কি কৈছা ধৰ্ম আজি তুমি মোক ইমান অপমান কৰিলা। তুমি এই শক্তি ক'ত পাইছা। মনত ৰাখিবি ধৰ্ম মই বিজ্ঞান—যদি মই এতিয়াই এটা হাইড্ৰ'জেন, এট'ম ব'ম পৃথিৱীত এৰি দিওঁ তেন্তে পৃথিৱীখন মহাসাগৰৰ তলত থকা ডাঙৰ ডাঙৰ জলজ প্ৰাণীৰ খাদ্য হৈ পৰিব। বুজিছা নে নাই ধৰ্ম। তাৰ মানে পৃথিৱীখন শশ্মান হৈ পৰিব। তুমি ইয়াৰ পৰা যোৱা। তুমিতো জানাই—" —" কুকুৰৰ ভুক্-ভুকনিত হাতীয়ে পিছফালে ঘূৰি নাচায়"। খং কৰি **Get out from here.** বিজ্ঞান ঘুনাই কওঁ খং নকৰিবা ভাবি চাৱা। আকৌ আহিম।

মিষ্টাৰ বিজ্ঞান তোমাৰ ভাবা-চিন্তাৰ কাম শেষ হৈছে নে নাই। এতিয়াও কোৱা তুমি ডাঙৰ নে মই ডাঙৰ। মিষ্টাৰ ধৰ্মৰাজ তুমি কিয় মিছাই দিগদাৰী দিবলৈ আহা। মই কৈছো নহ'য় মই ডাঙৰ। তুমি দেখা নে নাই এই ৰঙীন পৃথিৱীখনত বৰ্তমান যি চলি আছে সকলো মোৰে। কি কি হৈছে বিজ্ঞান কোৱা-চোন। দেখা ধৰ্মৰাজ—আজি আমালোক এটা ঘৰৰ কোনতে বহি থাকি দেশ-বিদেশৰ কথা



জানিব পাৰিছো আৰু এতিয়া দেখিব পাৰিছোঁ কেৱল বিজ্ঞানৰ বলতে। আৰু দেখা এই পৃথিৱীখন বৰ্তমান পাঁচটা আঙুলিৰে গঠিত হাতৰ তলাৰ তলতে ৰাখিছোঁ। কেনেকৈ বিজ্ঞান। দেখা বৰ্তমান যুগতে উৰাজাহাজ বা এৰোপ্লেনেৰে আধা-ঘন্টাৰ ভিতৰতে আমি গোটেই পৃথিবীখন ভ্ৰমণ কৰি আহিব পাৰিছোঁ। আৰু কি কম বহুত আচৰিত আচৰিত কাম আছে। তুমি কি এইবোৰ কৰিব পাৰিবা নেকি? মিছাই তৰ্ক প্ৰতিযোগিতাত নাম ভৰ্ত্তি কৰিছা। যোৱা যোৱা। চুটি হৈ আকাশৰ উজ্বল তৰাবোৰ ছিঙিবলৈ নাহিবা। সঁচাই নেকি বিজ্ঞান এইবোৰ তুমি আৱিস্কাৰ কৰিছা। হ'য় নেকি আকৌ। তোমাৰ কি চকুযোৰ অন্ধ হৈ গৈছে। যদি চকুৰে দেখা নোপোৱা তেনে-হ'লে পেট্ৰোল তেলেৰে জোতা পৰিস্কাৰ কৰা ব্ৰাছেৰে চকুযোৰ পৰিষ্কাৰ কৰিবা। বিজ্ঞান তুমি নিয়তি দেখিছা নেকি কেতিয়াবা। কি কোৱা মূৰ্খৰ দৰে। মই নিয়তি থিয়তি একো বুজি নাপাওঁ। অ' বুজিতো নাপাবাই। তুমি আৰু কি বুজিবা। তুমি এজন পাগল। কি কলা মই পাগল।

নহয় বিজ্ঞান নহয়, পাগল মইহে। বিৰ্জ্ঞান এটা কথা কৈ যাওঁ—এইবাৰ তোমাক নিয়তিৰ লগত চিনাকী কৰি দিম তেতিয়া তুমি আকৌ এখন নতুন ৰঙীন পৃথিৱী গঢ়িব পাৰিবা।

ধৰ্ম বন্ধ কৰা তোমাৰ ভেউ-ভেউ। পিছত কবা। গুড্ বাই বিজ্ঞান, গুড্ বাই বিজ্ঞান। খং কৰি বিজ্ঞানে কয় পাগল হৈ

তুমি মোক পাগল কৰিব বিচাৰিছা নহয়, মই কিন্তু পাগল কেতিয়াও নহওঁ ।

মৰমী মৰমী তুমি থাকা মই আই দেউতাক সেই সুন্দৰ ফুলশৰ্য্যাখনত দেখা কৰি আহোঁ । মোক যে যাবলৈ কৈছে । সেই ঘোঁৰাৰ সময় মোৰ হ'ল । তুমিও এদিন যাবা—যিদিনা তোমাকো মোৰ দৰে আলফুলকৈ মাতিব । মই যে তোমাক এটা নতুন জামা-পেণ্ট দিব বিচাৰিছোঁ সেই জামা-পেণ্ট তাৰ পৰা ঘূৰি আহি দিম । মৰমী ভণ্টি মৰমী থাকা । নেকান্দিবা । তোমাৰ হাত দুখন মোৰ হাতত দিয়াচোন এবাৰ চুমা খাই যাওঁ । তুমি মোক খুব মৰম কৰা নহয় । মৰমী এটা কথা—তুমি এতিয়া আই-দেউতাৰ ওচৰত যাবলৈ ইচ্ছা নকৰিবা । তুমি পৃথিৱীত এটা সৌন্দৰ্য্য যুক্ত ফুলৰ দৰে ফুলি থাকিবলৈ চেষ্টা কৰিবা । দাদা—তুমি কি কৈছা মই একো বুজি পোৱা নাই । মৰমী মই আই দেউতাৰ লগ ধৰিবলৈ গলোঁ । তুমি থাকা । কান্দি কান্দি দাদা-দাদা । অলপ পিছতে ডাক্তৰ আহি দূৰৰ পৰাই চিঞৰি-চিঞৰি মৰমী মৰমী মৰমী । কি হৈছে কান্দিছা কিয় । মই কান্দা নাই ডাক্তৰ আনন্দত আত্মহাৰা হৈছোঁ । ও মাই ডাৰ্লিং— ।

ডাক্তৰ ওচৰ চাপুতে মৰমীয়ে এটা ঠাস্ কৰি চৰ মাৰি দিয়ে । দেখা ডাক্তৰ তোমাৰ কাৰণে মই মোৰ মান সন্মান ইজ্জত সকলোকে পৰিহাৰ কৰিলোঁ কিন্তু তুমি মোৰ ককাইদেউক ভাল কৰাৰ বিপক্ষে বিষাক্ত ইনজেকশ্বন" আৰু "বিষাক্ত বৰি" খুৱাই মাৰিলা । মই'ও কিন্তু তোমাক সুধাই আজি এৰিব নোৱাৰোঁ । ৰবা-ৰবা মৰমী ৰবা । অলপ ধৈৰ্য্য ধৰা । মই তোমাক কিমান ভাল পওঁ । বাদ দিয়া তোমাৰ মৰমৰ কথা । আজি তুমি মোৰ হাতৰ পৰা ৰক্ষা পালা কিন্তু তোমাৰ পিছফালে নিয়তি থিয় হৈ আছে তোমাক লৈ যাবলৈ । তোমাৰতো এদিন যাব লাগিব । মই পাগলী হৈ যাম । ডাক্তৰ পাগলী হৈ যাম ।

মৰমী মৰমী । মৰমীজনী পাগলী হৈ গ'ল । ভালে হল । ও মোৰতো ৭ বজাত Call আছে । ৭ টা দেখোন বজিলে যাওঁ । হেলো মিষ্টাৰ বিজ্ঞান । কোন তুমি । মই সেই ধৰ্ম্মৰাজ । হায় ভগৱান সেই মূৰ্খ পগলাটো । Yes আহা বহা । বিজ্ঞান আজি আমাৰ তৰ্ক প্ৰতিযোগিতাৰ শেষ অনুষ্ঠিত হব । আৰু ফলাফল ঘোষনা হব । কোৱা কোন ডাঙৰ তুমি নে মই । মই ধৰ্ম মই ( বিজ্ঞানে চিঞৰি কলে ) । তুমি কি মোক পগলা কৰিব আহিছা । হয় পগলাঁ কৰিব আহিছোঁ । বিজ্ঞানে আকৌ কলে শুনিলো এজনী পাগলী অলপতে গংগাত আত্মহত্যা কৰিছে । তুমিও নৰ্মদাত পৰি মৰিব নোৱাৰা ।

বিজ্ঞান মই মৰাৰ আগতে তোমাক নিয়তিৰ লগত চিনাকী কৰি দি যাবলৈ বিচাৰিছোঁ । আকৌ কওঁ তুমি ডাঙৰ নে মই ডাঙৰ । ধৰ্ম আকৌ কওঁ মই ডাঙৰ । দেখা এটা যুক্তি মই মৃত্যুৰ মুখত পৰি থকা মানুহবোৰক দুই তিনি দিনলৈকে অক্সিজেন দি জীয়াই ৰাখিব পাৰো । আৰু কি কম ধৰ্মৰাজ । এতিয়া শুনা মোৰ যুক্তি বিজ্ঞান । যেতিয়া মৰমী



নামৰ ছোৱালীজনীৰ ভায়েক মৰিল তেতিয়া তুমি ক'ত আছিলা । অক্সিজেন কি নাই । তাৰ মূলতে হল "নিয়তি" । মই ইচ্ছা কৰিলে এতিয়াই তোমাক সেই লৰাজনৰ দৰে মাৰিব পাৰোঁ । হব নোৱাৰে ধৰ্ম হব নোৱাৰে । বেছি কথা নকবা বিজ্ঞান । ক'লে প্ৰমান তোমাৰ দ্বাৰাই দেখুৱাম । মোৰ হাতত আছে মাথোন এখন ভাৰ সাম্য তৰ্জু । যাৰ দ্বাৰা মই নিৰূপন কৰো এই পৃথিৱীৰ মানুহৰ পাপ আৰু পূন্য । পাঁপ আৰু পূন্য বিচাৰ কৰি উলিয়াই লওঁ জন্ম মৃত্যুৰ পঞ্জীয়ন । মোৰ মৃত্যুৰ তালিকাৰ এটা কোঠালী খালী আছে । সেই কোঠালীটো তোমাৰ দ্বাৰাই পুৰণ কৰিব পাৰো । ক্ষমা কৰা ধৰ্ম ক্ষমা কৰা । মোৰ ভুল হৈছে ।

এতিয়া মই এই পৃথিৱীত কৈ দিম যে বিজ্ঞান কেবল ভুল আৰু ধৰ্মই মূল । আৰু কৰ্ম বিজ্ঞান নাম মাত্ৰ, ধৰ্মতকৈ আন একো ডাঙৰ হ'ব নোৱাৰে ।

লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম কিন্তু নিজক পৱিত্ৰ কৰাটো তাতোকৈ বুদ্ধিমানৰ কাম ।

**মহাত্মা গান্ধী ।**

অভিহিত কৰিছে। সেয়েহে দিহানামত প্ৰতিধ্বনিত হৈছে—

হে দয়াৰ শঙ্কৰ ঐ
মাধৱকে লগত লৈ
ধৰ্মৰে বান্ধিলা দৌল
নামৰে বোৱালা নৈ।

ইয়াৰ বাহিৰেও শঙ্কৰৰ প্ৰিয় শিষ্য মাধৱক ধৰ্মৰ কাণ্ডাৰী কৰি কিদৰে ধৰ্ম প্ৰচাৰ কৰিছিল তাৰ বৰ্ণনাও দিহানামত আছে।

শঙ্কৰদেউৰ আঙুলি নাহৰ চম্পাকলি
হাতত ৰত্নাৱলী পুথি
পুথি লৈ শঙ্কৰদেউ মাধৱদেউক বুজালে
নেৰিবা ধৰ্মৰে খুটি।

গুৰুজনাৰ ধৰ্মৰ মূল চাৰি বস্তুৰ ভিতৰত ভকতৰ স্থান কিমান গুৰুত্বপূৰ্ণ সেয়াও দিহানামত বৰ্ণনা কৰিছে।

ভাগৱত সৃষ্টি কৰি নামধৰ্ম পৃথিৱীত বিলাই গুৰুজনা কিদৰে বৈকুণ্ঠ গামী হ'ল আৰু এই মৰ্মাহত বেদনাত ভক্তবৃন্দই কেনেদৰে কান্দিছিল তাৰ বৰ্ণনাও দিহানামত পোৱা নাই।—

"শঙ্কৰদেউৰ নাম ধৰ্ম মাধৱদেউক দিলা
ভাগৱত সৃষ্টি কৰি বৈকুণ্ঠে চলিলা।"

"নাও হেঙুলীয়া বঠা হেঙুলীয়া
আৰু হেঙুলীয়া চৈ
চৈৰে ভিতৰত গুৰুজন বহিছে
ছকুৰি ভকতক লৈ।"

"উজায়ে আহিলে শ্ৰীগুৰু শঙ্কৰে
বালিতে পাতিলে সভা
ছকুৰি ভকতে চাপৰি বজালে
মাধৱে লগালে ঘোষা।"

"বৈকুণ্ঠক যাবলৈ ওলালে গুৰুজন
শয্যাতে এৰিলে গাৰু
ছকুৰি ভকতে বেঢ়িয়া কান্দে ঐ
কোনদিনা আহিব গুৰু।"

শঙ্কৰে দিয়া কীৰ্ত্তন আৰু মাধৱে দিয়া নামঘোষা অসমীয়াৰ অমূল্য সম্পদ। হৰিনাম ধৰ্মৰ সকলো তত্ত্ব জানিবলৈ হ'লে কীৰ্ত্তন, দশম, ঘোষা জানিবই লাগিব। গুৰুজনাই নিজে কৈ গৈছে, "কীৰ্ত্তন দশমৰ মাজতে আমাক পাবা।" এই উক্তিক ভিত্তি কৰিয়েই দিহানাম ৰচিত হৈছে—

"কীৰ্ত্তনতে শঙ্কৰগুৰু ঘোষাতে মাধৱ
দুয়োজনা গুৰু মোৰো পৰম বান্ধৱ।"

শঙ্কৰ গুৰুৱে নিজৰ উপযুক্ত পুত্ৰ থকা সত্বেও জীৱনৰ অন্তিম কালত তেৱাই 'শক্তি, ভক্তি, বল, পৰাক্ৰম' সকলো 'বঢ়াৰ পো' মাধৱতে সমৰ্পন কৰি থৈ গৈছিল। সেয়েহে শঙ্কৰ-মাধৱক ভিন ভাৱেৰে ভাবিব নোৱাৰি। শঙ্কৰ সূৰ্য্য মাধৱ চন্দ্ৰ; এটিৰ প্ৰভাৱত আনটি প্ৰভাৱিত হৈছে। গুৰু নাতি পুৰুষোত্তম ঠাকুৰদেৱৰ ৰচিত নামঘোষাত আছে।

"শঙ্কৰ স্বৰূপে হৰি নিজ অংশে অৱতাৰি
ভকতি প্ৰদীপ লগাই থৈলা
মাধৱ স্বৰূপে হৰি তাত তৈল বন্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা।"

এইদৰে দুজনা গুৰুৰ মহিমা তথা তেৱাসৱৰ ধৰ্মৰ বৰ্ণনা কৰি আজিও অসমীয়া জনসমাজত দিহানাম সমূহ প্ৰচলিত হৈ আহিছে।

# অসমীয়া ব্যাকৰণৰ ভেটি ঃ উচ্চাৰণ আৰু বানান সম্পৰ্কীয় ত্ৰুটি বিচ্যুতি—প্ৰাসঙ্গিক দু-আষাৰ

ড° দ্বিপেন্দ্ৰ কুমাৰ অধিকাৰী

অসমীয়া ভাষাত অশুদ্ধ বানান লিখাৰ এক নতুন পৰম্পৰা গঢ়ি উঠিছে বুলি কলেও বোধ হয় অত্যুক্তি কৰা নহব। বৰ্ত্তমান কুৰি শতিকাত যুগৰ অগ্ৰগতিৰ লগে লগে বিজ্ঞান, সমাজ বা আন আন বিষয়ত আধুনিকতাৰ প্ৰলেপ সনাৰ দৰে ভাষা বিজ্ঞানতো বহুতে নতুন নতুন দৃষ্টি-ভঙ্গী আৰোপ কৰি আধুনিকৰণৰ প্ৰৱণতাক জোৰকৈ প্ৰতিষ্ঠিত কৰাৰ কৌশল আৰম্ভ কৰিছে। বৰ্ত্তমান কিছুমান অসমীয়া ভাষাবিদৰ মতে সংস্কৃত ব্যাকৰণৰ ভেটিত ৰচনা হোৱা আধুনিক অসমীয়া ব্যাকৰণবোৰ আবৰ্জনা স্বৰূপ; এইবোৰ পুৰি পেলাব লাগে।" এনে কটূক্তি কৰা অসমীয়া পণ্ডিতে নিজে পঢ়ি অহা ব্যাকৰণ খনক আবৰ্জনা বোলাৰ সাহস ক'ৰ পৰা পালে নাজানো। অসমীয়া ভাষা নব্য ভাৰতীয় আৰ্য্য ভাষাৰ অন্তৰ্ভুক্ত হ'লেও ই সংস্কৃত ভাষাৰ বৈয়াকনিক গাঁথনিৰ পৰা আঁতৰিঅহা নাই। হবলৈ গ'লে সংস্কৃতৰ বৈয়াকৰণিক শৃঙ্খলতাই আমাৰ ভাষাটোক এতিয়াও সুসংবদ্ধ ভাৱে নিয়ন্ত্ৰণ কৰি ৰাখিছে। প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি যে প্ৰাচীন অসমীয়া সাহিত্যৰ গতিধাৰা তথা বৈয়াকৰণিক নিদৰ্শণৰ আহি সংস্কৃত ব্যাকৰণৰ পৰম্পৰাশ্ৰয়ী। কাৰণ মাধৱ কন্দলি বা শঙ্কৰদেৱে সংস্কৃত টোল সমূহত সংস্কৃত পণ্ডিতৰ অধীনত বিদ্যালাভ কৰিছিল। উক্ত টোল সমূহত বিশেষকৈ দুখন ব্যাকৰণৰ প্ৰচলন আছিল এখন পাণিনিৰি 'অষ্টাধ্যায়ী' আনখন পুৰুষোত্তম বিদ্যাবাগীশৰ 'প্ৰয়োগৰত্নমালা ব্যাকৰণ।

অৰুণোদয় যুগত কবলৈ গ'লে খ্ৰীষ্টান মিছনেৰী নাথান ব্ৰাউনে বিজ্ঞান সম্মত ভাবে পোন প্ৰথমে অসমীয়া ব্যাকৰণৰ জঁকাটো তৈয়াৰ কৰিলে। তেখেতে উচ্চাৰণৰ ভিত্তিত স্বৰ বৰ্ণমালাত মাত্ৰ আঠোটা বৰ্ণ (অ, আ, ই, উ এ, ঐ, ও, ঔ) আৰু ব্যঞ্জনবৰ্ণ মালাও আঠাইশটা বৰ্ণহে ৰাখিলে। উষ্মবৰ্ণ তিনিটাৰ মাত্ৰ এটাহে (স) এখেতে গ্ৰহণ কৰিছিল। সেইদৰে মূৰ্দ্ধণ্য 'ণ' আৰু দন্ত্য ন'ৰ পাৰ্থক্য এখেতে ৰখা নাই। আৰু এটা মন কৰিব লগীয়া কথা যে ৺হেমচন্দ্ৰ বৰুৱাদেৱে মিছনাৰী সকলে 'ৱ' বৰ্ণটো ব্যৱহাৰ নকৰা বুলি অভিযোগ উত্থাপন কৰে আৰু তেওঁ যুঁজি যুঁজি এই বৰ্ণটো প্ৰয়োগ কৰা বুলি কলেও কিন্তু নাথান ব্ৰাউনৰ ব্যাকৰণত ব্যঞ্জণ বৰ্ণৰ তালিকাত 'ৱ' বৰ্ণটো আছিল। কেৱল ক্ৰিয়াবাচক শব্দবোৰত হে ৱ'ৰ ঠাইত 'অ' প্ৰয়োগ কৰিছিল। যেনে খোৱাৰ ঠাইত

খোআ, লোৱাৰ ঠাইত লোআ ইত্যাদি এনে ধৰণৰ প্ৰয়োগ আছিল ।

যিহেতু বহুদিনলৈকে অসমত বঙলা ভাষাই চৰকাৰী মৰ্য্যদা পাইছিল আৰু সেই সময়ত অসমীয়া মানুহে বঙলা ভাষাকে শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল সেইহেতুকে কিছু সংখ্যক অসমীয়াই বঙলা ভাষাৰ বানান আৰু উচ্চাৰণৰ দ্বাৰা কিছু পৰিমাণে প্ৰভাবান্বিত হৈছিল বুলি কব লাগিব । আত্মাৰ ঠাইত আত্তা, পদ্মাৰ ঠাইত পদ্দা, উদ্বোধনৰ ঠাইত উদ্দোধন আদি উচ্চাৰণৰ ক্ষেত্ৰত বঙলুৱা প্ৰভাৱক নুই কৰিব নোৱাৰি । তদুপৰি ৰেফ-যুক্ত শব্দৰ ক্ষেত্ৰত দ্বিত্ব ব্যঞ্জনবোৰ এটাকৈ লিখাৰ আহি বঙলাতে পোন প্ৰথমতে প্ৰৱৰ্ত্তন হ'ল । যেনে—পৰ্ব্বতৰ ঠাইত পৰ্বত, কৰ্ম্মৰ ঠাইত কৰ্ম ধৰ্ম্মৰ ঠাইত ধৰ্ম ইত্যাদি ৰূপ লেখি ভাষাটোৰ আধুনিকৰণৰ নমুনাৰ নিৰ্দেশ দিলে । তাকে দেখাত দেখি অসমীয়াতো এনে-বোৰ বানান লিখাৰ পয়োভৰ বাঢ়ি গ'ল । কিছুমান পণ্ডিতে যুক্তি আগবঢ়ালে যে ৰ'ৰ লগত দ্বিত্ব ব্যঞ্জনৰ প্ৰয়োজন নাই । কাৰণ ৰেফযুক্ত বৰ্ণবোৰৰ উচ্চাৰণ দ্বিত্বৰ দৰেই হয় । যদি দ্বিত্বৰ দৰে উচ্চাৰণেই হয় তেতিয়াহলে আমি এনেবোৰ বৰ্ণ দ্বিত্বকৈ লিখাত দোষ ক'ত ? ৰেফযুক্ত শব্দত দ্বিত্ব ব্যঞ্জনৰ ঠাইত এটা লিখাৰ প্ৰবণতাৰ বাবে আকৌ কিছুমান ভুল বানানবো সৃষ্টি হ'ল । যেনে—পৰ্বত, কৰ্ম আদিৰ সাদৃশ্যত বহুতে সত্ত্বৰ ঠাইত সত্ব বা তত্ত্বৰ ঠাইত তত্ব লিখিবলৈ ধৰিলে । কিন্তু শব্দ দুটাৰ ব্যাকৰণ গত বুৎপত্তি বিচাৰ কৰিবলৈ গলে আমি পাওঁ সৎ+ত্ব (সৎ ত্বল প্ৰত্যয়) আৰু তৎ+ত্ব (সং ত্বল) ৰ সংযোগত উক্ত শব্দ দুটা নিষ্পন্ন হৈছে । এনে স্থলত সত্ত্বৰ ঠাইত সত্ব বা তত্ত্বৰ ঠাইত তত্ব লিখাৰ যুক্তি ক'ত ? আকৌ কিছু-মানে সত্তাৰ (সৎ+তা প্ৰত্যয়) ঠাইত সত্ত্বা বা স্বায়ত্তৰ ঠাইত স্বায়ত্ব লিখি এক খেলি মেলিৰ সৃষ্টি কৰাও দেখা গৈছে । উচ্চাৰণ আৰু বানানৰ ক্ষেত্ৰত সচেতন নহলে এনে বাৰে পতি ভুলৰ পৰম্পৰা চলিয়েই থাকিব । অসমীয়াত হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণৰ পাৰ্থক্য নাই বাবে বহুতে (আনকি অসমীয়া অভি-ধানতো) নীৰোগৰ ঠাইত নিৰোগ বা 'নীৰৱ'ৰ ঠাইত 'নিৰোগ' এইদৰে লিখা দেখা যায় । কিন্তু সংস্কৃত শব্দ দুটাৰ মূল উৎস বিচাৰি বিদ্যাৰ্থীয়ে বিপাঙত পৰিব । আকৌ কিছুমান অসমীয়া বানানৰ ক্ষেত্ৰত সংস্কৃত নত্ববিধি বা যত্ব বিধিৰ নিয়ম ৰক্ষা কৰা দেখা যায় । উদাহৰণ স্বৰূপে ৰেঙনি 'বৰঙণি আদি শব্দ ৰ'ৰ পিছত 'ন' থকা বাবে ইয়াক মূৰ্দ্ধণীকৰণ কৰা হ'ল । কিন্তু অসমীয়া বানান ক্ষেত্ৰত (যিবোৰ শব্দ তৎসম নহয়) এনে নিয়মৰ প্ৰয়োজন নাই । সৌন্দৰ্য্য, মাধুৰ্য্য দৈন্য আদি প্ৰত্যয় যুক্ত বিশেষণ বাচক ৰূপবোৰ ভাঙিব নজনাৰ বাবে বহুতে এনেবোৰ শব্দৰ লগত 'তৎ' প্ৰত্যয় (এইবোৰ শব্দত যত প্ৰত্যয় থকা সত্বেও যোগ কৰি সৌন্দৰ্য্যতা, মাধুৰ্য্যতা বা দৈন্যতা লিখি বৈয়া-কৰণক বিদ্যাৰ দীনতাৰহে পৰিচয় দিয়ে । পঢ়াশালিত শিক্ষকে একেটা শব্দৰ লগত দুটা প্ৰত্যয় যোগ নহয় বুলি এবাৰ বুজাই দিলে বোধ হয় এনে ভুলৰ পৰা বিদ্যাৰ্থীয়ে ৰেহাই পাব ।



বৰ্ত্তমান অসমীয়া ভাষাত বহুকেইখন ব্যাকৰণ লিখা হৈছে । প্ৰায় কেইখন ব্যাকৰণত অসমীয়া ভাষাটোৰ এক স্বকীয়া অস্তিত্ব দেখুৱা-বলৈ গৈ সংস্কৃত ভাষাৰ লগত থকা ইয়াৰ ঘনিষ্ঠ সম্পৰ্কৰ ৰচিডাল শিথিল কৰা যেনহে লাগে । উপসৰ্গৰ ক্ষেত্ৰত সংস্কৃত উপসৰ্গৰ দৰে অসমীয়াতো বে, কু, বি আদি কিছুমান প্ৰত্যয়ক উপসৰ্গ বুলি অসমীয়া উপসৰ্গৰ অভাৱ দূৰ কৰা যেন লাগে । এইবোৰ প্ৰত্যয়ক উপসৰ্গ নুবুলি পূৰ্ব্ব প্ৰত্যয় বা প্ৰাক্‌সংসৰ্গ অব্যয় বোলা হে বেচি সমীচীন হ'ব । ডঃগোলক চন্দ্ৰ গোস্বামীদেৱে তেওঁৰ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰত 'মাহী' শব্দৰ মাহ আৰু পেহী শব্দৰ পেহ্ আদিক বদ্ধৰূপ বুলি কৈ ছাত্ৰ-ছাত্ৰীৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে । পেহী–মাহী আদিশব্দবোৰ একোটা মুক্তৰূপ আৰু এইবোৰ শব্দ স্বয়ং সম্পূৰ্ণ । মাহৰ লগত ঈ বা পেহ্‌ৰ লগত ঈ প্ৰত্যয় যোগ হৈ শব্দ দুটা সৃষ্টি হোৱা নাই । কিছুমান ব্যাকৰণ ৰচকে পাগঘৰ (পাক+ঘৰ) বুদবাৰ (বুধ+বাৰ) সাদিন (সাত+দিন) আদি অসমীয়া ব্যঞ্জন সন্ধিৰ উদাহৰণ দিলেও এইবোৰ সন্ধি হ'ব নোৱাৰে । বৰং এই ৰূপবোৰ সমীকৰণহে (অৰ্থাৎ এটা ঘোষবৰ্ণ, অঘোষ বৰ্ণ, মহাপ্ৰাণ বৰ্ণ বা অল্প প্ৰাণ বৰ্ণৰ প্ৰভাৱত আনটো বৰ্ণই সমৰূপতা লাভ কৰে বা সেই বৰ্ণৰ ধ্বনিগত গুণৰ সংক্ৰমণহে হয় । ) এই পৰিবৰ্ত্তন এটা শব্দৰ দুটা, বৰ্ণৰ ক্ষেত্ৰতো হ'ব পাৰে । যেনে অসমীয়াত 'কংগ্ৰেছ,' শব্দটো শুনাত বা উচ্চাৰণত কংগ্ৰেজৰ দৰে হ'ব । (ছৰ আগত থকা 'ৰ' এই ঘোষ বৰ্ণটোৰ প্ৰভাৱত অঘোষ 'ছ' বৰ্ণ ঘোষ 'জ' লৈ পৰিবৰ্ত্তিত হৈছে । ) সেইদৰে 'তেজপাত' শব্দ-টোৰ উচ্চাৰণ 'তেছপাত' হয় । গতিকে তেজ আৰু পাত এই দুটা শব্দৰ সন্ধি হৈ তেজপাত শব্দটো হোৱা নাই । গতিকে পাক্‌ঘৰ, বুধবাৰ, দুধনৈ— আদিৰ উচ্চাৰণ পাগঘৰ, বুদবাৰ বা দুদনৈ এনেই উচ্চাৰণ হ'ব । সেইদৰে তাৰ উপৰি, পাঁচসেৰ আদি শব্দ উচ্চাৰণৰ দ্ৰুত গতিৰ বাবেহে তাৰোপৰি বা পাচ্ছেৰ এইদৰে শুনা যায় । এইবোৰক আমি সন্ধি বুলি গ্ৰহণ কৰিব নোৱাৰোঁ । সেইদৰে সন্মিলন সন্মুখ আদি শব্দ উচ্চাৰণ কৰিলেও লিখোতে সম্মিলন (সম+মিলন) বা সম্মুখ (সম+মুখ) আদি লিখাই ভাল । কাৰণ জোঁটনি মতে উচ্চাৰণ কোনো ভাষাতেই সম্ভৱ নহয় ।

অসমীয়া ভাষাত কিছুমান শব্দৰ অশুদ্ধ প্ৰয়োগ ৰৈয়ে গ'ল । এনেবোৰ শব্দ নতুনকৈ শুধৰণি কৰাৰ উপায় নাই । যেনে—দম্পতিৰ ঠাইত দম্পতী (সংস্কৃতৰ দ্বিবচনৰ ৰূপ ; অসমীয়াত দ্বিবচন নাই গতিকে শব্দটো সংস্কৃত একবচনৰ ৰূপ দম্পতিহে হ'ব লাগে ) জোঁটনি (শুদ্ধৰূপ যোঁতনি ), তাহানিখন (শুদ্ধৰূপ তাহানিৎণ ), নিৰ্দোষী (শুদ্ধৰূপ নিৰ্দোষ ; বহুব্ৰীহি সমাসৰ পদবোৰ এনেই বিশেষণযুক্ত । এইবোৰ শব্দৰ লগত পুনৰ বিশেষণীয় ইন্, বতু, মতু ইত্যাদি প্ৰত্যয় যোগ নহয় । )

অসমীয়া ভাষাত পূজ্য বা সন্মানীয় ব্যক্তিৰ নামৰ পাছত 'দেৱ' শব্দটো প্ৰয়োগ কৰা হয় । যেনে—ড° মহেশ্বৰ নেওগ দেৱ । কিন্তু স্ত্ৰীলিঙ্গ বাচক নামৰ পিছত দেৱ শব্দটো আমি ব্যৱহাৰ

নকৰেঁা। উক্ত দেৱ শব্দটোৰ মূল সংস্কৃত 'দিৱ' ধাতু, অৰ্থ পোহৰ। পাছত ইয়াৰ অৰ্থৰ পৰিবৰ্ত্তন হ'ল আৰু জ্ঞানী বা সন্মানী ব্যক্তিক বুজাবলৈ ব্যৱহাৰ কৰা হ'ল। গতিকে ই কেৱল পুংলিঙ্গ বাচক শব্দ নহয় উভয়লিঙ্গ বাচক শব্দও। তৈত্তিৰীয় উপনিষদত এই শব্দ মাতৃ, পিতৃ আৰু আচাৰ্য্যৰ পাছতো ব্যৱহাৰ হৈছে। গতিকে অসমীয়া ভাষাতো ইয়াক কেৱল পুংলিঙ্গ বাচক নামৰ পাছতে ব্যৱহাৰ নকৰি পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ উভয়বিধ নামৰ পাছতো ব্যৱহাৰ কৰিব পাৰো যেনে মহেশ্বৰ নেওগদেৱ নিৰ্মলপ্ৰভা বৰদলৈদেৱ ইত্যাদি। আশা কৰো আমাৰ ভাষাবিদ আৰু সাহিত্যিক সকলে ইয়াক নতুনকৈ প্ৰচলন কৰিবলৈ আগবাঢ়ি আহিব।

অসমীয়া ভাষাৰ ব্যাকৰণ বা অভিধান বোৰ আসোঁৱাহ মুক্ত হ'ব লাগে। অভিধানত শব্দবোৰৰ ব্যুৎপত্তি দেখুৱাব লাগে। ব্যাকৰণ নতুনকৈ লিখিলেও সংস্কৃত ব্যায়াকৰণৰ ভেটিৰ ওপৰত প্ৰতিষ্ঠিত হব লাগে নহলে অসমীয়া ভাষাটোৰ বৈয়াকৰণিক মৰ্য্যদা লাঘৱ হ'ব।

> মনক লাঠিৰে স্পৰ্শ কৰা নাযায়, দয়া প্ৰেম আদি মনৰ কোমল প্ৰকৃতিৰেহে মনক স্পৰ্শ কৰা হয়।
>
> **ৰামকৃষ্ণ পৰমহংস।**

# অনসূয়াৰ বিপদ

নুৰুল ইচলাম
স্নাতক ২য় বৰ্ষ

অনুস্বাৰ পদে পদে বিপদ। নতুন ঠাইখন লৈ অহাৰ পিছত তাই সপোনতো ভবা নাছিল, এনে বিপদত পৰিব বুলি। যিমানে যেতিয়াই বক্তৃতাৰ সুৰত আৰম্ভ কৰে "বিলাতত থাকোতে·············" তেতিয়াই অনুস্বাৰাই বুজি পায় কোনোবাখিনিত তাই আধুনিক সমাজৰ 'এটিকেট' -ৰ- পৰিধি পাৰ হৈ গ'ল, কিবা বুজাত ভুল হ'ল অথবা কৰবাত নকব লগীয়া কথা কৈ পেলালে। তাইৰ মনটো বেয়া লাগি আছে। মনত পৰে গাওঁৰ মুকলি মুৰীয়া জীৱনটোৰ কথা ধীৰ, স্থিৰ, শান্ত কামিলা ছোৱালী বুলি তেতিয়া তাইৰ কিমান আদৰ আছিল। আৰু এতিয়া কথাই পতি উজুতি খাই নিজকে তাইৰ পুতৌ কৰিবৰ মন যায়।

শ্বিলংৰ বিষ্ণুপুৰত সৰু ঘৰ এটা ভাৰাৰৈ থাকিবলৈ অহাৰ দিনাই শুনিব লগা হৈছিল গিৰিয়েকৰ সতৰ্ক বাণী "তুমি ওচৰৰ এই কেৰাণী-মেৰাণী, মাষ্টৰ-ফাষ্টৰবোৰৰ ঘৰলৈ গৈ মোৰ মান হানি নকৰিবা।" অনুৰূপ শব্দেৰে প্ৰকাশ কৰা তাচ্ছিল্যৰ ভাবটো তাইৰ কাণত বিসদৃশ যেন-লাগিলেও একোকে মাতিব পৰা নাছিল, কাৰো মুখৰ ওপৰত কথা কোৱাৰ অভ্যাস নথকাৰ বাবে।

ওচৰৰ বিজয় মাষ্টাৰৰ পৰিবাৰে প্ৰায়েই তাইক মাতি থাকে। ল'ৰা-ছোৱালী কেইটাইও দেখিলেই কয় "মাহীদেউ আমাৰ তালৈ যাবদেই।" মানুহ গৰাকীৰ অকৃত্ৰিম মৰম সনা-হাঁহিটো অনুস্বাৰ বৰ ভাল লাগে। অথচ কিমানে বেয়া পায় বুলিয়েই আজি ছমাহেও তেওঁলোকৰ তালৈ যোৱা নাই। দুই, তিনি বাৰ অহাৰ পিছত বৰুৱাণীয়েও আৰু নহা হ'ল। কি ভাবিছে ছাগে তাই।

নিজৰ সম্পূৰ্ণ অনিচ্ছা সত্বেও তাই-বিমানৰ লগত যাব লগা হয় চলিহা, চৌধুৰী, পণ্ডিত, সোমৰাও আদি বহুতো দেশী-বিদেশী মানুহৰ ঘৰলৈ। এওঁলোকৰ ঘৰলৈ ফুৰিবলৈ যোৱাটোও জানো সাধাৰণ কথা? তাৰ বাবে লব লগা হ'ল আধুনিক সমাজৰ সাজপাৰ; মুৰ ফণীওৱাৰ ধৰণ, প্ৰসাধনৰ প্ৰলেপ ইত্যাদি। অনিচ্ছুক মন আৰু অপটু হাতেৰে আধুনিক ৰূপ সজ্জাৰ কলা-কৌশল আয়ত্ব কৰিবলৈ চেষ্টা কৰি। যেতিয়াই তাই বিফল হ'ল বিমানে অত্যন্ত বিৰক্তিৰে মন্তব্য কৰিলে—"তোমাৰ দ্বাৰা আৰু একো নহব। থৈ দিয়া আৰু নালাগে। চাহ খাওঁতে কেনেৱাকৈ 'লিপিষ্টিক' দাঁতত লাগি গলে মানুহে হাঁহিবহে। "অনুস্বাৰাই স্বস্তিময়

আৰামৰ নিশ্বাস পেলালে, যেন এটা ডাঙৰ 'ৰিস্ক'হে গ'ল। তথাপিও ভাষা আৰু আদৱ কায়দা শিকাৰ বিৰাট সমস্যাটোৰ পৰা তাই নিস্কৃতি নাপালে। গাওঁৰ স্কুলত দশম মান শ্ৰেণীলৈ পঢ়া এজনী ছোৱালীৰ পক্ষে ইংৰাজী বাক্যালাপ, আদৱ-কায়দা বা 'এটিকেট' শিকি আধুনিক সমাজখনৰ লগত সহজ ভাৱে মিলিব পৰাটো নিচেই সাধাৰণ কথা নহয়। বিমানেই লব লগা হ'ল শিক্ষকৰ ভূমিকা। ৰাতিপুৱা চহ-খাই উঠাৰ পাছতে আৰম্ভ হ'ল ইংৰাজী বাক্যালাপ আৰু 'এটিকেটৰ' আখৰা। ধৰি লোৱা মই ঘৰত নাথাকোতে মিঃ চৌধুৰী আমাৰ ইয়ালৈ আহিছে, তুমি ওলাই গৈ প্ৰথমে কি বুলি কবা? বিমানে অভিনয়ৰ ভঙ্গীৰে কৈ যায়, আৰু তাই বাধ্য হৈ ছাত্ৰীৰ দৰে শুনি থাকে। ইয়াৰ উপৰিও আধুনিকা সকলৰ লগত কথা কওঁতে 'এলজেব্ৰাৰ ফৰ্মুলাৰ' দৰে প্ৰয়োগ কৰিব পৰা বাক্যবোৰ তাই মুখস্থ কৰি থব লগাওঁ হয়। যেনে ঃ—

Mrs. how lovely you look in your new saree!" অকল এয়ে নহয়। ইংৰাজী ভাৱবোধক অব্যয় —

"Good Gracious!' Oh dear!! dear me!!! " আদি কথাৰ মাজতে প্ৰয়োগ কৰিবলৈ শিকিবলৈ শিকিব লগা হ'ল। নহলে হেনো তিৰোতা মানুহৰ কথা শুৱলা নহয়।

অস্বস্তিৰে কেতিয়াবা অনুসূৱাই ভাৱে "তেতিয়াহলে হাইস্কুল লিভিং পৰীক্ষাটোকে দিবলৈ বাট চাব নোৱাৰিলে, এতিয়া আকৌ ভাটৌৰ দৰে মাত লবলৈ শিকাইছে।" এৰা তাইৰ বিয়াখনো বৰ লৰালৰিকৈ হৈ গ'ল। নতুনকৈ আই, এ, এছ (I. A. S.) হৈ অহা গোলাঘাট মহকুমাৰ চাহাব 'বিমান ফুকনে' গাওঁৰ পাঠশালা স্কুলত বহি বাইজৰ লগতে কথা পাতি থাকোতে আলিবাটেদি বৰষুণত তিতি জুৰুলা-জুপুৰা হৈ স্কুল ছুটিৰ পাছত ঘৰমুৱা হওঁতে অনুসূৱাক নেদেখা হলে জানো আজি তাইৰ এই অৱস্থা হয়? বাহ্যিক চাক-চিক্য পূৰ্ণ অতি আধুনিক সমাজখনে বিমানৰ চকুত ছাট মাৰি ধৰিলেও অনুসূৱাৰ মনৰ সৰলতাৰ ওপৰত ছাঁ পেলাব পৰা নাই। বাহিৰৰ আকৰ্ষণে তাৰ অন্তৰ্দৃষ্টি কাঢ়ি নিয়াব বাবেই হয়তো পত্নীৰ প্ৰকৃত ৰূপ তাৰ সন্মুখৰ পৰা আঁতৰি গৈছে লাহে লাহে সেইদিনা বিমান ফুকনে তাইক নেদেখা হলে, তাৰ লগত বিয়া নোহোৱা হলে আজি তাইৰ জীৱনটোৱে নিজ অভিৰুচি মতে গঢ় ললেহেঁতেন এনে এটা ভাৱক প্ৰশ্ৰয় দিয়াহ'লে তাই বিনা বাক্য ব্যায়ে গিৰিয়েকৰ শিষ্যত্ব গ্ৰহণ কৰিবও নোৱাৰিলে-হেঁতেন। তথাপিও তাই বাৰে বাৰে ভুল কৰিব ধৰিলে। পোনপেটীয়া স্বভাৱটোৰ কাৰণেই।

সিদ্দিনা চলিহাৰ তাত জানো কম অপদস্ত হ'ল? অৱশ্যে উচ্চ পদস্থ অসমীয়া মানুহৰ লগত কেনেকৈ কথা পাতিব লাগে সেই বিষয়তো আছিল গিৰিয়েকৰ চোকা নিৰ্দ্দেশ, যাতে তাই সততে কৈ থকা 'পেটাৰী,' আমন জিমন,' হেনাহচা, আলৈ আথানি আদি গাওঁ-লীয়া শব্দবোৰ উচ্চাৰণ নকৰে কেতিয়াও। গিৰিয়েকৰ নিৰ্দ্দেশ আখৰে আখৰে পালন কৰিও তাইৰ বিপদ নগ'ল। পৰম আত্মীয়তাৰ ভাৱত



তাই মিছেচ চলিহাক কৈ পেলালে—"আপোনাৰ লৰাটিৰ 'জণ্ডিচ' হৈছে বুলি শুনি বেয়া লাগি আছে। আহোঁ বুলিও আজিলৈকে খবৰ কৰি-বলৈ আহিব পৰা নাই। কৰ্দ্দৈ টেঙা লাগিলে এখেতে গুৱাহাটীৰ পৰা আনিব পাৰিব। দুই এদিনতে যোৱাৰ কথা আছে।"

মিছেচ চলিহাই মুখখন ওন্দোলাই উত্তৰ দিলে "আপোনাকনো কোনে কৈছে তাৰ 'জণ্ডিচ' হৈছে বুলি? অকণমান লিভাৰ ট্ৰাবলহে হৈছিল। আজি কালি অলপ কিবা এটা হলেই মানুহে দহটামান নাম উলিয়ায়।"

অনুসূৱাৰ আন্তৰিকতাৰ মূৰত যেন চেঁচা পানীহে ঢালি দিলে। মৃদুলা চলিহাই এনে এটা ভাৱ দেখুৱালে যেন তেওঁলোকৰ দৰে ডাঙৰ মানুহৰ ঘৰত একো বেমাৰ হব নোৱাৰে। অনসূৱাৰ বতৰাও ইমানতে শেষ হ'ল। ওচৰৰ অফিচ কোঠাটোত মিঃ চলিহাৰ লগত কিবা চৰকাৰী ফাইলৰ বিষয়ে আলোচনা কৰি থকা বিমান ফুকন ওলাই অহালৈ বাট চাই তাই ঘৰলৈ যাবলৈ উচপিছাব ধৰিলে। মিছেচ চলিহাই হাঁহি হাঁহি শিষ্টাচাৰ ৰক্ষা কৰি কলে "বহকচোন অকণমান। ভয় নকৰিব; চাহ-তাহ নিদিওঁ। 'বয়'টোক বজাৰলৈ পঠাইছো; অ' এটা কথা মিঃ ফুকন গুৱাহাটীলৈ গ'লে অনুগ্ৰহ কৰি 'জন'ৰ কাৰণে অলপ কৰ্দ্দৈ টেঙা আনিবলৈ কবাচোন।" অলপ জোৰেৰে হাঁহি আকৌ কলে "তাৰ জানো কি চখ হৈছে কৰ্দ্দৈ টেঙা দি মাছৰ কাৰী বনাই দিব লাগে। কৰবাত শুনি আহিছে কিজানি। 'চপ, 'কাটলেট' কাবাব, কোপ্তা এইবোৰতো খাইয়েই আছে সদায়।"

তেওঁৰ হাঁহিত অনুসূৱাই যোগ দিব নোৱাৰিলে। 'এটিকেটৰ' পাঠ পাহৰি তাইৰ মনটো কৰবালৈ উৰা মাৰিলে। চহৰৰ পৰা নিলগত প্ৰকৃতিৰ শান্তিময় কোলাত সন্ধিয়াৰ নিস্তব্ধতাৰে ভৰা এখনি ঘৰত এতিয়াই দেউতাকে হয়তো চাকি জ্বলাই নামঘৰত সেৱা কৰিছে। তাৰ পাছত জয়ন্ত, কমল আদি দুই এজন মেধাবী লৰাই তেওঁৰ ওচৰত বহি পঢ়িবহি। মাক-ঢুকুৱাৰ পিছৰে পৰা তাইৰ দেউতাকে গধূলিটো সদায় লৰা পঢ়ুৱাই কটায়। তাৰ বাবে তেওঁ সিহঁতৰ শ্ৰদ্ধা, ভক্তিৰ সাহাযাৰ বাহিৰে আন একো গ্ৰহণ নকৰে। এবাৰ অনুসূৱাৰ ভায়েক নৰেনৰ জণ্ডিচ হওঁতে 'সিহঁতে সদায় সহায় কৰিবলৈ উবুৰি খাই পৰিছিল। কৰ্দ্দৈ টেঙা, নেমুটেঙা শাক-পাচলি আদি যেতিয়াই যি লাগে আনি দিছিল। বেচেৰা জয়ন্তটোৱে জেঠ মহীয়া ৰ'দত চাইকেল মাৰি ঔষধ আনিবলৈ চহৰলৈ গৈছিল। ঔষধ তাত নাপাই একে দিনাই বাছত ডিব্ৰুগড় পাইছিল গৈ। ............... পিছফালৰ বাৰীখনত মাটি মিঠা আমজোপা ছাগে এতিয়া ডাল ভৰি লাগিছে। নিজান দুপুৰ বেলিকা বতাহত সৰা আম বুটলিবলৈ আহি টুনুহতে পিৰালিৰ তাতৰ শালখনলৈ চাই হয়তো কোৱা কুই কৰে লাবন্য-জেঠাই গ'ল; ছাৰে ল'ৰা পঢ়ুৱাৰ বাহিৰে আন একোকে নাজানে। অনু বাইদেউৰো বিয়াহৈ গ'ল। নৰেন ৰুকাইতো কিতাপতে

মুৰ গুজি বহি থাকে। বেঁয়াই লাগে ঘৰখন একেবাৰে ৰিঙা হৈ পৰিল।"

মৃদুলা চলিহাৰ মাতত হঠাৎ সপোনৰ পৰা, সাৰ পাই উঠাৰ দৰে অনুসূৱা চক খাই উঠিল। মানুহৰ ঘৰলৈ আহি এনেদৰে অন্য মনস্কহৈ পৰিব লাগেনে? এনেতে মিঃ চলিহা সোমাই অহাত তাই থিয় হৈ নমস্কাৰ জনালে। বিমান ফুকন অলপ ক্ষুন্ন হ'ল। প্ৰতিটো কথাকে জানো শিকাব পাৰি? মিছেচ চলিহাই বেঁকা হাহিঁৰে অনুসূৱাক বিব্ৰত কৰি পেলালে। অলপ অপ্ৰস্তুত হোৱাৰ দৰে মিঃ চলিহাই প্ৰতি নমস্কাৰ জনাই ব্যস্ত ভাৱে কলে—"বহক বহক।"

গিৰিয়েকৰ মুখৰ ফালে চাই অনুসূৱাই বুজিলে কৰবাত কিবা ভুল হৈ গ'ল। ঘৰলৈ গৈয়েই হয়তো শুনিব লাগিব—"বিলাতত থাকোতে"··· ?

ঘৰ পায়েই তাই গিৰিয়েকক প্ৰথমেই ধৰিলে—"আপুনি কিয় মিছা কথা কৈছিল?"

"মইনো কত মিছা কথা কলো? তুমিহে লাজ দিলা আজি! মিঃ চলিহাক থিয় হৈ আগতে নমস্কাৰ দিব লাগেনে? বিলাতত থাকোতে দেখি আচৰিত হৈছিলো লেডীজৰ সম্মান কিমান বেছি!

—"কিবা ভুলেই হৈ গ'ল। বয়সীয়াল মানুহ দেখি আগতে নমস্কাৰটো দি দিলো। পিছে আপুনি কিয় কৈছিল, লৰাটোৰ 'জণ্ডিচ' হৈছে বুলি। মানুহ গৰাকীয়ে ওলোটাই মোকেই ধৰিছিল মিছামিছিকৈ বেমাৰৰ নাম উলিয়াইছো বুলি।"

—"তোমাক লৈ আৰু নোৱাৰি দেখিছো। মই কিয় মিছা কথা কম? ডঃ বৰুৱাই কৈছিল 'জণ্ডিচ' হৈছে ঠিকেই। মানুহৰ ঘৰলৈ খবৰ কৰিবলৈ গ'লে বেমাৰৰ নামটো কব নেপায় বুলিও নাজানা নেকি? কিবা অলপ অসুখ হৈছে বুলি শুনিছা—এইদৰে মোলায়েম কৰিও সুধিব পাৰিলাহেঁতেন। মিছেছ চলিহাওতো দেৰগাওঁৰ ছোৱালী। কিমান ধুনীয়া ইংৰাজী কয়; শুনিলে কৰবাৰ ইংলিশ স্কুলত পঢ়া বুলিহে কব; কথা বতৰাও কিমান 'পলিছড'। তোমাক আজি ইমান দিনে শিকালো; অথচ এতিয়ালৈ ইয়াৰ 'ছোছাইটিত' 'মিক্স' কৰাব নোৱাৰিলো। তোমাক লৈ মই আৰু কলৈকো নাযাওঁ।"

অনুসূৱাৰ মুখৰ পৰা গধুৰ বোজা এটাহে যেন আঁতৰি গ'ল। "যাব নালাগে যদি ভালেই' বুলি মনতে ভাবিলে, অৱশ্যে মুখ ফুটাই একো নকলে।

বিমান ফুকন গধূলি প্ৰায়েই ওলাই যায়। ঘৰখনলৈয়ে অনুসূৱা ব্যস্ত হৈ থাকে। ঘৰৰ কাম বন শেষ কৰি অকলশৰীয়া সময়বোৰ কটাবলৈ ওচৰৰ 'উইভিং' মাষ্টৰজনক কৈ তঁতৰ শাল এখনো যোগাৰ কৰি ল'লে। ওচৰ চুবুৰীয়াৰ ঘৰলৈও কেতিয়াবা মনে মনে যাবলৈ আৰম্ভ কৰিলে। এদিন বিমান ফুকন অফিচৰ পৰা আহি দেখে ওচৰৰ বিজয় বৰুৱা মাষ্টৰৰ ঘৈণীয়েকৰ লগত অনুসূৱাই হাঁহি ধেমালি কৰি কথা পাতি আছে। গিৰিয়েকক দেখা মাত্ৰকে তাইৰ মুখৰ হাঁহি মাতৰ সৰি গ'ল। মানুহ গৰাকী যোৱাৰ পাছত কৈফিয়তৰ সুৰত কলে



"এইবোৰ মানুহ জানো কিয় আহে! মইতো নাযাওঁৰেই কলৈকো।"

এইবাৰ অনুসূৱাৰ মুখৰ ভাব আৰু কথাৰ সুৰ সলনি হ'ল। "·········এইবোৰ মানুহ জানো কিয় আহে! মইতো নাযাওঁৰেই কলৈকো।

বাহিৰত মটৰৰ শব্দ শুনা গ'ল। "ইস! পালেহিয়েই। তুমি মুখত অলপ পাউদাৰ সানি কাপোৰ কানি সলাই ওলোৱা। মই অনা ধুনীয়া শাৰীখনৰ লগত হাতকটা চুটি ব্লাউজটো পিন্ধিবা। ভাগ্য ডাল মুটৰ পেকেট এটা আনি থৈছিলো। নতুন টি ছেটটোত' বাপুৰামৰ হতুৱাই ভালকৈ চাহখিনি দিয়াবা।"

কাপোৰৰ কথাত অস্বস্তি প্ৰকাশ কৰি অনুসূৱাই কলে "জানো সেই কেইটা ক'ত থলো।"

ব্যস্ত ভাৱে এবাৰ আয়নাত নিজৰ মুখখন চাই বিমান ফুকন বাহিৰলৈ ওলাই গ'ল। অলপ পাছত অনুসূৱাও সাধাৰণ ভাৱে ওলাই আহিল।

"আপোনাক অসময়ত আমনি দিব আহিলো। বেয়া নাপাব।" শৰ্মিলা পণ্ডিতে শিষ্টাচাৰ দেখুৱাই কলে "মিঃ ফুকনক ক্লাৱত সদায় লগ পাওঁ। আজি আপোনাৰ লগত চিনাকি হবলৈ পাই বৰ ভাল পালোঁ।"

"কাপোৰ কানি সলাই ওলাই আহোঁতে বেলি হ'ল। বেয়া নাপাব।" অনুসূৱাও শিষ্টাচাৰ ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে। মিছেছ পণ্ডিতৰ মুখত বিচিত্ৰ হাঁহি ফুটি উঠিল। বিমান ফুকনৰ মুখত হ'লে কলীয়া ডাৱৰ।

কথা বতৰা ইংৰাজীতে চলিল। অনুসূৱায়ো বিমানৰ শিক্ষকতাক স্বাৰ্থকতা কৰি তুলিলে আৰু শুদ্ধ ইংৰাজীৰে সংক্ষেপে উত্তৰ দি গ'ল। দীঘলীয়া আলোচনাত বহি যোগ দিবলৈ সাহ নকৰিলে। অলপ পাছতে তাই চাহৰ যোগাৰ কৰিবলৈ ভিতৰলৈ গ'ল। তাই যোৱাৰ ফাললৈ চাই মিঃ পণ্ডিতে কলে—মিঃ ফুকন, বন্ধু হিচাপে মই আপোনাক এটা কথা কওঁ আপুনি বৰ ভাগ্যবান। "বিমান ফুকনে দেখনিয়াৰ হাঁহি এটা মাৰি 'চিগাৰেট' আনিবলৈ বুলি ভিতৰলৈ সোমাই গ'ল।

উচ্চ হাঁহিৰে এইবাৰ মিছেচ পণ্ডিতে মন্তব্য কৰিলে—

She dwelt among the untrodden ways "তাৰ পাছত কি কোৱাচোন! তুমিতো একেবাৰে কিতাপৰ পোক। 'লাইফটো' কিদৰে 'এনজয়' কৰিব লাগে নাজানিলাই।"

'লাইফ' 'এনজয়' কৰাৰ সম্বল আটাইৰে বাবে একে নহয়। মিঃ পণ্ডিতে অন্য মনস্ক ভাবে কলে।

এনেতে বাপুৰামৰ হাতত চাহৰ সৰঞ্জাম দি অনুসূৱা সোমাই অহাত শৰ্মিলা পণ্ডিতে কথাৰ ভাৱ আৰু সুৰ সলনি কৰি কলে—অ' ডাৰ! আজি চিনেমা চাবলৈ যোৱাৰ কথা আছিল নহয়! পাহৰিলাই নেকি? মিছেচ ফুকনে মিছাকৈয়ে ইমান কষ্ট কৰিলে। আমি এইমাত্ৰ চাহ খাইয়েই ওলাই আহিছো। চিনেমালৈ আজি আৰু নাযাওঁ, দেৰী হৈ যাব। ডাৰ! তুমি মোক ক্লাবতে নমাই দি ঘৰলৈ যাবাগৈ"

বিমান ফুকনে হাঁহি হাঁহি শিষ্টাচাৰ প্ৰদৰ্শন কৰিলে—"আজি তেনেহলে আমাৰেই ভাগ্য ভাল ।"

অনুসূৱাই একো নেমাতি তলমুৰ কৰি চাহ কৰিবলৈ ধৰিলে । শৰ্ম্মিলাৰ মুখত বাৰে বাৰে শুনা আচহুৱা সম্বোধনটোত তাই অলপ অস্বস্তি বোধ কৰিলেও নতুন আমোদ এটাও যেন অনুভৱ কৰিলে ।

..............আলহি যোৱাৰ পাছত হাঁহি হাঁহি থৰ লাগি তাই ছোফাখনতে বহি পৰিল,- পণ্ডিতৰ ঘৰত "থকা নাম 'ডাৰ' নেকি ? ডাৰ যি ডাৰেই, একেবাৰে পাতকটা ডাৰ ।"

"কথাএবাৰ ভালকৈ পাতিবলৈ নিশিকিলে। এতিয়া আকৌ হাঁহিবলৈ আহিছে ।"—বিমানৰ মনৰ কলীয়া ডাৱৰ আঁতৰা নাই ।

—"নাহাহিম কিয় ? নামে মানুহে একে নহয় নেকি ? পাতকটা ডাৰ ।"

তোমাৰ মগজুৰে সিমান খিনি ঢুকি পালেহে । বিলাতত থাকোতে শুনিছিলো ; স্বামী-স্ত্ৰীৰ মাজত প্ৰচলিত মৰমৰ মাত 'ডাৰ্লিং'। 'ডাৰ' হ'ল তাৰেই 'ছৰ্ট ফৰ্ম' । তোমাৰ মুখত গাওঁলীয়া কথাৰ বাহিৰে আৰু একো নাই ।

"অ' আই কত যে কি শুনিব লগীয়া আছে আৰু !" অনুসূৱাই কলে ।

হায়াৰ ছোছাইটিৰ লগত কথাৰ সুৰ আৰু মনৰ ভাৱ মিলাব নোৱাৰি অনুসূৱাই মাজে মাজে ভাৱে—তাইক বিয়া কৰাই বিমান সুখী হোৱা নাই । তাৰ মনত যেন কিবা এটা বিষাদৰ ভাৱ । শত চেষ্টাৰ পিচতো দুয়োৰো মাজত থাকি যোৱা ৰুচিগত পাৰ্থক্যই তাৰ একমাত্ৰ কাৰণ । এদিনতো সি স্পষ্ট ভাৱে কৈয়েই দিলে—"তোমাৰ লগত মোৰ কতো অকণো মিল নহ'ল । হোজা পাণ্ডিতৰ লগত তোমাৰ বেছ মিলিলেহেঁতেন ।"

"আৰু আপোনাৰ লগত···"—কথাষাৰ তাইৰ ডিঙিত লাগি বৈ গ'ল । তাৰ পাছত সন্ধি স্থাপনৰ উপায়হে বিচাৰিব ধৰিলে । গিৰিয়েকৰ অভিৰুচি মতে খোৱা-বোৱাকে আদি কৰি ঘৰুৱা প্ৰয়োজনৰ প্ৰতিটো কথালৈ আগ-তকৈ বেছি মন দিলে । এইদৰে স্বক্ষেত্ৰত নিপুনতা দেখুৱাই নিজৰ দোষ খণ্ডন কৰিবলৈ চেষ্টা কৰিলে তাই । তথাপিও জানো তাইৰ বিপদ আঁতৰি গ'ল ? বিমান ফুকনৰ বাবে যে এইবোৰ ঘৰুৱা আদৰ যত্নৰ কোনো মূল্যই নাই । সংসাৰত ভাল পোৱাৰ মূল্য বুজেই বা কেইজনে ? ······দিনবোৰ যাবলৈ ধৰিলে ।

এদিন অফিচৰ পৰা আহিয়েই বিমানে পত্নীক নতুন খবৰ এটা দিলে । —শৰ্ম্মিলা পণ্ডিতে গিৰিয়েকক 'ডাইভোৰ্চ' কৰিলে । কথা-ষাৰ বুজিবলৈ টান পাই প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰি-বলৈ ধৰিলে । অনুসূৱাই ।

"কেনেকৈ কৰিলে ? কিহৰ বাবে কৰিলে ?"

"পণ্ডিতৰ কোনোবা খাছী তিৰোতাৰ লগত "লাভ এফেয়াৰ্ছ" আছে বুলি কৰ্টত প্ৰমাণ কৰি দিলে সাক্ষীবাদীৰ সহায়ত ।"

"—আপুনিনো তেন্তে কিয় কৈছিল, তেওঁ সদায় কিতাপ পত্ৰৰ মাজতে সোমাই থকা ভাল মানুহ বুলি ?"

"—এৰা মানুহ জন সত্যযুগৰ ভাল মানুহ আৰু এতিয়াৰ যুগৰ 'বেলবুং' অৰ্থাৎ স্কুলীয়া



লৰাৰ ভাষাত বোলে 'মস্ত বেল' । "নিজৰ ৰসিকতাত সি নিজেই হাঁহিবলৈ ধৰিলে ।

"—তেন্তে শৰ্ম্মিলা পণ্ডিতে নিজেই গিৰি-য়েকৰ বদনাম উলিয়ালে ?" আচৰিত হৈ তাই প্ৰশ্ন কৰিলে ।

আইনে যদি এনে কিছুমান উপায় দিছে বা চৰ্ত্ত বিচাৰে তেন্তে নুলিয়াব কিয় ? এজনী মডাৰ্ণ তিৰোতাই গোটেই জীৱনটো হোজা পণ্ডিত এটাৰ লগত কটাবনে ? আইনে উপায় দিছে যেতিয়া গ্ৰহণ নকৰিব কিয় ? সচাঁকৈয়ে মানুহ গৰাকীৰ সাহস খলাগিকলগীয়া ।"

বিমানৰ কথাত এটা যেন নতুন উচ্ছাস ! নিৰ্ব্বাক বিস্ময়েৰে অনুসূৱাই তাৰ মুখলৈ চাই থাকিল ।

" —'ডাৰ'—'ফাৰ' সোপা তেন্তে তেনেই মিছা !" তাই ভাবিলে ভাল মানুহ এজনক তাই আবৰ্জ্জনা কৰি পেলালে । কোনো দিনেই নহা এটা নতুন ভাৱে তাইৰ মনৰ পৰিধিৰ সীমা বাৰে বাৰে স্পৰ্শ কৰি গ'ল ।

.........উদ্দাম আধুনিকতাৰ সোঁতে যেন তাইকো গ্ৰাস কৰিবলৈ আহিছে । শৰ্ম্মিলাৰ ঘটনাতে বিমানে কিয় ইমান উচ্ছাস প্ৰকাশ কৰিলে ? কিবা অনুচ্ছাৰিত কাৰণ আছে নেকি ? শৰ্ম্মিলা এতিয়া মুক্ত তেন্তে ? এবাৰ কথাই তাইৰ মনত বাৰে বাৰে ভুকুকি মাৰিলে "তোমাৰ লগত মোৰ কতো অকণো মিল নহ'ল ।" কথাষাৰৰ গুৰুত্ব তাই নতুনকৈ উপ-লব্ধি কৰিব ধৰিলে ।

.........এটা প্ৰৱল বানপানীৰ সোঁতে যেন তাইক কৰবালৈ টানি আঁতৰাই পঠিয়াব । নাই, সোঁত অহাৰ আগতে তাই নিৰাপদ ঠাইত আশ্ৰয় লব । সোঁতত উঠি যোৱা আবৰ্জ্জনা হবলৈ বৈ থাকিব নোৱাৰে তাই ।

.........দেউতাকৰ সৰল সুন্দৰ হাঁহিটোলৈ তাইৰ মনত পৰিল । গৈ পোৱা মাত্ৰকে তেওঁ হয়তো কব—"অনু আই, আহিলি ? থাক কিছুদিন । বোপাৰ অসুবিধা নহয়তো ?"

অলাগতিয়াল বস্তুৰ দৰে আঁতৰাবলৈ চেলু বিচাৰি আইনৰ কাষ চপাৰ আগতে মনে মনে তাৰ পৰা আহিলো দেউতাকক এইষাৰ কথা কব পাৰিব জানো তাই ?

অনুসূৱাই চিঠি লিখি ভায়েকক মাতি পঠিয়ালে । .........কেইদিন মানৰ পিছত বিমান ফুকনে অফিচৰ পৰা আহি শুদা ঘৰখনত ভৰি দিলেহি......এনেকৈয়ে একো নোকোৱাকৈ হঠাৎ গুচি যাব লাগেনে ? মোলৈ 'ফোন' এটাওতো কৰি যাব পাৰিলেহেঁতেন । আজি-লৈকে একো এটা নিশিকিলে । এনেকুৱা নিৰ্ব্বোধ ছোৱালীৰ লগত ঘৰ কৰা সচাঁকৈ টান । যেতিয়া মন যায় আহি থাকিব । মই আনিবলৈ নাযাওঁ ।"

ইয়াৰ কেইদিন পিছত ........শুদা ঘৰখন তাৰ ভাল নলগা হ'ল । প্ৰতিটো কথাতে অভাৱ অনুভৱ কৰিবলৈ ধৰিলে—বাহিৰা জীৱনৰ ব্যস্ততায়ো আঁতৰাব নোৱাৰা এটা অভাৱ ।

...............আৰু কেইদিন মানৰ পাছত .........বৰষুণত তিতি ঘৰমুৱা হোৱা এজনী নিৰ্ব্বোধ ছোৱালীৰ নিৰ্ম্মল শান্ত মুখশ্ৰীয়ে তাক বাৰে বাৰে পীড়া দিবলৈ ধৰিলে......... ।

.........তাৰ পাছত ? মনৰ মনি কোঠাৰ

বন্ধ দুৱাৰ মুকলি হৈ গ'ল। "অনুসূৱাকলৈ আহিম গৈ—। ভায়েকৰ লগত আহিবলৈ লিখিলে বহুত দিন কৰি পেলাব। তিনিদিনৰ ছুটি লৈ কাইলৈকে যামগৈ।"

এটা নতুন উপলব্ধিৰে সি স্থিৰ কৰি পেলালে সময় উপস্থিত হলেহে জীৱনটোৱে প্ৰদান কৰে ক্ষুদ্ৰ দৃষ্টি—অগোচৰ এনে গভীৰ উপলব্ধি।

# "অনুতাপ"

মিছ উম্মে কুলছুম
একাদশ শ্ৰেণী

প্ৰগতিশীল সমাজৰ লগত মানৱৰ জীৱনৰ প্ৰতিটি বিন্দু সময় আৰু বাহ্যিক বাতাবৰণৰ ওপৰত নিৰ্ভৰশীল। কোনেও কব নোৱাৰে সময়ৰ পদক্ষেপত মানুহৰ জীৱনৰ অগ্ৰগতি কোন বাটেৰে চৰিত্ৰা ধাৰণ কৰিছে।

মানুহ, মানুহ হিচাপে পৰিচয় দিয়াৰ একমাত্ৰ উপায় হল ভাল পোৱা আৰু ভাল পোৱাৰ লগত নিৱিৰ সম্পৰ্ক প্ৰেমৰ। যি প্ৰেম মানুহৰ জীৱনত পুৰণি কৰি তোলে। কিন্তু প্ৰেম কি জটিল তাক কোনে সহজে বুজিব পাৰে। যি জনে পাৰিছে তাইয়ে একমাত্ৰ সীমা।

সীমাহঁতৰ ঘৰ আছিল ধুবুৰী চহৰৰ ওচৰতে। এওঁলোক থকা ঘৰখন আছিল পূৱ দুৱাৰ মৃখী। সম্মুখত এখন সৰু ফুলৰ বাগিছা আছিল। ৰাতি পূৱাৰ স্মূৰ্য্যৰ পোহৰে সেই ফুলৰ বাগিছাখনক জিকমিকাই তুলিছিল। সেইদৰে সীমাও আছিল ৰূপৰ ৰূপৱতী যাৰ বাবে তাইক বহুতে পাব বিচাৰিছিল। কিন্তু নিয়তিৰ বান্ধোন কোনে খণ্ডাব পাৰে, এওঁলোকৰ ঘৰৰ ওচৰতে ঘৰ ভাড়ালৈ থকা দ্বীলিপ নামৰ খৃষ্টান যুৱকৰ দৃষ্টিত সীমাই হাৰ মানিলে। লাহে লাহে দুয়োজনৰ মাজত নিৱিৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল। যি প্ৰেমক সমাজ তথা কোনো আধ্যাত্মিক শক্তিয়ে বাধা দিব নোৱাৰিলে। কিন্তু দ্বিলীপে ধৰ্মৰ ওচৰত হাৰ মানি নিজ ধৰ্ম ত্যাগ কৰি সীমা ধৰ্মী মুছলমান হৈ সীমাক বিয়া কৰাই সামাজিক ভাবে দাম্পত্য জীৱন মঞ্চত পৰ্দাপন কৰে। কিন্তু হায়!



নিতল নিৰন্তৰ নিষ্ঠুৰ পৃথিবীয়ে সীমাক সুখৰ সাগৰত জীয়াই ৰাখিল নেকি! নিয়তিৰ কোবলে সীমাৰ জীৱনত নমাই দিলে অকাল্পনিক মানৱ জীৱন। সীমাৰ লগত দুবছৰ ঘৰ সংসাৰ কৰাৰ পিছত এদিন হঠাৎ দ্বীলিপ নিৰুদ্দেশ হল। দিনৰ দিন অবিৰাম ভাবে গুছি গল সীমাই বাটৰ ফালে চাই থাকোঁতে। কিন্তু স্বাৰ্থ লুভী, মহাপাপী দ্বীলিপে সীমাৰ বুকুৰ মাজত প্ৰেমৰ কুঠাৰ মাৰি চিৰদিনৰ বাবে এৰি গল। হঁত ভাগিনী সীমাই পাগলীৰ দৰে অনাই বনাই ঘূৰি অৱশেষত জানিব পাৰিলে যে দ্বীলিপে নিজ দেশতগৈ খৃষ্টান ধৰ্মী অইন এজনী ছোৱালীক বিয়া কৰাই নতুন সংসাৰত সুখেৰে দিন অতিবাহিত কৰি আছে। এই বিৰহ বিচ্ছেদ বেদনাই সীমাৰ জীৱনক পৃথিবীৰ বুকুত শূন্যস্থান বুলি স্বীকাৰ কৰিলে।

ৰাতি প্ৰায় ১ টা। নিতোল নিস্তব্ধ কুঁৱলী ভৰা ৰাতি বাহিৰত কোনো সাৰ সুৰ নাই ' এই গভীৰ·········তাৰ মাজতো নিজকে চম্ভালিলৈ ৰাতি টোপনি নোযোৱাকৈ চকুৰ পানী বুকুৰ মাজেৰে বোৱাই দি অকলশৰীয়া জীৱনৰ বিৰহ বেদনা ভোগ কৰি আছে সীমাই। কিন্তু সীমাৰ এই দুঃখৰ ভাগ লওঁতা আছিল এই পৃথিবীৰ একমাত্ৰ বাগিছাৰ ফুলৰ ওপৰত পৰি থকা ৰাতি পুৱাৰ নিয়ঁৰৰ টোপালবোৰ। সীমাই নিজকে স্থিৰ কৰিব পৰা নাই, সকলো পাহৰিব বিচাৰে তথাপি তাইৰ দুঃখৰ সাগৰ যেন বেছি গভীৰতাত পূৰ্ণতা লাভ কৰে। ভয় ভীতি বিহ্বল সকলো অন্তৰৰ পৰা কাতি কৰি থৈ সীমাই এক নিষ্ঠা ধ্যানেৰে চাই আছে আকাশৰ পিনে। আকাশত ফুটি থকা তিৰ-বিৰিয়া তৰাবোৰে তাই দুঃখ বেদনাক দেখি ইতিকিং, প্ৰৱঞ্চনা, ঠাট্টা, নিন্দনীয় ভাব প্ৰকাশ কৰা যেন তাইৰ অনুভৱ কৰিছে। উঃ কি অপূৰ্ব মানৱ জীৱন। কি যে নিয়তিৰ লীলা। কোনে বুজিব পাৰে সীমাৰ মনৰ বেদনা। নিৰ্দ্দিষ্ট কোনো কিনাৰ কল্পনা নকৰাকৈ তাই যেন গভীৰ মহাসাগৰৰ মাজত সাঁতুৰি আছে। ভাবিছে জীৱনৰ সমুহীয়া, কামনা বাসনা ৰঙীন সপোনৰ শোকাতুৰ কল্পনাই তাইৰ অন্তৰখন বেদনা কিষ্ট আৰু কল্পনা প্ৰৱন কৰি তুলিছে। এনেকৈ ভৰপুৰ যৌৱনকাল বুকুত বান্ধিলৈ কেইবাটাও বসন্ত কাল সীমাৰ জীৱনৰ পৰা কৰুণ আৰু নিষ্ঠুৰ মন ভাবেৰে বিদায় লৈছে। সীমাই বিশাল পৃথিবীখনক আৰু এটা বালিৰ কণিকা হিচাপে দৃষ্টিকৰণ কৰিছিল। যি দৃষ্টিৰ আগত কোনো সুখ শান্তিৰ পোহৰ নাছিল। কিন্তু এই দীৰ্ঘ কাল ছোৱাত সীমাই কোনো দিন কল্পনা কৰা নাছিল যে প্ৰিয়তম দ্বীলিপে তাইক অগ্নি কাণ্ডলৈ ঠেলি দিব। চকুৰ মনি কলিজাৰ টুকুৰা হিচাপে গ্ৰহণ কৰা দ্বীলিপে সীমাক এটা অন্ধকাৰ পথলৈ ঠেলি পঠিয়াব সেইটো সীমাৰ কল্পনাৰ অতীত আছিল। এদিন দ্বীলিপে প্ৰতিশ্ৰুতি দিছিল।

দ্বীলিপে সীমাক পাবৰ বাবে সমাজ তথা ধৰ্মৰ দোহাই আগত ৰাখি সীমাক নিজৰ কৰি লৈছিল। সেই দ্বীলিপে আজি সীমাক কিয় ত্যাগ কৰিলে? নাৰী চিত্ৰৰ মায়াজালত পুৰুষ হিচাপে দ্বিলীপে যি ভূমিকা কৰিলে, এই ভূমিকা জানো সচাকৈ মানৱ জীৱন? দ্বীলিপে মানৱ

জীৱনৰ সুখ-শান্তি ক'ত বিচাৰি পালে ? যাৰ ফলত দ্বীলিপৰ বাবে সীমাৰ জীৱনলৈ নামি আহিল কলা ডাৱৰেৰে পৰিপূৰ্ণ বজ্ৰপাতৰ দৰে গৰ্জি উঠা সীমাৰ বিচলীত মানৱ জীৱন। সীমাই নিজকে প্ৰশ্ন কৰিছে পুৰুষ জাতি সঁচাকৈ নিষ্ঠুৰ প্ৰবাঞ্চক ঠগ নেকি ? সমাজত পুৰুষ বোলা চৰিত্ৰখন তেনেকুৱাই নেকি ? নিৰ্দ্দিষ্ট এটা সময়ৰ কাৰণে পুৰুষবোৰে তিৰোতাৰ মায়া জালত আবদ্ধ হৈ কাৰ্য্য সিদ্ধিৰ পাছত বিজৰিত কৰাই সিহঁতৰ ধৰ্ম নেকি ? তিৰোতাবোৰক ভৎসনা আৰু উপহাস, উপলুণ্ঠাৰ পাত্ৰ কৰি সিহঁতে জীৱনত শান্তি পাব খোজে নেকি ? যদি পুৰুষৰ অন্তৰ তেনেকুৱা কুলষিত হয় তেন্তে বিধাতাই তিৰোতাক কিয় ইমান মৰম পিয়াসী উদাৰ মনোভাৱত জন্ম দিছে ? নিতল নিৰন্তৰ নিষ্ঠুৰ পৃথিবীয়ে প্ৰেম পিয়সী নাৰী পুৰুষৰ জন্ম দি সুখৰ নিৰবোৱাই দি তাৰ মাজত ৰাখি দিছে দুখৰ সাগৰ, যি সাগৰত সাঁতুৰি কোনো নিৰ্দ্দিষ্ট সীমা ৰেখাত উপনীত হব নোৱাৰে সেয়ে হল সীমাৰ ভবিষ্যৎ জীৱন। অতীতৰ সুখৰ কাহিনী, বৰ্ত্তমানৰ দুখৰ যন্ত্ৰনাই তাইৰ ভবিষ্যৎ জীৱনত ক্ষন্তেকৰ বাবে পৃথিৱীত জীয়াই থাকি নিছাতে চকুৰ পানীৰে অভোলা মাটিক তিয়াই মাটিৰ মাধুৰ্য্যতা নষ্ট নকৰি নিজৰ জীৱনক শূন্য স্থানলৈ পঠিয়াই দিয়াৰ প্ৰয়াস কৰিলে। অন্তৰত প্ৰৱল ধুমুহাই ভুমুকি মাৰিছে, সেয়ে সীমাৰ মূৰ্ত্তি দানৱীয় ৰূপ ধাৰণ কৰিছে। সীমাই আজি অনুতপ্ত, সংসাৰত মানৱ ৰূপে জন্ম গ্ৰহণ কৰি তাই আজি মানৱীয় আত্মাৰ পৰিচয় দিব নোৱাৰিলে। মাথোন জগৰীয়া কৰিলে সেই ক্ষুধাতু, পিপাসু অসুৰ দ্বীলিপে। ইহ জগতত সীমাৰ আৰু আপোন বোলা কোনো নাই। তাই যাক নিজৰ আত্মা বুলি ভাবিছিল সেই দ্বীলিপে তাইক ভৰিৰে ঠেলি দিলে পাঙ্কল পথলৈ, যি সীমাই এদিন প্ৰিয়তম দ্বীলিপক ভাল পাইছিল হিয়া উজাৰি দি তাইৰ ভালপোৱা আছিল পবিত্ৰ আৰু হিমালয়ৰ সদৃশ্য অলৰ অচল। কিন্তু প্ৰকৃতিৰ চাউনিত পৰি সীমাই আজি অন্তৰৰ অন্তস্থলত সোমাই লোৱা মানুহ জনককো বিতাৰিত কৰিব পাৰিছে। পৃথিবীত এনে কোনো কেন্দ্ৰস্থল নাই যে যিটোৰ কাৰণে আজি সীমাই থাকিব পাৰে। এই পৃথিবীত তাইৰ প্ৰয়োজন নাই বুলি তাই বুজিব পাৰিলে। এনেতে টং টংকৈ বাজি উঠিল ৰাতি তিনি বজাৰ ঘণ্টা। সীমাই ভাবিলে যে নীৰৱ পৃথিবী এতিয়াই জাগৰিত হৈ উঠিব। দয়া মায়াহীন মানৱে এতিয়াই পৃথিবীত বিচৰণ কৰিব। কিন্তু তেনেকুৱা পৃথিবীৰ ৰূপ লাবন্য তাই সহ্য কৰিব নোৱাৰিলে। সেয়ে তাই কঁকালত বগা কাপোৰ বান্ধি লৈ ওলাই পৰিল বলিয়া মনেৰে। চৰাই-চিৰকতি সাৰ নোপোৱাকৈ সূৰ্য্যৰ অভাই নৱদিনৰ আগ জাননী দিয়াৰ আগতে তাই এই নিষ্ঠুৰ পৃথিবীক ত্যাগ কৰিবলৈ থিয় দিলেগৈ মহাবাহু লুইতৰ পাৰত। সীমাই কাতৰ সুৰেৰে মিনতি কৰি ক'লে মা লুইত, তোমাৰ এই হত ভাগা সন্তানক এপাহি



আশ্ৰয় দিয়া কান্দি কান্দি চকুৰ পানী লুইত বোৱাই দি মহাবাহু লুইতক সম্বোধন কৰিছে, তুমি মাতৃ, তুমি ধাতৃ, তুমি স্বৰ্গদাপী গৰিয়সী নিৰ্মল পানীৰ কুল কুল সোঁতৰ মাজত বিলাই দিলে তাইৰ কুলষিত দেহ। লগে লগে মাতৃ ৰূপী লুইতে তাৰ অবিৰল সোঁতৰ মাজত সীমাক তুলি নি কোনোবা অজানিত ঠাইলৈ গতি কৰিলে।

# মৰম

ছামছুল ইছলাম
উঃ মাঃ ২য় বৰ্ষ।

"বাঃ কি ধুনীয়া সকাম"। অঁ কেনে আছো! কি হ'ল, ঘৰ কত? চিনি পাওঁ পাওঁ যেন লাগে। অঁ পাইছো পাইছো, মোৰ সেই সৰু ভাইটি আৰু ভণ্টি॥

"তাহানি দিনৰ কথা"।

★ ★ ★ ★ ★ ★ ★ ★ ★

সৰু গাওঁ এখনত এজন পগলা মানুহে বাস কৰিছিল। তেওঁৰ হেনো এটা ল'ৰা আৰু এজনী ছোৱালী আছিল। ল'ৰাটোৰ নাম বিদ্ৰূপ আৰু ছোৱালীজনীৰ নাম অৰূপ আছিল। পগলাৰ এজনী ৰূলা ভনীয়েক আছিল তাইৰ মাত্ৰ এটা ল'ৰা নাম তদ্ৰূপ আছিল। তদ্ৰূপ অলপ ডাঙৰ হোৱাত মাকৰ মৃত্যু হয়। গতিকে তেওঁ পগলাৰ ওচৰত থাকিবলৈ ললে। গাওঁখনত এবাৰ এটা ডাঙৰ দুৰ্ভিক্ষই দেখা দিলে। সেই সময়ত দাস প্ৰথাৰ প্ৰচলন আছিল। কিছুমান মাকে নিজৰ সন্তানক বিক্ৰী কৰি জীৱিকা আৰ্জিছিল। পগলাৰ পৰিয়ালৰ মানুহবোৰে লঘনে থাকিব লগীয়া হোৱাত পগলা বৰ চিন্তিত হ'ল। বিদ্ৰূপ, অৰূপ আৰু তদ্ৰূপে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে পেটৰ ভোকত। পগলা এটা উপায় চিন্তা কৰি উলিয়ালে। তদ্ৰূপক বিক্ৰি কৰা। তদ্ৰূপক বিক্ৰী কৰিবলৈ

বজাৰলৈ লৈ গ'ল। বজাৰলৈ যাওঁতে তদ্রূপে তেওঁৰ মোমায়েকক বাটতে কৈছিল যে মোক বিক্ৰী কৰাৰ পিছত পাৰিলে যেন এবাৰ ক্ৰীত দাসৰ পৰা উদ্ধাৰ কৰে। বজাৰত যোৱাৰ পিছত এজন সদাগৰ বণিকে আহি তদ্রূপক কিনিবলৈ ইচ্ছা কৰিলে। তেতিয়া পগলাজনে কলে হে ভাই এওঁ এজন মাউৰা ল'ৰা আজি পৰিয়ালক বচাবৰ কাৰণে এওঁক বিক্ৰী কৰিবলৈ আনিছো। সি যি কি নহওঁক আপুনি ইয়াক কিনাৰ আগতে মই আপোনাক এটা কথা কম, সেইটো হ'ল আপুনি এতিয়া মোক যিমান টকা দিব এই টকাখিনি পিছত ওভোটাই দিলে, আপুনি ইয়াক ক্ৰীত দাসৰ পৰা মুক্তি দিব। এই কথাত বণিকজন মান্তি হ'ল। পগলাই তদ্রূপক মানুহজনৰ লগত দি দিলে আৰু কলে হে মোৰ মাউৰা ভাগিন আজিৰ পৰা মোক পাহৰি এই বণিক জনক নিজৰ মোমায়েক বুলি ধৰি লবি। এই কথা কোৱা মাত্ৰকে তদ্রূপে চকুলো টুকি কান্দি কান্দি কবলৈ ধৰিলে 'হে ঈশ্বৰ'! আজি মোক এই বহল পৃথিৱীত কেলেই ৰাখিছা এই বহল পৃথিৱীত মই কাকো চকুৰে নেদেখা হৈছোঁ। মোৰ জন্মৰ কিছুদিন পিছত দেউতাৰা এদিন ৰাতি বাটেৰে আহি আছিল হঠাৎ ধুমুহা বতাহৰ সৃষ্টি হোৱাত দেউতাক ধুমুহাই উটুৱাই কলৈকে বা লৈ গ'ল নে দেউতাকৰ মৃত্যু হ'ল কোনেও কব নোৱাৰে। তাৰ কিছুদিন পিছত মোৰ মৰমৰ মাকৰ মৃত্যু হয়। আজি মই এই পৃথিৱীৰ দুখীয়া। এইবিলাক কথা শুনি বণিকজনৰ মনত বৰকৈ তদ্রূপৰ প্ৰতি পুতৌ জন্মিল। বণিকজনে পগলাক টকা দি বিদায় দিলে আৰু তাৰ আগতে তেওঁ কলে হে পগলা ভাই তোমাৰ ভাগিনক তুমি এদিন নহয় এদিন ওভোতাই পাবা। পগলা ঘৰলৈ গুচি আহিল। মূৰত হাত দি কান্দি কান্দি কবলৈ ধৰিলে হায় মই মোৰ ভাগিন মাউৰা তদ্রূপক আজি বিক্ৰী নকৰিলো হয় কিন্তু উস কি কৰিম পেটৰ ভোগত, প্ৰলোভনৰ তাৰনাত আজি বিক্ৰি কৰি খাবলগীয়া হ'ল। উস্ এনে বিপদত কোনে ৰক্ষা কৰে কোনে ৰক্ষা কৰে। হায় তদ্রূপ হায়...... । কিন্তু দুৰ্ভিক্ষ নুগুচে, দুৰ্ভিক্ষ! সকলো সময়ত পগলাৰ গান তদ্রূপক খালো হায় তদ্রূপক খালো। কিছুদিন পিছত দুৰ্ভিক্ষ গুচিল, সকলোৰে ঘৰত খোৱা বস্তু প্ৰচুৰ পৰিমাণে আহিল। পগলাও দুখৰ পৰা অলপ অৱসান পালে। কিন্তু তেওঁৰ একমাত্ৰ উদ্দেশ্য হ'ল তদ্রূপক উদ্ধাৰ কৰা। পগলা ঘৰত তদ্রূপক বেচাৰ টকাখিনিৰ সমান টকা হৈছে আৰু বোধকৰো কেইদিন মান পিছতে তদ্রূপক উদ্ধাৰ কৰিব। এনেতে এদিন ৰাতি নিষ্ঠুৰ চোৰে আহি সেই টকাখিনিক চুৰি কৰি লৈ গ'ল। তাতে পগলাৰ মনত ইমান দুখ পালে যে যিটো ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি।

বাঃ সকাম আহি পালে। সেই গাওঁত এজন হাকিমৰ ছোৱালীৰ বিয়া পাতিছে। হাকিমৰ ঘৰত বহুত মানুহক বিয়াত মাতিছে তাৰে ভিতৰত এজন বণিক আছিল তেওঁৰ লগত তদ্রূপো আহিছিল। বাহিৰৰ দুৱাৰখনৰ ওচৰত বহুত ল'ৰা ছোৱালীয়ে আনন্দতে খেলি আছিল তাৰে মাজত আছিল বিৰূপ আৰু অৰূপ। দূৰৰ পৰা তদ্রূপে সিহঁতক দেখিছিল আৰু



ভালকৈ চিনি পোৱা নাছিল। ওচৰত আহি সুধিছিল তেতিয়া বিৰূপ আৰু অৰূপে কৈছিল "আমি" এই মাত দিওঁতে নিদিওঁতেই তদ্রূপে কৈছিল অঁ বুজিছো তোমালোকৰ গলৰ স্বৰ শুনি তোমালোক মোৰ সেই সৰু দুখীয়া ভাইটি আৰু ভন্টি। তিনিওজনৰ মাজত চিনাকী হৈ আনন্দতে হাতত ধৰা ধৰি কৰি ভিতৰলৈ গ'ল। এই ভাই-ভনীৰ মাজত এনেকুৱা মিলা প্ৰীতিৰ ভাব চাই বণিকজনে পগলাক ভিতৰৰ পৰা মাতি আনি পইচা নোলোৱাকৈ সিহঁত ভাই-ভনী তিনিজন আৰু পগলাৰ মাজত মিলন কৰাই দিলে। এই আনন্দ চাই পগলা স্থিৰ হৈ থাকিব নোৱাৰি সকলোৰে পৰা চিৰদিনৰ কাৰণে বিদায় ললে। সিহঁতৰ পৰস্পৰে পৰস্পৰৰ মাজত মিলন হোৱাৰ এক মাত্ৰ কাৰণ হ'ল মৰম মৰম ॥

যি সকলে স্বাধীনতাক ভাল পাওঁ বুলি কয় অথচ আন্দোলন বা বিক্ষোভৰ বিৰোধিতা কৰে তেওঁলোক হ'ল বিজুলী ঢেৰেকনী নোহোৱাকৈ বৰষুণ বিচৰা লোক।

**ডগলাছ**

# দিঠক

মহঃ মেহবুব ৰহমান সৰকাৰ
উঃ মাঃ ২য় বৰ্ষ

গভীৰ নিশা। চাৰিওফালে গহীন অন্ধকাৰ। বিজুলী লাইটবোৰ নুমাই গৈছে। মাজে- মাজে ফেঁচাই কুৰুলিয়াই গহীন নিশাৰ সংকেত দি আছে। নিলগতে শিয়ালৰ হোৱা-হোৱা শব্দ শুনি কুকুৰবোৰে গৃহস্থ্যৰ ঘৰৰ পৰাই ভুকি আছে।

হঠতে ৰাতি ২ বজাৰ শুব্দ শনা গ'ল। ওচৰতে থকা কাৰখানাটোত ২ বজাৰ সংকেত হিচাপে দিয়া ঘণ্টাৰ শব্দ। এনে এটা পৰিবেশত নিশাচৰ প্ৰানীৰ বাহিৰে বাকী সকলোৱে অচেতন ধৰনীৰ কোলাত নিজকে হেৰুৱাই পেলাইছে।

কিন্তু মদনৰ চকুত টোপনি নাই। লেম্পৰ টিমিক টামাক পোহৰত তেওঁৰ চকুজুৰি জল জল পট পট কৈ জ্বলি আছে। টোপনি বোলা বস্তুটো তেওঁৰ চকুত নাই। তেওঁ গোটেই ৰাতিটো এনেকৈ উজাগৰে কটাই দিলে, দুখত, খংত। তেওঁৰ ৰুমমেট ৰঞ্জিত গভীৰ টোপনিত ডুব গৈ আছে, ভাগৰত, আনন্দত। তেওঁ মদনলৈ সিদিনা মনে দিয়া নাই।

মদনঃ—

মদন এজন ডিব্ৰুগড় মেডিকেল কলেজ হোষ্টেলত থকা ছাত্ৰ। তেওঁ অসমৰ গোৱালপাৰা জিলাৰ এজন শিক্ষকৰ লৰা। তেওঁ ১৯৮৮ ইং চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰি মাক দেউতাকৰ আৰু তেওঁৰ আশামতে গুৱাহাটী কটন কলেজত ভৰ্ত্তি হৈছিল। তেওঁ সেইখন কলেজৰ পৰা উচ্চতৰ মাধ্যামিক.পৰীক্ষাতো ভালভাৱে পাছ কৰি এতিয়া ডিব্ৰুগড় চিকিৎসা মহাবিদ্যায়য়ত ভৰ্ত্তি হৈছে। তেওঁ বৰ্তমানে এইখন কলেজৰ হোষ্টেলত থাকে।

ৰুম্‌মেট ৰঞ্জিতৰ লগত মদনৰ ভাল বন্ধুত্ব গঢ়ি উঠিছিল। ৰঞ্জিতো এজন কৃতি ছাত্ৰ। তাৰ ঘৰ শিৱসাগৰত। এজন উচ্চ-পদস্থ বিষয়াৰ লৰা হলেও, সিমান গৌৰৱ নাই।

আজি মদনৰ মনটো ভাঙি গৈছে। সি মনৰ দুখতে ঘৰলৈ যাব পাৰা নাই। তাৰ মনত সদায় এটাই চিন্তা যে তাৰ জীৱনত এইবোৰ কি ঘটিল। এনেকৈ ভাবি থকোঁতেই ৰাতি পুৱাল।

পিছদিনা দেওবাৰ। সকলোৱে হোষ্টলতে আছে। সেইদিনা কোনোৱাই কাপোৰ ধুইছে, কোনোৱাই গান শুনিছে, কোনোৱাই পঢ়ি আছে। আৰু কোনোৱাই চিনেমালৈ যাবৰ



যোজা কৰিছে, কিন্তু এনেকুৱা এটা পৰিস্থিতিত মদনে তাৰ ৰুমৰ বাহিৰ ফালে থকা খিৰিকি খনেৰে বাহিৰলৈ চাই আছে, গম্ভীৰ মনেৰে আত্ম হাৰা ভাবে।

এনেতে পিছৰ পৰা ৰঞ্জিতে মাত লগালে- "হেৰ মদন এইফালে আহা। কেৰম খেলোঁ।"

কেৰম খেলাৰ কথা শুনি মদনে চক খাই উঠিল আৰু তেতিয়া তাৰ মনত অতীতৰ স্মৃতি বেছিকৈ জাগি উঠিল।

মদনে উত্তৰ নিদিয়াৰ বাবে ৰঞ্জিতে আকৌ কৈ উঠিল— "অ' মদন আহানা অলপ সময় খেলিম। মই ঠিক ঠাক কৰিছো। এতিয়া আহি থিয় হলে হ'ল"।

তেতিয়াহে মদনে কলে —"নাই, মই নেখেলোঁ। তুমি বেলেগ কাৰোবাৰ লগত খেলাগৈ। মই নেখেলিম।

"এ- ই- ই মদন আজি তোৰ দাম বঢ়িল নেকি? নেখেলিবা নে? যদি আজি নেখেলা তেন্তে মই আজিয়ে তোমাৰ ৰুম এৰি জীতুদাৰ ৰুমত বিছনা পাতিম।" —ৰঞ্জিতে ভেকাহি মাৰি কলে।

"শুনা ৰঞ্জিত, মোৰ গাটো বেয়া লাগি আছে।" মদনে নম্ৰ সুৰত কলে।

"তোৰ কি হৈছেহে? জ্বৰ আহিছে নেকি চাওঁ?" ৰঞ্জিতে কলে।

"আচলতে জ্বৰ নহয়, কথাটো হ'ল আজি মোৰ মোনটো ভাল লগা নাই।" মদনে কলে।

"অৱশ্যে মইও লক্ষ্য কৰিছো যে তুমি অকল মন মাৰি থকা, কিন্তু কিয়? প্লীজ কোৱা।" মদনক ৰঞ্জিতে কাকুতি কৰি কলে।

"শুনিব নালাগে, ৰঞ্জিত। মদনে বাধা দি কলে।

"মদন তোমাৰ দুখ দেখিলে মোক খুব বেয়া লাগে বুজিছা। যিহেতু মই তোমাৰ বন্ধু গতিকে তোমাৰ দুখেই মোৰ দুখ, মোৰ সুখেই তোমাৰ সুখ। তুমি মোক কোৱা যাতে মইও তোমাৰ দুখৰ ভাগী হ'ব পাৰো।" ৰঞ্জিতে সহানুভূতি দেখুৱাই কলে।

"আচলতে তুমি মোক ইমান ভাল পোৱানে? মদনে কলে। "হয় মদন, বিলিভ মি, মই ঠিকেই কৈছোঁ।" ৰঞ্জিতে কলে। "শুনিব খুজিছা যেতিয়া" শুনা এই বুলিকৈ মদনে আৰম্ভ কৰিলে।—"ৰঞ্জিত, মই আজি মোৰ এক গোপন অধ্যায় প্ৰথমবাৰৰ বাবে মোৰ ক্লাচ মেট তথা ৰুমমেটৰ আগত কবলৈ ওলাইছো।

"তোমাৰ আকৌ গোপন কথা; তোমাৰ নিচিনা এজন লৰাৰ গোপন কথা থকাটো মই কেতিয়াও ভাবা নাছিলো।" ৰঞ্জিতে আচৰিত হৈ কলে।

"গৰীব-ধনী, ভাল-বেয়া, সকলোৰে গোপন কথা থকাটো স্বাভাবিক" মদনে এনেকৈ কৈ আকৌ আৰম্ভ কৰিলে —

কেই বছৰমান আগৰ কথা। মই যেতিয়া হাইস্কুলৰ ছাত্ৰ আছিলো, তেতিয়া মই লৰা ছোৱালীৰ মাজৰ সম্পৰ্কৰ কথা বুজা নাছিলো। মই তেতিয়া মোৰ ক্লাচমেট নীনাৰ লগত একেলগে টিউস্যন পঢ়িছিলো। ছাৱেও আমাক খুব ভাল পাইছিল। নীনা দেখাত বৰ ধুনীয়া আৰু অজলা আছিল। পুলিচ অধীক্ষকৰ একমাত্ৰ ছোৱালী তাই এতিয়া গোৱালপাৰা কলেজতে

পঢ়ি আছে। তাইৰ পঢ়া শুনা মোটামুটি ভালেই আছিল, বেয়া নহয়।

নীনা আৰু মই বেছি বন্ধু আছিলোঁ। বেড-মিন্টন, দবা কেৰম আৰু কাজিয়াৰ বন্ধু। তাই মনে মনে মোক ভাল পাইছিল। তাই যেন মোক তাইৰ ভৱিষ্যৎ জীৱনৰ একমাত্ৰ সহাঁৰি বুলি ধৰি লৈছিল। কিন্তু এই কথা বহুদিন প্ৰকাশ কৰা নাছিল। আমি যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰো, তেতিয়াহে নীনাই এই কথাটো প্ৰকাশ কৰি দিয়ে। তেতিয়া মই তাইক অলপ বেয়াই পাইছিলো; কিন্তু পিছত তাইৰ ভালপোৱাত ময়ো সহাঁৰি দিলোঁ। সাহঁৰি পাই খুব আনন্দ পাইছিল। তেতিয়াৰ পৰা আমাৰ আৰম্ভ হল চিঠিৰে কথা বতৰা।. এনেকৈ কালৰ চক্ৰত দিনবোৰ বাগৰি গৈ থাকিল।

মই গুৱাহাটী কটন কলেজত ভৰ্ত্তি হৈ তালৈ গুচি আহিলো, কিন্তু আজীৱনৰ কাৰনে নহয়। কটন কলেজ হোষ্টেলত থকা অৱস্থাত আমাৰ মাজত বেছ চিঠিৰ আদান প্ৰদান হৈছিল। এনেকৈ মাত্ৰ 'এবছৰ চলিল। এবছৰ পিছত মোৰ আশাৰ পতুম পাহি জাপ গ'ল। মই যেতিয়া উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা দ্বিতয় বৰ্ষলৈ উত্তীৰ্ণ হওঁ, তাৰ দুমাহ মান পিছৰ পৰা চিঠি অহা বন্ধ হ'ল। মই চিঠি দিও কিন্তু উত্তৰ নাপাওঁ। মই ভাবিলোঁ নীনাই মোক পাহৰি গল নেকি? নহলেতো চিঠি নিদিয়াৰ কোনো কাৰণ থাকিব নোৱাৰে।

কিছুদিনৰ পিছত মই ঘৰলৈ গলো ফুৰিবলৈ, মনত শঁত অনিবলৈ। ঘৰত গৈ এদিনমান পিছত ওলালো, নীনাক লগ ধৰিম বুলি আবেগত আনন্দত।

নীনা, তুমি দোখান এতিয়া চিঠি নিদিয়া কিয়? মই কলো। 'নাই এনেয়ে নিদিওঁ। নীনাই কলে।

'কিবাতো কাৰণ থাকিব লাগিব'— মই সুধিলো।

'নাই কোনো কাৰণ নাই। এজনৰ লগত সদায় প্ৰেম কৰি ভাল নালাগে। নীনাই কলে।

কথাটো শুনি মোৰ মূৰত আকাশী সৰগ ভগি পৰা যেন লাগিল। একো নকৈ মই ঘৰলৈ উভতি গলো। ঘৰলৈ গৈ এখন চিঠি লিখি তাত মোৰ অৱস্থাৰ বিষয়ে সকলো প্ৰকাশ কৰি দিলো। ভাবিলো হয়তো চিঠিখন পঢ়ি তাই সংশোধন হ'ব।

ইফালে মোক দিবৰ কাৰণে নীনাও এখন চিঠি লিখিছে আনন্দত উৎসাহত।

পিছদিনা নীনাই দেখা কৰি তাই লিখা চিঠিখন মোলৈ আগবঢ়াই দিলে। মই চিঠিখন লৈ মোৰখন দিব খুজিলো তেতিয়া তাই বাধা দি কলে— মোৰখন ভালকৈ পঢ়িলে বুজি পাবা আৰু তেতিয়াহে মোক দিবা আৰু কিবা ভুলক্ৰুটি হলে ক্ষমা কৰিবা?

মই মনতে—'এই নীনাই আজি প্ৰথমবাৰৰ কাৰণে এনে কথা ক'লে।' কিন্তু কিয় কলে বুজিব নোৱাৰি ঘৰলৈ ঘূৰি আহিলো। ঘৰলৈ আহি বিষন্ন মনেৰে ৰুমত সোমাই চিঠিখন খুলি পঢ়িবলৈ ধৰিলোঁ—



'মদন,

প্ৰথমতে মৰম লবা। তাৰ পিছত কথা হল তুমি ভালকৈ পঢ়াশুনা কৰিবা। আগতে যি হৈছে; সেইবোৰ কথা বাদ দিয়া। মই তোমাৰ মৰম পাইছিলোঁ, তাৰ কাৰণে মই তোমাৰ ওচৰত ঋণী। এতিয়া তুমি মোলৈ মৰম যাচিবলৈ চেষ্টা নকৰিবা। জীতু দা বেয়া পাব। এতিয়া মই তেওঁক ভাল পাওঁ। S.D.C. ৰ লৰা জীতুক বোধ হয় চিনি পোৱা ঘৰ আমাৰ ইয়াতে। তেওঁ এতিয়া ডিব্ৰুগড় মেডিকেল কলেজত পঢ়ি আছে। এইবাৰ ভৰ্ত্তী হৈছে। বৰ ভাল লৰা। আচলতে ধনী মানুহৰ লৰা ছোৱালী বিলাক ভালেই হয়, নহয়নে? বেয়া নাপাবা। ইতি— নীনা।'

চিঠিখন পঢ়ি এনেকুৱা অনুভৱ হ'ল যেন মোৰ মূৰত বজ্ৰঘাত লাগি গ'ল। তেতিয়া মই নিজকে নিজে বিশ্বাস নকৰা হৈ পৰিলোঁ।''

হেৰ ৰঞ্জিত, দুখীয়া মানুহৰ ব্যৱহাৰ বৰ বেয়া নেকি? এনেকৈ কথাৰ মাজতে মদনে ৰঞ্জিতক সুধিলে।

নাই নহয়, ধন-সম্পত্তি আৰু ব্যবহাৰ বস্তু দুটা সম্পূৰ্ণ পৃথক। আনকি ধনেই মানুহৰ ব্যৱহাৰ নষ্ট কৰে। ৰঞ্জিতে কলে।

মদনে আকৌ আৰম্ভ কৰিলে—

"কিছুদিন পিছত মই গুৱাহাটীলৈ আহিলোঁ। দিনবোৰ চাওঁতে চাওঁতে পাৰ হৈ গৈ পৰীক্ষাৰ সন্মুখীন হ'ল। পৰীক্ষা দি ঘৰলৈ আহিলোঁ। এদিনাখন মই নীনাৰ লগত দেখা কৰিব খুজিছিলোঁ কিন্তু তাই মোৰ লগত দেখা নকৰিলে। কিছুদিনৰ পাছত পৰীক্ষাৰ ফলা-ফল পালোঁ যে মই প্ৰথম বিভাগত উৰ্ত্তীণ হৈছোঁ। তেতিয়া মই এইখন মহাবিদ্যালয়ত ভৰ্ত্তি হলোঁ।

"মই ইয়ালৈ আহিয়ে এইখন হোষ্টেলতে সেই জিতুক লগ পালো।"

"কোন জীতু সেই নীনাৰ জীতু, নেকি?" ৰঞ্জিতে মাজৰ পৰা সুধিলে।

"হয়, সেই জীতু, তুমি যাৰ ৰুমত যাব খুজিছা, সেই জীতুই নীনাৰ জীতু।" মদনে উত্তৰ দিলে।

"জীতু দাই, আমি একে ঠাইৰ লৰা হিচাপে কথা বতৰা পাতে। মোৰ ইচ্ছা নাছিল তাৰ লগত থাকিবৰ। কিন্তু কলেজ কৰ্তৃপক্ষই মোক এই হোষ্টেলতে ৰাখিলে।

এনেকৈ একেখন হোষ্টেলতে থাকোঁতে, সেইদিনাখন (যোৱাকালি) গিয়নে হোষ্টেল মনিটৰক দি যোৱা চিঠি এখন মনিটৰে মোৰ হতুৱাই জীতুক দিয়ালে। মোৰ ইচ্ছা নাছিল, কিন্তু আমিয়েই জুনিয়ৰ লৰা. ছিনিয়ৰৰ কথা শুনিব লাগে, তাতে আকৌ মনিটৰৰ আদেশ।

মই অতি আগ্ৰহেৰে চিঠিখন পঠাওঁতাৰ নামটো চালোঁ। সেই চিঠিত দেখোঁ যে নীনাৰ ঠিকনা। লিখা খিনি পঢ়ি চাই এনে লাগিল যেন মোৰ মূৰটো নাই, কিবা এটা হৈ গৈছে। অলপ পিছত তত আহিলত লৰা-লৰিকৈ গৈ চিঠিখন পৌঁছাই দি ৰুমত আহি বিছনাতে শুই পৰিলোঁ আৰু ভাবিবলৈ ধৰিলোঁ যে 'মই ভাল-পোৱা নীনাৰ প্ৰেম-পত্ৰ জীতুক মোৰ নিজ হাতে দিব লগা হ'ল।' নীনা আৰু জীতুই মোক তেওঁলোকৰ personal পিয়ন পাইছে নেকি?

এনেকুৱা ঘটনাৰ সন্মুখীন হ'ম বুলি মই কেতিয়াও ভবা নাই। মই এতিয়া এইটোৱে ভাবোঁ যে অকল নীনাই এনেকুৱা গুণৰ অধিকাৰী নে ই ছোৱালী জাতিৰ গুণ? আজি নীনাই মোক এনেকুৱা কৰিলে কিয়?"

কোৱা শেষ কৰাৰ লগে লগে মদনৰ দুচকুৰেদি দুধাৰি চকুলো ওলাই আহিল।

ইয়াকে দেখি ৰঞ্জিতে কৈ উঠিল—'নাই নাকান্দিবা। ধৈৰ্য্য ধৰা, সকলো ঠিক ঠাক হৈ যাব। এই নীনাই এদিন বুজিব যে তাই কি ভুলটো কৰিছে। এইটো তাইৰ ডাঙৰ ভুল। ঈশ্বৰে তাইক কেতিয়াও ক্ষমা নকৰে। মই জীতুক জানো; নীনাকলৈ চাৰিটা হ'ল।"

"মই আজিয়েহে বুজিলোঁ যে পৃথিবীখন কিমান জটিল। মই ভবা মতে সিমান সৰল নহয়। কিন্তু এনে নহয় যে, মই নীনাক অভিশাপ দিম। মই সদায় তাইৰ ভবিষ্যত যাতে সুখৰ হয় আৰু জীতুক যাতে মোৰ দৰে হুতভাগা নকৰে তাৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিম। মই যিটো আশা কৰিছিলো, সেইটো আজি 'দিঠক'ত পৰিণত হ'ল। মোৰ আজি এনেকুৱা অৱস্থাৰ কাৰণে দায়ী কোন—নীনা জীতু নে ছোৱালী জাতিটো?"

এনেকৈ কৈ কান্দি কান্দি মদনে ৰঞ্জিতক সাৱটি ধৰিলে।

★❁❁❁★

# অপৰাধী

আফৰুজা বেগম
বি, এছ, ছি, ১ম বৰ্ষ।

মই এজন চৰকাৰী কৰ্মৰতা মানুহ। মোৰ নাম বিজয়। আজি বহুত দিনৰ মূৰত অতীতৰ ঘটনাবোৰ এটা এটাকৈ মনত ভাঁহি উঠিছে। সময়ৰ সোঁতত সকলোখিনি উটি গল। কিন্তু এতিয়াহে বুজি পালো প্ৰকৃত ভুল কত? এই ভুলৰ জানো কিবা সংশোধন আছে? কোনে কব?

যোৱা ৩/১/৯২ তাৰিখে হঠাৎ এখন চিঠি পালো পদুমীগাওঁ নিবাসী ৰশ্মিৰ পৰা। ৰশ্মি নামৰ এই ছোৱালীজনীয়ে মোৰ জীৱনটো সূৰ্য্যৰ প্ৰথম কিৰণৰ দৰে উজ্জ্বল কৰি দিছিল। তাই মোক মাথো ভালপোৱাই নাছিল, পৱিত্ৰ হৃদয়েৰে মোৰ পূজাও কৰিছিল। কিন্তু বিনিময়ত মই কি দিলো? মাথোন আঘাত দি ফুলৰ দৰে পৱিত্ৰ হৃদয়খনি ভাঙি টুকুৰা টুকুৰ কৰি পেলালো। এয়াই জানো পৱিত্ৰ প্ৰেম ৰ প্ৰতিদান? এয়াই জানো প্ৰেম?

তাই বৰ করুণ আবেগেৰে চিঠিখন লিখিছিল। থেৰা বেৰা আখৰেৰে মোক আহ্বান কৰিছিল তাইৰ ওচৰত খন্তেক থাকি চকু জুৰ পেলাবলৈ। তাই লিখিছিল—

প্ৰিয়তম,

দোষমুক্ত হৈয়ো সকলো দোষ নিজৰ ওপৰত লোৱা আপোনাৰ সহজ সৰল মনটো সদায় মনত পৰি থাকে, হয়তো কিবা এক অজানিত আকৰ্ষণত। আপোনাক অপমান কৰি, আপোনাক প্ৰিয়তম কোৱাৰ অধিকাৰ মই নিজেই হেৰাইছো। আজি মই অনুতপ্ত জুইত দগ্ধ হৈ পৰিছো। মই আজি অকণো শান্তি পোৱা নাই। চিঠিখন পোৱা মাত্ৰেই আপুনি তৎক্ষণাৎ আহিব। মোৰ দেহৰ বাবে নহয়, মোৰ আত্মাৰ শান্তিৰ বাবেহে ' মোৰ অন্তিম অনুৰোধ ৰাখক।

আপোনাৰ —
ৰশ্মি

চিঠি পঢ়ি তাইৰ কাতৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি, সেই নিশাই গাড়ীত উঠি সিহঁতৰ ঘৰ পালো গৈ। গৈ দেখো ঘৰখন মানুহৰে ভৰি আছে। মাকে তাইৰ মূৰত পানী ঢালি আছে। মাকে কলে, "কি কম বোপা, ৰশ্মিয়ে ১০/১২ দিনৰ পৰা তোমাক মাতিবলৈ কয়। কিন্তু আমি মন দিয়া নাছিলো। পিছত তাইৰ কাতৰ অনুৰোধত ৰাজুৱে লেফাফা এটা আনি দিলত তোমালৈ কিবা লিখি দিছিল।

কাকো দেখুৱা নাই। তাৰ ২/৩ দিন পিছৰ পৰাই কেৱল তোমাক মাতে, তোমাক লাগে আৰু কয় "স্বামী মোক ক্ষমা কৰক" মই তেতিয়া কওঁ তোক দেখোন বিয়া দিয়া নাই, তোৰ স্বামী ক'ত, ৰশ্মিয়ে কয় "মোৰ দেহৰ নহলেও, মোৰ আত্মাৰ স্বামী আছে।" সেই কথা শুনি আমি আটায়ে হতবম্ব হৈ পৰিছিলো। তাই অনবৰত বকি থাকে। জ্বৰ প্ৰৱল বাঢ়িছে।" মই ব্যাকুল হৈ তাইৰ ওচৰলৈ গলো, মাত লগালো—"ৰশ্মি"। তাই হঠাতে চকু মেলি চাই কলে "আপুনি"। তাইৰ দুচকুৰে নিজৰাৰ দৰে পানী বৰলৈ ধৰিলে। নিজকে স্থিৰে ৰাখিব নোৱাৰিলো" মই নিজৰ ৰুমালেৰে তাইৰ চকুলো মচি দিলো। হঠাৎ তাই ৰুমাল-খন লৈ কলে—"এইখন ৰাখি দিব মোৰ মৃতি-চিহ্ন হিচাপে।" তেতিয়াহে মোৰ মনত পৰিল যে ৰুমালখন তাইয়ে মোক উপহাৰ দিছিল। তাই শুকাই ক্ষীণাই গৈছিল, জিভাখন কলা পৰিছিল। তাইক দেখি মোৰ নিজৰে কান্দোন ওলাইছিল। তাই নিস্পলক নেত্ৰেৰে মোৰ পিনে চাই আছিল। হঠাতে মোৰ হাতত ধৰি কৈ উঠিল—"মোক ক্ষমা কৰক। ভিনিদেউৰ কথা শুনি মই আপোনাক অপমান কৰিছিলো। কিন্তু আপোনাৰ প্ৰতি মোৰ ভাল পোৱা চিৰ-দিন অটল হৈ ৰব। মোৰ প্ৰেম ৰাতিপুৱাৰ কুঁৱলীৰ দৰে সিন্ধ, নিৰ্মল আৰু পৱিত্ৰ।" এইদৰে কৈ তাই হুকহুকাই কান্দি পেলালে। মই নিথৰ হৈ পৰিলো।

মই তাইক অলপ পথ্য খুৱাই, গোটেই ৰাতি তাইৰ ওচৰত বহি থাকিলো। সকলো মানুহে নিজ নিজ ঘৰলৈ গুচি গল। ঘৰৰ সকলোৱে মোৰ কথামতে শুলে। ৰোগীয়ে অস্থিৰ হাতেৰে মোক স্পৰ্শ কৰি আছিল। তাই পানী খাব বিচৰাত মই তাইক পানী খাবলৈ দিলো। তাই আকৌ সুধিলে "এতিয়া কওঁক আপুনি মোক ক্ষমা কৰিছে।" মই কলো "তোমাৰ কোনো দোষ নাই, কিহৰ বাবে তোমাক ক্ষমা কৰিম।" কিন্তু তাইৰ একে কথা। শেষত মই কলো "মই তোমাক ক্ষমা কৰিলো।" এই কথা শুনি তাই ক্ষীন হাঁহি এটা মাৰি মোৰ কোলাত মূৰটো থৈ কলে, "এই পৃথিবীত মোৰ দৰে সুখী কোনেও নাই, কিয়নো আজি এই অন্তিম ক্ষণত মই মোৰ প্ৰেমিকৰ কোলাত শুই আছো। আজি মই শন্তিৰে মৰিব পাৰিম।" এই বুলি কৈ তাই চিৰদিনৰ কাৰনে চকু মুদিলে। মোৰ চকুৰে মাথোন দুধাৰি লোতক বৈ আহিল। ৰাতিপুৱা সকলো মানুহৰ লগ হৈ নিজ হাতেৰে প্ৰেমিকাৰ অন্তিম কাৰ্য্য সম্পন্ন কৰি, সুদা বুকুখন লৈ ঘৰলৈ উভতি আহিলো। নিজকে অপৰাধী যেন লাগিল, ভাবিলো মোৰ কাৰনে নিশ্চয় ৰশ্মিয়ে পৃথিৱীৰ পৰা চিৰ বিদায় ললে।

# শবের বিকল্প

শ্রীভূপেশ চন্দ্র রায় প্রধানী
স্নাতক ২য় বর্ষ।

অপেক্ষা করছি ফুরিয়ে যাওয়া ছেণ্টের শিশির মত কখন পরিত্যক্ত হব,
—অপেক্ষা করছি বাষ্পের মত কখন ভেজা চুল থেকে উঠে গিয়ে
মেঘ হয়ে ফেৰ ফিরে আসব।
মনে হয় কোনো উচ্চকিত আহ্বানের জন্যে আমার উদ্বেগ
বুকে ভারী হয়ে উঠেছে।
এখুনি একটি ইঙ্গিত, পলক পাতার চোরাটান আমার কাছে টেনে নিবে।
এদিকে বর্ষার সজনে গাছ ছেয়ে শুয়োঁ পোকা ঘন হয়ে বাসা বাঁধছে,
সঙ্গিনী নিয়ে ভাদ্রের কুকুর শুয়ে আছে গাছ তলায়,
কিন্তু একটি ইঙ্গিত, পলক পাতার টান আমায় এখনো ডাকল না।
অপেক্ষা করছি ফুরিছে যাওয়া সংসারের মত ভেঙে কখন চৌচির হব,
অপেক্ষা করছি ছিন্ন শিকড়ের মত কখন চাড়িয়ে উঠব,
মনে হয় সমৃদ্ধ কোন আনন্দের জন্যে চণ্ডালের মত নিজের জীবন আঁকড়ে বসে আছি
এখুনি কোন শবের বিকল্পে চিতায় উঠে দাড়াতে হবে আমায়।
এদিকে চিতা জ্বালানোর পূর্ণ আমার অশ্রুর সম্বল কেড়ে নিয়েছে,
ঘন বৃষ্টি শেষে মাটি কামড়ে উঠে আসছে সবুজ,
কিন্তু একটি সমৃদ্ধ আনন্দ শবের বিকল্প আমায় কাছে ডাকল না।
—অপেক্ষা করছি—
—অপেক্ষায় সনাতন ভারতের মত আমার টান টান উদ্বেগ ছুয়ে ফুঁটে উঠছে,
ঔষধিহীন মৃত কিছু ঘা, গলিত কুষ্ঠের পাপড়ি।

# একটা নতুন পৃথিবী চাই

ছাইফুর রহমান
স্নাতক ১ম বর্ষ।

আমার একটা নতুন পৃথিবী চাই
এ পৃথিবীর আত্মায় লেগেছে মড়ক,
শবে শবে ছয়লাপ মড়ক।
দূষিত বাতাস হানে গিটকিরি,
শরীরের ভাঁজে ভাঁজে ময়লা
শেওলা জমে আছে বিচ্ছিরী।

জলে অন্ধকারে মস্তান কীট,
ফুলের বসনে ভাসে রক্তের ছিট,
পোড়ে অসতী প্রজাপতি ক্ষীণ কটি কন্যা,
মরে পোয়াতি হাসি ধানমতী মাঠ
সবুজ শাড়ীতে রূপসী অনন্যা।

হিম নাচে হাওয়ায়, অসুখী প্রাণে
বরফ নামে ফাগুনে অঘ্রানে,
ঘরে ঘরে সাজানো মানুষের চিতা,
কান্নায় গলে গেছে মায়েদের বুক
হিংসা করেছে হনন কুটুম্বিতা।
আমার একটা নতুন পৃথিবী চাই।

★●●●★

# চরিত্রই মহাধন

শ্রীসুশান্ত কুমার মহন্ত
স্নাতক ১ম বর্ষ।

চরিত্রই মানবের অমূল্য রতন
সুগঠিত চরিত্র যার সেই মহাজন।
রতন ভুষনে জীব শোভে যত রূপ,
তাহতে চরিত্র শোভা অতি অপরূপ।
স্খলিত চরিত্র যে, তার পরিনাম,
মনুষ্য সমাজে সে পশুর সমান।
বিদ্বান পণ্ডিত যদি কুচরিত্র হয়
সমাজের ঘৃন্য সেই, পূজ্য কভু নয়।
জগতের সর্ব্ব পূজ্য শ্রদ্ধাবান যারা,
চরিত্র ভুষনে হন অলঙ্কৃত তারা।
বিদ্যা বুদ্ধি জ্ঞান হীন ধর্ম্মহীন জন
কেবল চরিত্র গুনে গুনী তিনি হন।
সবে তারে শ্রদ্ধা ভক্তি করিবেন নির্চয়
ইহাতে অন্যথা কভু নাহিক সংশয়
সমৃদ্ধ মানব সে ই ধনী যেই জন
ধন মাঝে চরিত্রই অমূল্য রতন
তাই বলি লভিবারে সেই মহাধন
করহ যতনে সবে নিজ চরিত্র গঠন॥

# মাটি পায় না

—মানিক মুখোপাধ্যায়
ইংরিজী বিভাগ।

বটের ঝুড়ি নামে
অসংখ্য
ওপর থেকে নীচে
মাটি পায় না।
মনের সহস্র কোণ থেকেও
ঝুলে পড়ে
কোমল ঝুড়ি গুলি
চৌ-রাস্তার মোড়ে
তোমরা ছিঁড়ে ফেল
সে-সব প্রত্যাশা!
দিনে দিনে বর্ধিত
এমন সোমত্ত প্রত্যাশা
কঠিন-শুষ্ক হয়ে
অর্ধছিন্ন
গুচ্ছ গুচ্ছ ঝুড়িতেই
ইথার শূন্যে
আত্মগোপন করে।
বট-অশ্বত্থের বিবাহ ও দেখেছি
ঝিল্লী নিশীথে।
অতুর-যন্ত্রণার শানিত ছায়ায়
কঠিন হতে হতে ও
ফসিল হবার প্রত্যাশা জাগে না।
চৈত্র-দগ্ধ দিনে তো দেখেছি
মৃত্তিকায় মাথা ঠুকে
মাথা ফেটে যায় চাষীর
তবু ও তো
আষাঢ়ের আশ্বাসে
কচি কচি অড়হর ক্ষেতে
বাড়ন্ত দিন গুলি.
দীন হতে চায় না।
নারীর ছড়ানোর নেশা
নিরবধি
আর তাই
রোদ মেখে শরীরে
বাতাস টেনে গভীরে
বর্ষণ-সিক্তা
রিক্তা হয় না।
নেমে যেতে চায়
বার বার
ডেকে ডেকে
মাটিকে
আয় না।

✲✲✲✲✲

# শুধুই শিউলি

ভাস্কর বোস
স্নাতক ২য় বর্ষ

তুমি উজ্জ্বল সাদা একটি শরতের শিউলি
অপরূপ সৌন্দর্য্য তোমার
স্নিগ্ধ লাবণ্য।
তাকিয়ে ছিলাম অপলক দৃষ্টিতে
মুগ্ধ করেছিলে আমায়।
অনেক আশা নিয়ে দুহাত মেলে
এগিয়ে গিয়েছিলাম
আপোনার করে নেবো বলে।
পারিনি।

সরিয়ে দিয়েছ আমাকে অনেক দূরে,
বোবা বেদনা নিয়ে ফিরে এসেছি।
ইচ্ছা হয়েছিল
বাগান থেকে তোমায় তুলে এনে
সাজিয়ে রাখবো আমার নিজ ফুলদানিতে
আদায় করে নেব
যা তুমি দিলে না উজ্জ্বল আহ্বানে
পারিনি।
কেননা বুঝতে পারিনি।
শিউলি, তুমি শুধু বাগানের শোভা
বাড়াতেই পারো
অন্য কিছু নয়।

# ঋনশোধ

অপর্ণা সেন
এইচ, এস প্রথম বর্ষ (বিজ্ঞান)

পুষ্প উদ্যানের গোলাপ, গন্ধরাজ ফুলের আড়ালে নাম না জানা ছোট ছোট ফুলের দিকে ক'জনের আর নজর পড়ে? নামী দামী ফুলের আড়ালে হারিয়ে যায় নামাহীন ছোট ছোট ফুলগুলি, তেমনি বিচিত্র এই মানবসমাজ! এখানেও ধনী মানী না হলে কেউ মুখ ফিরিয়ে তাকায় না, দরিদ্র, সোকাতুর মানুষের দুঃখে দুঃখিত হতেও বুঝি সবাই লজ্জিত হয়।

বাগানের নামহীন, অবহেলিত ফুলের মতই এক কিসোর– নাম তার সুভ্র, বড় গরীব ঘরের ছেলে এই শুভ্র, তার বাবা যৎসামান্য বেতনে একটা বেসরকারী স্কুলে কেরানীর কাজ করতেন, কোন রকমে চলত তিনজনের সংসার, কিন্তু বিধাতার বুঝি তাও সহ্য হল না, অকালে নিউ-কোনিয়ায় আক্রান্ত হয়ে চোখ বুজলেন শুভ্রর বাবা, তারপর থেকেই আধাপেট যে অতি-কষ্টে চলতে লাগল 'শুভ্রদের সংসার, এই অভাব অনটনের মধ্যেও শুভ্রর মা তার একমাত্র ছেলেকে মানুষ করবার অভিপ্রায়ে স্কুলে পাঠালেন, কিন্তু গরীব, সরল এই ছেলেটির নিরীহতার সুযোগ নিয়ে ক্লাসের অনেকে ছেলেই দূর্ব্যবহার করে তার সাথে, নিজের নিরীহ স্বভাবের বিপরীতে অনেক সময় তাকে সহ্য করতে হয় চরম আঘাত, সবার অবহেলায় নিজের সম্বন্ধে একটা নীচ ধারনাই হয়ে গেছে শুভ্রর।

হঠাৎ সেদিন শুভ্রাদর ক্লাসে একটি নতুন ভর্ত্তি হল, নাম তার অনন্ত, যেমন সুন্দর দেখতে তেমনি স্মার্ট, পোষাক-আষাক দেখলেই বোঝা যায় বিত্তবান ঘরের ছেলে সে, তেলা মাথায় তেল দেওয়া মানুষের স্বভাব, তাই বুঝি প্রথমদিনই অনন্তর বেশ কয়েকটি বন্ধু জুটে গেল। টিফিনের সময় হঠাৎ অনন্তর চোখ পড়ল শুভ্রর উপর। সে দেখল নিরীহ ছেলেটি চুপচাপ একপাশে দাঁড়িয়ে আছে। ক্লাসের অন্য ছেলেরা খাওয়া-দাওয়া ব্যাস্ত; কেউ একবার ফিরেও তাকাচ্ছে না দরিদ্র ছেলেটির দিকে। অনন্তর খুব খারাব লাগলো; ও শুভ্রর কাছে এগিয়ে গিয়ে বলল 'এই সোন, তোমার নাম কি?' ম্লান হেসে শুভ্র বলল, "শুভ্র রায়চৌধুরী"। অনন্ত ওর ডানহাতটা বাড়িয়ে দিয়ে বলল, "এসো না আমার সাথে, আমরা একসঙ্গে টিফিন খাবো।" একটু ইতঃস্তত করে রাজী হয়ে গেল শুভ্র। তারপর থেকেই আস্তে আস্তে শুভ্র অনন্তর প্রানের বন্ধু হয়ে উঠল। ক্লাসের অন্য ছেলেরা শুভ্রর সাথে অনন্তর এই বন্ধুত্ব খুব একটা ভালো চোখে দেখত না। অনেক

ছেলেই অনন্তর কাছে শুভ্রর নিন্দা করত। কিন্তু অনন্ত কেন জানি শুভ্রকে ভীষন ভালোবেসে ফেলেছিল। শুভ্রদের বাড়ীতেও মাঝে মাঝেই আসত সে। শুভ্রর মা প্রথম প্রথম নিজেদের দৈন্যদসায় অনন্তকে দেখে অপ্রস্তুত হয়ে যেতেন, কিন্তু অনন্তর সুমিষ্ঠ নিরহঙ্কার ব্যবহারে কিছুদিনের মধ্যেই সে শুভ্রর মায়ের কাছে সন্তানতুল্য হয়ে উঠল। অনন্ত শুভ্রকে বলত, "দেখ্, মাসীমা কত কষ্ট করে তোকে পড়াচ্ছেন, একদিন তুই অনেক বড় হয়ে ওঁর মুখে হাসি ফোটাবি," বই-পত্র, খাবার-দাবার দিয়ে শুভ্রকে সাহায করত অনন্ত। ক্রমে ক্লাসে বার্ষিক পরীক্ষা সেষ হয়ে গেল একদিন। ফলাফলের দিন সবাইকে অবাক করে পরীক্ষায় দ্বিতীয় স্থান অধিকার করল শুভ্র। প্রথমস্থান অধিকার করল স্বয়ং অনন্ত। একদিন ক্লাসের যেসব ছেলেরা মানুষ বলেই মনে করেনি শুভ্রকে এখন তারাই তার প্রসংসায় পঞ্চমুখ হয়ে উঠল। দেখতে দেখতে অনেক বড় হয়ে উঠল শুভ্ররা। স্কুল ফাইনেল পরীক্ষায়ও ওরা দুজনেই খুব ভালো করল। সরকারী বৃত্তি পেয়ে কলেজ ভর্ত্তি হলো শুভ্র। অনন্তকে ওর বাবার চাকরীসূত্রে অনত্র চলে যেতে হল। অনন্ত চলে যাওয়ার পর প্রথম প্রথম শুভ্রর খুবই খারাপ লাগতো, ক্রমে আস্তে আস্তে অনন্তর স্মৃতিও প্রায় মুচে গেল শুভ্রর মন থেকে। প্রথম প্রথম চিঠীর আদান প্রদান হতো। তারপর একদিন তাও বন্ধ হয়ে গেল।

তারপর অনেকদিন কেটে গেছে। শুভ্র এখন একজন স্বনামধন্য উচ্চপদস্থ সরকারী কর্মী। কিছুদিনের জন্য অফিস থেকে ছুটি নিয়ে মাকে সঙ্গে নিয়ে পুরী বেড়াতে এল সে। শুভ্র শুনেছিলো অনন্তরা নাকি এখন পুরীতেই আছে। কিন্তু ঠিকানা জানত না সে। অনন্তর সঙ্গে একবার দেখা হওয়ার জন্য মনে মনে প্রার্থনা করছিলো শুভ্র। পুরীতে ওরা যেই হোটেলে এসে উঠেছিলো সেই হোটেলে ওদের পাসের ঘরেই ছিলেন এক বাঙালী ভদ্রলোক। খুবই মিশুকে লোক তিনি। শুভ্রর সঙ্গে দুইদিনেই ভালো ভাব হয়ে গেল তার। এমদিন কথায় শুভ্র অনন্তর কথা বলতেই চমকে উঠলেন ভদ্রলোক। শুভ্রকে থামিয়ে দিয়ে বললেন—'দাঁড়ান, দাঁড়ান, কি নাম বললেন আপনার বন্ধুটির? শুভ্র বলল, "অনন্ত মুখার্জী।" ভদ্রলোক উত্তেজিত হয়ে বললেন। 'আপনার বন্ধুটির বাবার নাম কি অবিনাস মুখার্জী? শুভ্র বলল, 'হ্যাঁ'। ভদ্রলোক বললেন, 'আপনার সেই বন্ধুটি এখন আমাদের গ্রামে থাকেন। আমার পুরীর কাজ কালই শেষ হয়ে যাবে। পরশু আমি আমার গ্রামে ফিরে যাব। আপনিও চলুন না আমার সঙ্গে।" শুভ্র এক কথায় রাজী হয়ে গেল। ভদ্রলোকের মুখেই শুভ্র শুনলো অনন্ত ডাক্তারি পাশ করেই এই গ্রামে তার পৈতৃক বাড়ীতে এসে উঠে। তার মা, বাবা দুজনেই মারা গেছেন। নিজেদের পুরোনো বাড়ীটায় একটা ডিসপেনসারী খুলেছে অনন্ত। বিনামুল্যে চিকিৎসা করে; আর নিজের সব সম্পত্তি উৎসর্গ করে নতুন একটা স্কুল খুলে দিয়েছে। গ্রামের মানুষ অনন্তকে অবতার আখ্যা দিয়েছে। একটা নিরক্ষরতার



অন্ধকারে হারিয়ে যাওয়া গ্রামকে যেন নতুন জীবন দিয়েছে অনন্ত।

যথা সময়েই ওরা গ্রামে এসে পৌছিল কিন্তু এক দুঃসংবাদ অপেক্ষা করছিলো ওদের জন্য। ওরা শুনল অনন্তবাবু খুব অসুস্থ এখনই পুরী না নিয়ে গেলে আশা নেই। হাসপাতালে নিয়ে আসা হলো অনন্তকে। গ্রামের সবার চোখে জল। শুভ্রও সেই লোকটির সঙ্গে হাসপাতালে এল। কিছুক্ষন পরেই জানানো হলো অনন্তর দুটো কিডনিই নষ্ট হয়ে গেছে। একটা কিডনি দিলে হয়তো তাকে বাঁচানো সম্ভব। গ্রামের লেকেরা সোকে স্তব্ধ হয়ে গেল। তাদের জন্যই অনন্ত নিজের সব ধনদৌলত দান করে আজ নিঃস্ব। এখন টাকার অভাব তাকে········। "না, না, এ হয়না, আমি আমার একটা কিডনি দান করব।" হঠাৎ শুভ্রর চিৎকারে সবার চমক ভাঙলো, হ্যাঁ, সত্যিই শুভ্র বিনামুল্যে তার একটা কিডনি দান করলো।

কিছুদিন পরের কথা, শুভ্রর কলকতার বাসভবনে মুখোমুখী বসে ছিলো শুভ্র আর অনন্ত। ধরা গলায় অনন্ত বলল, "শুভ্র, তুই একি করলি? আমার মত নিঃস্ব লোকের জন্য দেহের অমুল্য সম্পদ একটা কিডনি তুই বিনামূল্যে······। তাকে বাধা দিয়ে স্মিত মুখে শুভ্র বলল, 'অনন্ত তুই সাধারণ মানুষ না, তুই অবতার। ভগবান বুদ্ধ যেমন মানুষের জন্য সোনার সিংহাসন থেকে ধূলার পৃথিবীতে নেমে এসেছিলেন; তুইও ঠিক তেমনি নিজের সব ধনদৌলত দরিদ্র মানুষের সেবায় দান করে নিজে নিঃস্ব হয়ে পড়েছিস। তাছাড়া একদিন তুই আমাকে মানুষের মত মানুষ হতে সাহয্য করেছিলি। তাই আমি সামান্য একটি কিডনি দান করে তোর ঋন কিঞ্চিত সোধ করতে চেষ্টা করলাম।

★●●●★

# অজেয়ঃ-

সুদেব পাল
স্নাতক মহলা (তৃতীয় বর্ষ)
শাখা—বিজ্ঞান

"টু-ম-পা," দাঁতে দাঁতে চেপে কর্কশ স্বরে চিকিৎকার করে উঠে সুতপা। সুতপার চিৎকার কানে যেতেই মুহূর্তের মধ্যেই নিস্তব্ধতা নেমে আসে ঘরের ভেতর।

বিয়েবাড়ি। আজ টুম্পার বড়পিসির বিয়ে। সেই উপলক্ষে বাড়িতে নিমন্ত্রিতের ভিড়। ওদিকে বিয়ের আয়োজন চলছে। আর এদিকে ঘরের ভেতর একদল ছেলেমেয়ে বিয়েবাড়ির আনন্দকে উপলক্ষ করে মজা করবার উপকরণ খুঁজে চলেছে। হঠাৎ তারা আবিস্কার করে টুম্পাকে। ছোট্ট টুম্পা। বছর সাতেক বয়স। ফরসা, ধবধবে গায়ের রং। একমাথা কোঁকড়ানো ঝাঁকড়া চুল, টিকলো নাক। ভাসা-ভাসা দুটো চোখ। লাল টুকটুকে ঠোঁট। প্রথমে সবাই যায় আদর করতে। তারপর ছ্যাখে, ওই মুখে কোনও ভাষা নেই। ঠোঁট দুটো নড়ছে বটে কিন্তু কোনও কথা বেরোয় না। নিমেষেই সবাই বুঝে যায় মেয়েটি বোবা এবং কালা। সদ্য প্রস্ফুটিত গোলাপ, হঠাৎ সকলের কাছে পোকায় কাটা ধুঁতুল হয়ে যায়।

সমবয়সী বাচ্চাদের কারও-কারও মনে হল- যাক এবার মজা করার মতো উপকরণ পাওয়া গেছে। হই-হই করতে-করতে কেউ এদিকে থেকে খোঁচা মারে, কেউ ওদিকে থেকে। কেউ মুখ খিচোয়, কেউ জিভ ভেভায়, কেউ-বা চুল ধরে টানাটানি করে। কেউ-বা আবার মেরেও পালিয়ে যায়। ছোট্ট দুটো হাত দিয়ে প্রাণপণে বাধা দিতে চেষ্টা করে টুম্পা।

চারদিক থেকে আক্রমণ সুরু হওয়ার পাগলের মতো হাত দুটোকে বাড়িয়ে ঘুরতে থাকে মেয়েটা। আর ঘরভর্তি লোকজন মজা খুঁজে পায় টুম্পার ভঙ্গিমায়। এতক্ষণ যা ছিল ছোটদের কাছে মজা, এখন সেটা সংক্রামিত হয় বড়দের মধ্যেও। কেউ-কেউ বলেন, 'ও গুঙ্গি, তোকে কে সাজিয়েছে? ও বুবি, তুই কী রূপসী!"

নানারকম অঙ্গভঙ্গি করতে-করতে এ-ওর গায়ে হেসে গড়িয়ে পড়ে। যখন একজন টুম্পার চুল থেকে ওর শখের সুন্দর ক্লিপ দুটো খুলে নেয়, তখন টুম্পা আর থাকতে পারে না। অদ্ভুত এক ধরনের তীক্ষ্ণ চিৎকার



তার গলা দিয়ে বেরিয়ে আসে। তার চিৎকারে ঘরের ভেতর সবাই আরও বেশি মজা খুঁজে পায়। এই সময়ই সেখান দিয়ে কী একটা কাজে সুতপা যাচ্ছিল। সম্পূর্ণ ঘটনাটাই সে বিহ্বল দৃষ্টিতে তাকিয়ে-তাকিয়ে দেখছিল। কিন্তু কাউকে কিছু বলতে পারছিল না। সবাই নিমন্ত্রিত অতিথি। যাকেই বলতে যাবে সেই ব্যাপারটাকে কী সাঙ্ঘাতিক রূপ দেবে মনশ্চক্ষে তা স্পষ্ঠ দেখতে পাচ্ছিল সুতপা। সুতপা আরও জানে অতিথিরা যে কোনও কারণেই অপমানিত বোধ করলেই তার পুরোটা দায় ভার তাকেই বহন করতে হবে। কেননা, সে এ- বাড়ির বউ। সর্বোপরি সে বোবা মেয়ের মা। তাই সুতপা কোনও কথা বলেনা, বলতে পারেনা। নিশ্চুপ হয়ে দাঁড়িয়ে থাকে। পা দুটোও যেন আটকে রয়েছে মাটির সঙ্গে। সারা শরীর অবশ, নিষ্পন্দ। কিন্তু এখন সেই মুহূর্তে টুম্পার তীক্ষ্ণ চিৎকারে সুতপার যেন চমক ভাঙে। আর কাউকে কিছু বলতে না পেরে সমস্ত আক্রোশ গিয়ে পড়ে বোবা মেয়েটার ওপর।

"টুম্পা" বলে চিৎকার করেই ঘরের ভেতর ঢুকে সুতপা ঠাস-ঠাস করে মারতে থাকে টুম্পাকে। অসহায় দৃষ্টিতে তাকিয়ে থাকে সে মায়ের মুখের দিকে। বড় করুণ সে দুটি চোখের দৃষ্টি। কাঁদতেও যেন ভুলেগিয়েছে যারা এতক্ষণ মজা দেখছিল তারা সবাই আস্তে আস্তে সরে পড়েছে। কেউই এগিয়ে এলনা টুম্পাকে মারের হাত থেকে উদ্ধার করতে।

এবার দু'হাতে মুখ ঢেকে বসে পড়ে সুতপা। হাউ-হাউ করে কাঁদতে থাকে। বিয়ের বাড়ির সমস্ত আনন্দ এক নিমেষে মান হয়ে যায়। কেমন এক শূন্যতাবোধ গ্রাস করে সুতপাকে। বুকের ভেতরটা বড় জ্বালা করে। অসহায় মেয়েটার দিকে চোখ তুলে তাকতে পর্য্যন্ত পারে না।

হঠাৎ মাথায় কার হাতের ছোঁয়া পেয়ে চমকে মুখ তোলে সুতপা। পাশে এসে দাঁড়িয়েছে ছোট দেওর শমীক। কোলে টুম্পা। শান্ত ভাবে শমীক বলে, "কেঁদো না বউদি। আমি সব শুনেছি। আমি ওকে নিয়ে কলকতায় যেতে চাই। ও আমার কাছেই থাকবে। ওর সমস্ত চিকিৎসার ভার আমার। ওকে তুমি আমার কাছে থাকতে দাও বউদি। দেখবে ও একদিন কথা বলতে পারবেই। যতদিন না ও ভালভাবে কথা বলতে পারছে, ততদিন তোমার কাছে ওকে নিয়ে আমি আসব না। তোমাকে কথা দিচ্ছি।"

হঠাৎ উঠে দাঁড়িয়ে শমীকের হাত দুটো ধরে কেঁদে ফেলে সুতপা। "তুমি পারবে শমীক? পারবে? পারবে আমার টুম্পার মুখে কথা ফোটাতে?"

"পারব বউদি। আর সে-কথা বলার জন্যই তো আমি এবার তোমার কাছে ছুটে এসেছি।"

সুতপা আত্ময় হয়ে শোনে শমীকের কথা।

